www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

তোমাৰ আচল বয়স যিমানেই নহওক কিয়, তুমি যদি সদায় সৃষ্টিশীল হৈ থাকা, তেন্তে তুমি তোমাৰ মাজত থকা শিশুটোক জীয়াই ৰাখিব পাৰিবা। — জন কাছ ভেটছ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐প্ৰথম বছৰ ❐সংখ্যা- ১০৮ ❐ বৃহস্পতিবাৰ ❐২২ জানুৱাৰী, ২০২৬ চন ❐ Volume/Year- I ❐ Issue- 108 ❐ Thursday ❐ 22nd January, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page- 8

■ ৰাজপথত অব্যাহত সেনাৰ ফ্লেগমাৰ্চ; বিদ্যালয়, খেলপথাৰত আশ্ৰয় শিবিৰ ■

# সেনাৰ নিয়ন্ত্ৰণত অগ্নিগৰ্ভা কোকৰাঝাৰ

## বিটিচি সচিবালয়ত শান্তি বৈঠক সম্পন্ন; আশ্ৰয় শিবিৰ পৰিদৰ্শন মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাৰ

**ষ্টাফ ৰিপৰ্টাৰ, কোকৰাঝাৰ, ২১ জানুৱাৰী ঃ** কোকৰাঝাৰ জিলাৰ কাৰিগাঁও এলেকাত উত্তপ্ত হৈ থকা পৰিৱেশ ক্ৰমান্বয়ে সুস্থিৰ হৈছে। যোৱা ৩৬ ঘণ্টাৰ বিভীষিকাময় পৰিস্থিতিৰ পিছত আজি পৰিৱেশ শান্ত হৈ পৰিছে যদিও ভিতৰি ভিতৰি এতিয়াও চেপা উত্তেজনাই বিৰাজ কৰিছে। আতংকময় পৰিৱেশৰ পিছত বড়ো আৰু আদিবাসী উভয় সম্প্ৰদায়ৰ ৬৮০টা পৰিয়ালৰ ২৯২৯জন লোকে এতিয়া আশ্ৰয় শিৱিৰত অনিশ্চিত ভৱিষ্যতৰ কথা ভাবি নিজ ভাগ্যক ধিয়াই চকুলো টুকিছে। কোকৰাঝাৰৰ কাৰিগাঁও এলেকাত পাঁচটা আশ্ৰয় শিবিৰ খোলা হৈছে আৰু ইয়াৰে চাৰিটা শিবিৰত বড়ো সম্প্ৰদায়ৰ লোকসকলে আশ্ৰয় গ্ৰহণ কৰিছে। আনহাতে কাৰিগাঁও ▸▸৬ পৃষ্ঠাত





দিল্লীত কটকটীয়া নিৰাপত্তা ব্যৱস্থা, জইছ-ঈ-মহম্মদৰ '২৬-২৬' ক'ড নামৰ ষড়যন্ত্ৰৰ সতৰ্কতা

## সমাগত গণৰাজ্য দিৱস ! সন্ত্ৰাসবাদী আক্ৰমণৰ শংকাত উচ্চ সতৰ্কতা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২১ জানুৱাৰী ঃ** সমগ্ৰ ভাৰতবাসী এতিয়া ২৬ জানুৱাৰীৰ গণৰাজ্য দিৱস উদযাপনৰ বাবে উৎসাহিত হৈ আছে। দিল্লীত পেৰেড, সাংস্কৃতিক অনুষ্ঠান আৰু ৰাষ্ট্ৰীয় ▸▸৬ পৃষ্ঠাত

শ্ৰীলংকালৈ স্থানান্তৰৰ অনুৰোধ নাকচ, নিৰাপত্তাৰ ভাবুকি নথকাৰ স্পষ্ট ঘোষণা

## ভাৰততেই T20 বিশ্বকাপ খেলিব লাগিব বাংলাদেশে

**অনলাইন ডেস্ক, অসম বাৰ্তা, ২১ জানুৱাৰী ঃ** আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে (আইচিচি) আগন্তুক পুৰুষ টি-২০ বিশ্বকাপ ২০২৬ৰ বাবে বাংলাদেশ ক্ৰিকেট ব'ৰ্ডৰ (বিচিবি) অনুৰোধ ▸▸৬ পৃষ্ঠাত

## জুবিন গাৰ্গ সন্দৰ্ভত বিতৰ্কিত মন্তব্য কৰি ৰঙাঘৰলৈ শিখা শৰ্মা



১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ; আজি অন্ত পৰিছিল আৰক্ষীৰ জিম্মাৰ ম্যাদ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২১ জানুৱাৰী ঃ** অসমীয়া সংগীত জগতৰ প্ৰিয় শিল্পী তথা "প্ৰাণৰ শিল্পী" জুবিন গাৰ্গৰ বিৰুদ্ধে ▸▸৬ পৃষ্ঠাত

❐ অসম সকলো বিনিয়োগৰ বাবে সাজু ঃ মুখ্যমন্ত্ৰী ❐




## উত্তৰ-পূৰ্বাঞ্চলক গোলকীয় ঔদ্যোগিক মানচিত্ৰত অন্তৰ্ভুক্ত কৰাৰ প্ৰচেষ্টা

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২১ জানুৱাৰী ঃ** বিশ্ব অৰ্থনৈতিক মঞ্চৰ বৈঠকত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিশ্ব ঔদ্যোগিক মঞ্চত উত্তৰ-পূব ভাৰতক প্ৰতিষ্ঠা কৰাৰ বাবে ইতিবাচক সংকেত দিয়ে। সন্মিলনৰ সমান্তৰালভাৱে বক্তব্য ৰাখি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে ভাৰতৰ অৰ্থনৈতিক কাহিনী এতিয়া আৰু কেইখনমান গুৰুত্বপূৰ্ণ ৰাজ্যতে সীমাবদ্ধ হৈ থকা নাই, বৰঞ্চ সমগ্ৰ দেশৰ ▸▸৬ পৃষ্ঠাত

বিনিময় প্ৰথাৰে উজলি উঠিব জোনবিলৰ পাৰ; তিৱা ৰজাসকলক ৰাজভাট্টা প্ৰদান কৰিব মুখ্যমন্ত্ৰীয়ে

## আজিৰে পৰা পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ উৎসৱ ঐতিহাসিক জোনবিল মেলা

**ষ্টাফ ৰিপৰ্টাৰ, জাগীৰোড, ২১ জানুৱাৰী ঃ** অসমৰ ঐতিহাসিক জোনবিল মেলা আজিৰে পৰা আৰম্ভ হ'ব। জাগীৰোডৰ জোনবিলৰ পাৰত ২২ৰ পৰা ২৪ জানুৱাৰীলৈ তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব এই মেলা। প্ৰতিবছৰৰ দৰে এইবাৰো বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ সমন্বয়ৰ ভূমি ▸▸৬ পৃষ্ঠাত



২৭ বছৰীয়া বৰ্ণিল যাত্ৰাৰ সামৰণি !

## নাছাৰ পৰা অৱসৰ ল'লে মহাকাশচাৰী সুনীতা উইলিয়ামছে

**নিউজ ডেস্ক, অসম বাৰ্তা, ২১ জানুৱাৰী ঃ** ভাৰতীয় মূলৰ প্ৰখ্যাত মহাকাশচাৰী সুনীতা উইলিয়ামছে আমেৰিকাৰ মহাকাশ গৱেষণা সংস্থা নাছাৰ পৰা অৱসৰ গ্ৰহণ কৰিছে। ২৭ বছৰৰ দীৰ্ঘ কেৰিয়াৰৰ অন্তত মঙলবাৰে ▸▸৬ পৃষ্ঠাত



■ ডিব্ৰুগড়ক দ্বিতীয় ৰাজধানী হিচাপে গঢ়ি তোলাৰ লক্ষ্য ■

## অসমৰ দ্বিতীয় বিধানসভা ভৱনৰ আধাৰশিলা স্থাপন কৰিবলৈ ডিব্ৰুগড়লৈ আহিব অমিত শ্বাহ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২১ জানুৱাৰী ঃ** অসম চৰকাৰে ৰাজ্যখনৰ দ্বিতীয় ৰাজধানী হিচাপে ডিব্ৰুগড়ক গঢ়ি তোলাৰ প্ৰক্ৰিয়াত তীব্ৰতা ▸▸৬ পৃষ্ঠাত

'২৬ত ধিং সমষ্টিত মেহবুব মুক্তাৰক প্ৰাৰ্থী ঘোষণা

## ধিঙত অখিল গগৈৰ উপস্থিতিত ৰাইজৰ দলৰ বিশাল কৰ্মী সভা

**অসম বাৰ্তা, ধিং, ২১ জানুৱাৰী ঃ** আজি ধিং সমষ্টিত ৰাইজৰ দলৰ কৰ্মী সভা এক বিশাল জনসমূদ্ৰত পৰিণত হয়। ধিং বিধানসভা সমষ্টিৰ ধিঙৰ ৰত্ন ভৱন প্ৰাঙ্গণত ৰাইজৰ দলৰ সমষ্টি সমিতিৰ উদ্যোগত অনুষ্ঠিত হোৱা কৰ্মী সভাত বিপুল সংখ্যক কৰ্মী আৰু সমৰ্থকৰ ▸▸৬ পৃষ্ঠাত

প্ৰাৰ্থীত্বৰ দাবীত ২৩ জনতকৈ অধিক কংগ্ৰেছীৰ আবেদন দাখিল ৰাজীৱ ভৱনত

কাৰ্বি আংলঙত বৃহৎ কৰ্মীসভা

## কংগ্ৰেছৰ চৰকাৰ হ'লে মদৰ দোকান বন্ধ কৰি বিদ্যালয়-মহাবিদ্যালয় স্থাপন কৰা হ'ব !

**ষ্টাফ ৰিপৰ্টাৰ, কাৰ্বি আংলং, ২১ জানুৱাৰী ঃ** কাৰ্বি আংলং জিলাৰ ডেন গাঁৱত অসম প্ৰদেশ কংগ্ৰেছে এক বৃহৎ কৰ্মী সভা অনুষ্ঠিত কৰি ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ বাবে ▸▸৬ পৃষ্ঠাত




## গৌৰৱ গগৈয়ে অসমখনক প্ৰব্ৰজনকাৰী বিদেশীৰ হাতত গতাই দিয়াৰ অলীক সপোন দেখিছে - ডাঃ ৰণোজ পেগু



এইবাৰৰ নিৰ্বাচন হ'ব সভ্যতাৰ যুঁজ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, দুধনৈ, ২১ জানুৱাৰী ঃ** এইবাৰৰ নিৰ্বাচন হ'ব সভ্যতাৰ যুঁজ। আমি অসমখনক সুৰক্ষিত কৰি ৰাখিব লাগিব। অসমৰ ভূমিপুত্ৰ খিলঞ্জীয়া আৰু ভাৰতীয় মূলৰ মানুহৰ হাতত যাতে ক্ষমতা থাকে তাৰ ব্যৱস্থা আমি কৰিব লাগিব। আজি দুধনৈত তিনিখনকৈ ▸▸৬ পৃষ্ঠাত



# মাকুমত এ.আই.ৰ জৰিয়তে অশ্লীল ভিডিঅ' নিৰ্মাণ কৰি ব্লেকমেইল কৰা যুৱকক আটক

**অসম বাৰ্তা, মাকুম, ২১ জানুৱাৰী** ঃ মাকুমত এ.আই (Artificial Intelligence) প্ৰযুক্তিৰ অপব্যৱহাৰৰ জৰিয়তে সংঘটিত এক চাঞ্চল্যকৰ ঘটনাৰ ফাদিল কৰিছে মাকুম আৰক্ষীয়ে। এগৰাকী বিবাহপাশত আবদ্ধ হ'বলগীয়া যুৱতীক অশ্লীল ভিডিঅ' ভাইৰেল কৰাৰ ভাবুকি দি ব্লেকমেইল কৰা পশ্চিমবংগৰ গোপালপুৰ উত্তৰ পাৰাৰ বাসিন্দা ৰঞ্জিত সিং নামৰ এজন ২২ যুৱক আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য অনুসৰি কিছু মাহ পূৰ্বে সামাজিক মাধ্যম ফেচবুক আৰু ইনষ্টাগ্ৰামৰ জৰিয়তে অভিযুক্ত ৰঞ্জিত সিং আৰু মাকুমৰ এগৰাকী যুৱতীৰ মাজত চিনাকি হয়। পৰৱৰ্তী সময়ত যুৱতীগৰাকীৰ বিয়া দিন ধাৰ্য্য হোৱাত ক্ষুব্ধ হৈ উঠা যুৱকজনে যুৱতীগৰাকীৰ সামাজিক মাধ্যমৰ পৰা ফটো সংগ্ৰহ কৰি এ.আই প্ৰযুক্তিৰ সহায়ত অশ্লীল ভিডিঅ' নিৰ্মাণ কৰে। সেই ভিডিঅ' ভাইৰেল কৰাৰ ভাবুকি দি তেওঁ যুৱতীগৰাকীক ব্লেকমেইল কৰিবলৈ আৰম্ভ কৰে। এই ঘটনাত মানসিকভাৱে ভাঙি পৰে যুৱতীগৰাকী। পৰিয়ালৰ লোকসকলে বিষয়টো অৱগত হোৱাৰ পাছতে মাকুম আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। অভিযোগ লাভ কৰাৰ লগে লগে আৰক্ষীয়ে তৎক্ষণাৎ তদন্ত আৰম্ভ কৰে। মাকুম আৰক্ষী থানাৰ উপ আৰক্ষী পৰিদৰ্শক বিতু শইকীয়াৰ নেতৃত্বত আৰক্ষীৰ এটা দলে কলিকতালৈ গৈ অভিযান চলাই অভিযুক্ত যুৱকজনক আটক কৰে। তদন্ত সম্পূৰ্ণ হোৱাৰ পাছত কেচ নং: ০২/২০২৬ ইউ/এচ ৭৮ (২)/৭৯/৩৫১(২) বি এন এচ২০২৩ আৰ/ডব্লিউ অংশ: ৬৬(এ)/৬৬(ডি)/৬৭(এ) আই.টি. এ".২০০০. ৰুজু কৰি অভিযুক্তক ন্যায়ালয়ত হাজিৰ কৰাই জেল হাজোটলৈ প্ৰেৰণ কৰা হয়। এ.আই প্ৰযুক্তিৰ অপব্যৱহাৰৰ জৰিয়তে সংঘটিত এই ঘটনাই সমাজত গভীৰ উদ্বেগ সৃষ্টি কৰাৰ লগতে মাকুম আৰক্ষীৰ তৎপৰতা আৰু দক্ষতাৰ বাবে সৰ্বত্ৰ প্ৰশংসা লাভ কৰিছে।

### অৰ্ধ শতাধিক পুৰুষ-মহিলাৰ দলত যোগদান

# জাঁজীত ৰাইজৰ দলৰ সাংগনিক সভা

**অসম বাৰ্তা, জাঁজী, ২১ জানুৱাৰী** ঃৰাইজৰ দল মৰাবজাৰ আঞ্চলিক সমিতিৰ অন্তৰ্গত ৩ নং ৱাৰ্ডৰ জাঁজী জামুগুৰি বলমীয়া গাঁৱৰ দীপাংকৰ গগৈৰ বাসগৃহত এখনি সাংগঠনিক সভাৰ আয়োজন কৰা হয়। উক্ত সভাত সভাপতিত্ব কৰে ৰাইজৰ দল মৰাবজাৰ আঞ্চলিক সমিতিৰ সভাপতি কেশৱ লাহনে। সমষ্টি সমিতিৰ সাঃ সম্পাদক প্লাৱন কুমাৰ গগৈয়ে আত ধৰা সভাখনত উপস্থিত থাকে কেন্দ্ৰীয় সমিতিৰ সাঃ সম্পাদক অনুপ বৰপাত্ৰগোঁহাই, কেন্দ্ৰীয় সমিতিৰ সহ সম্পাদক ছাহজাহান আলী বৰা, জিলা সভাপতি মুনীন্দ্ৰ লাহন, জিলা কাৰ্যকৰী সভাপতি মঃ ইনুদ্দিন আহমেদ, জিলা সাধাৰণ সম্পাদক দ্বয় মুজিদ আলী, পল্লৱ গগৈ সহিতে আঞ্চলিক সমিতিৰ সকলো বিষয়ববীয়া আৰু বহু গণ্য মান্য ব্যক্তি উপস্থিত থাকে। সাংগঠনিক সভাখনত অগপ আৰু বিজেপি দলৰ প্ৰায় অৰ্দ্ধশতাধিক পুৰুষ আৰু মহিলাই ৰাইজৰ দলৰ নীতি আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ ৰাইজৰ দলত যোগদান কৰে। উল্লেখযোগ্য যে যোগদান কৰা সৰহসংখ্যকেই মহিলা। অসম আন্দোলনৰ জন্মলগ্নৰ নেতা তথা জাঁজী অঞ্চলৰ এজন বিশিষ্ট সমাজকৰ্মী ৰাজেন্দ্ৰ প্ৰসাদ গগৈৰ উদাত্ত ভাষণেৰে সভাখনিৰ সামৰণি মৰা হয়।

# বৰপেটাৰোডত চাঞ্চল্যকৰ ৭০ বছৰীয়া পিতৃ হত্যাকাণ্ডৰ সৈতে জড়িতৰ অভিযোগত অভিযুক্ত পুনৰ এজন গ্ৰেপ্তাৰৰ

**অসম বাৰ্তা, বৰপেটাৰোড, ২১ জানুৱাৰী** ঃবৰপেটাৰোডত যোৱা সোমবাৰে নিশা বৰপেটাৰোডৰ বৰ্মনপাৰাত সংঘটিত হোৱা এক লোমহৰ্ষক হত্যাকাণ্ডই বৰপেটাৰোড অঞ্চলত এক চাঞ্চল্যৰ সৃষ্টি কৰিছিল। নিশা নিজ গৃহত পৰিয়ালৰ কোনো লগ নথকা অৱস্থাত বৃদ্ধ পিতৃক হত্যা কৰিছিল নিজ পুত্ৰই। এই ঘটনা পোহৰলৈ অহাৰ পিছতেই অঞ্চল জুৰি এক চাঞ্চল্যৰ সৃষ্টি কৰিছিল। সেই দিনা নিশা বৰপেটাৰোড আৰক্ষীয়ে বন্ধ ঘৰৰ বিছনাত মৃত অৱস্থাত উদ্ধাৰ কৰিছিল বৃদ্ধ গৰাকীৰ মৃতদেহ। পুত্ৰৰ হাতত মৃত্যুক সাৱটি লোৱা ৭০ বছৰীয়া বৃদ্ধ লোকজনৰ নাম পুতুল সান্যাল। মৃত পুতুল সান্যাল BSNLৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী আছিল। পিতৃ হত্যাকাৰী পুত্ৰৰনাম প্ৰীতম সান্যালে পিতৃক হত্যা কৰি লেপেৰ ঢাকি থৈ বাহিৰৰ পৰা তলা মাৰিথৈ পশ্চিম বংগৰ পলাই আছিল, বৰপেটাৰোড আৰক্ষীয়ে বিশেষ সূত্ৰৰ পম খেদি পশ্চিমবংগৰ শ্ৰীৰামপুৰৰ পৰা গ্ৰেপ্তাৰ কৰাৰ পিছতেই বৰপেটাৰোড আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখে আৰু আজি পুনৰ এগৰাকীব্যক্তিক গ্ৰেপ্তাৰ কৰে গ্ৰেপ্তাৰ কৰা ব্যক্তিগৰাকী সম্পৰ্কত মৃত পুতুল সান্যালৰ মামা অমল বৰ্মন।

### ১০ গৰাকী বিশিষ্ট সাহিত্যিক, সমাজকৰ্মীক সম্বৰ্ধনা আৰু গ্ৰন্থ উন্মোচন

# উত্তৰ গুৱাহাটী সাহিত্য সভাৰ উদ্যোগত দুদিনীয়াকৈ শিল্পী দিৱস পালন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২১ জানুৱাৰী** ঃ উত্তৰ গুৱাহাটীত দুদিনীয়াকৈ শিল্পী দিৱস পালন কৰা হয়। ১৭ জানুৱাৰীত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ইয়াৰ লগতে ৰম্যৰত্মা নামৰ এখন প্ৰচাৰ পত্ৰিকা উন্মোচন কৰা হয়। উন্মোচন কৰে বিশিষ্ট সাহিত্যিক মোহন শইকীয়াই। ১৮ জানুৱাৰীত মুকলি সভাৰ অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত উত্তৰ গুৱাহাটী সাহিত্য সভাৰ (শতদল শাখা) তৰফৰ পৰা শিল্পী দিৱস উপলক্ষে উত্তৰ গুৱাহাটীৰ ১০ গৰাকী বিশিষ্ট সাহিত্যিক তথা বিশিষ্ট সমাজকৰ্মীক সম্বৰ্ধনা জনোৱা হয়। শিল্পী দিৱসত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট সাহিত্যিক ডাঃ অঞ্জনজ্যোতি চৌধুৰী আৰু বিশিষ্ট সাহিত্যিক তথা কামৰূপ জিলাৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নৃপেন কুমাৰ ভাগৱতী। অনুষ্ঠানত কেইবাখনৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে সমবেত সংগীত, কবিতা আবৃত্তি কৰে। মুকলি সভাতে বিশিষ্ট নিবন্ধকাৰ, কবি পবিত্ৰ হাজৰিকাৰ "নিজৰ পৰিচয়" শীৰ্ষক গ্ৰন্থ উন্মোচন কৰা হয়। গ্ৰন্থখনি উন্মোচন কৰে বিশিষ্ট সাহিত্যিক নৃপেন্দ্ৰ ভাগৱতীয়ে।

## সঁফুৰা বৃত্তি পৰীক্ষা সম্পন্ন

**অসম বাৰ্তা, জাঁজী, ২১ জানুৱাৰী** ঃ ভগামুখ আঃবিঃ মন্দিৰৰ অধ্যক্ষ ৰবীন চন্দ্ৰ হাজৰিকাই জনোৱা মতে অসমৰ বিভিন্ন প্ৰান্তৰ লগতে কালি ভগামুখ(যোৰহাট) আদৰ্শ বিদ্যা মন্দিৰত পৰাম্পৰাগতভাৱে সঁফুৰা বৃত্তি পৰীক্ষা অনুষ্ঠিত হয়। ভগামুখ আদৰ্শ বিদ্যা মন্দিৰ আৰু সমীপৱৰ্তী বিদ্যালয় সমূহৰ উপৰিও খনামুখ, মৰীজাঁজী, তামুলীছিগা আদি বিভিন্ন ঠাইৰ বিদ্যালয়সমূহৰ পৰা প্ৰায় ২০০ ছাত্ৰ-ছাত্ৰী পৰীক্ষাত অৱতীৰ্ণ হয়। উক্ত ভগামুখ আদৰ্শ বিদ্যা মন্দিৰৰ শিক্ষক সৌৰভ ৰাজগুৰুৰ তত্ত্বাৱধানত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীৰ সহযোগত সুচাৰুৰূপে সম্পন্ন হোৱাত ৰাইজে সন্তোষ প্ৰকাশ কৰে।

### হিমন্তৰ সাম্প্ৰদায়িক ৰাজনীতি জনতাই প্ৰত্যাখ্যান কৰিছে

# নলবাৰীত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়নৰ অৱস্থান ধৰ্মঘট

**অসম বাৰ্তা, নলবাৰী, ২১ জানুৱাৰী** ঃ শেহতীয়াকৈ SR ত দেখা দিয়া বিসংগতি ও বিদেশী আইন পুনৰীক্ষণৰ দাবীত আজি ২ ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্য্যসূচী ৰূপায়ণ কৰে সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুই। সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়নৰ উদ্যোগত আজি নলবাৰী জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে সংগঠনটোৱে। ৰাজ্যখনৰ কেইবাখনো জিলাত চৰকাৰৰ প্ৰশাসন যন্ত্ৰই নিজৰ ক্ষমতাৰ অপপ্ৰয়োগ কৰি নিৰ্বাচনী আয়োগৰ দৰে স্বতন্ত্ৰ সাংবিধানিক সংস্থাক নিজৰ ৰাজনৈতিক উদ্দেশ্য সিদ্ধিৰ বাবে ব্যৱহাৰ কৰাৰ অভিযোগ আনি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সাম্প্ৰদায়িক ৰাজনীতি অসমৰ সৰ্বোস্তৰৰ জনতাই প্ৰত্যাখ্যান কৰিছে বুলি এক প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰে। সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়নৰ সভাপতি ইমতিয়াজ হুছেইনে প্ৰেছ বিবৃতিটোত কয়, বিকাশৰ নামত অসমৰ মুখ্যমন্ত্ৰী তথা বি.জে.পি. দলৰ আগন্তুক নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'বলৈ সাহস নাই, সেয়েহে ক্ষমতাৰ বলিয়ান হোৱা চৰকাৰ তথা বি.জে.পি. দলে নিৰ্বাচনী বিষয়াবোৰৰ ওপৰত হেঁচা প্ৰয়োগ কৰি লাখ লাখ সংখ্যালঘু বৈধ ভাৰতীয় লোকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰাৰ বাবে এক ভয়ংকৰ ষড়যন্ত্ৰত লিপ্ত হৈছে। ইয়াৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী তথা বি.জে.পি. দলে গণতন্ত্ৰক হত্যা কৰিবলৈ উঠি পৰি লাগিছে। বি.জে.পি. দল তথা চৰকাৰে পুনৰবাৰ কু-কাৰ্য্যৰ দ্বাৰা অবৈধভাৱে ক্ষমতা দখল কৰিবলৈ সপোন ৰচিছে। মুখ্যমন্ত্ৰীৰ এই সপোন ভংগ কৰা আৰু এইবৃহত্তৰ ষড়যন্ত্ৰ ওফৰাই দিবলৈ আমছুৰ পৰিয়াল প্ৰতিজ্ঞাবদ্ধ। আজি নলবাৰীৰ কাৰ্য্যসূচী আৰম্ভণি কৰি মাথোঁ আগন্তুক দিনত ধাৰাবাহিকভাৱে এইগণ আন্দোলন গঢ়ি তুলিবলৈ আমছুৱে সিদ্ধান্তগ্ৰহণ কৰাৰ কথা ব্যক্ত কৰে। ইফালে বিদেশী আইনৰ কিছু আসোঁৱাহথকাৰ বাবে নলবাৰীৰ বৰকুৰাস্থিত গৰিয়া বৃদ্ধা মহিলা ছকিনা বিবি বিদেশী ঘোষীত হৈ বাংলাদেশত আশ্ৰয় লৈ আছে। এই খবৰে ভাৰতৰ লগতে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত এক আলোড়নৰ সৃষ্টি কৰিছে। ছকিনা বিবিৰ দৰে বহু প্ৰকৃত ভাৰতীয় নাগৰিকে নিজৰ নাগৰিকত্ব হেৰুৱাব লগাত পৰিছে ও নানা সমস্যাৰ সন্মুখীন হৈছে। সেয়েহে আজিৰ এই অৱস্থান ধৰ্মঘট কাৰ্য্যসূচীৰ জৰিয়তে SRত চলি থকা বিসংগতি ও কু-অভিসন্ধি বন্ধ হোৱাৰ লগতে বৃটিছ যুগৰ বিদেশী আইনখন পুনৰ সংশোধন কৰাৰ দাবী উত্থাপন কৰে আমছুৰ কেন্দ্ৰীয় সভাপতি গৰাকীয়ে।

# ভাৰতীয় জনতা পাৰ্টি, পথৰুঘাট মণ্ডলৰ বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভা সফল সামৰণি

**অসম বাৰ্তা, পাথৰিঘাট, ২১ জানুৱাৰী** ঃভাৰতীয় জনতা পাৰ্টি, পথৰুঘাট মণ্ডলৰ বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভাখন পথৰুঘাট কৃষক শ্বহীদ বাকৰিত গাম্ভীৰ্যপূৰ্ণভাৱে অনুষ্ঠিত কৰা হয়। সভাত আকৌ এবাৰ বিজেপি চৰকাৰ লক্ষ্যৰে পথৰুঘাট মণ্ডলৰ সভাপতি তপন চহৰীয়াই কঁকালত টঙালি বান্ধি সতীৰ্থ সকলক ২৬ৰ বিধানসভা নিৰ্বাচনৰ বাবে সাজু হবলৈ দি সংকল্প বদ্ধ হ'বলৈ আহ্বান জনাই। আজিৰ সভাত উপস্থিত থাকে দৰং জিলা বিজেপি সভাপতি মকুন্দ ডেকা, ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, ৰাজ্যিক কাৰ্যনিৰ্বাহক তথা দৰং জিলা সহ প্ৰভাৰী ডাঃ হৃদয় কুমাৰ দাস, জিলা সাধাৰণ সম্পাদকদ্বয় দীপক নথ, ভূষণ চন্দ্ৰ ডেকা, দৰং জিলা পৰিষদৰ সভানেত্ৰী শেৱালি গোস্বামী কলিতা, জিলা উপ-সভাপতি গজেন কলিতা, ৰাজ্যিক যুৱ মৰ্চাৰ কাৰ্যনিৰ্বাহক সদস্য প্ৰণৱ কলিতা, মঙলদৈ নগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ তথা পথৰুঘাট মণ্ডল প্ৰভাৰী প্ৰতাপ বৰদলৈ, পথৰুঘাট দুনী জিলা পৰিষদৰ সদস্য তথা দৰং জিলা মহিলা মৰ্চাৰ সভানেত্ৰী ৰূপালী দেৱী, দৰং জিলা কৃষক মৰ্চাৰ সভাপতি পবিত্ৰ প্ৰাণ ডেকা প্ৰমুখ্যে ৰাজ্যিক, জিলা আৰু মণ্ডলৰ কাৰ্যকৰ্তা সকল উপস্থিত থাকে। সভাত বুথ সভাপতি, সম্পাদক, পৃষ্ঠা প্ৰমুখ, মণ্ডলৰ কাৰ্যকৰ্তাক শক্তিশালী হৈ দলৰ হকে কাম কৰিবলৈ আহ্বান জনায়।

### ৩ শতাধিক চাফাই কৰ্মীৰ প্ৰতিবাদত উত্তপ্ত মায়াপুৰী

# বঙাইগাঁৱত চাফাই কৰ্মী অনুসূচিত জাতি ছাত্ৰ সন্থাৰ বিশাল ধৰ্ণা কাৰ্যসূচী

**অসম বাৰ্তা, বঙাইগাঁও, ২১ জানুৱাৰী** ঃ চাফাই কৰ্মীসকলৰ বিভিন্ন সমস্যা সমাধান আৰু দীৰ্ঘদিনীয়া ন্যায্য দাবীসমূহ পূৰণৰ দাবীত আজি বঙাইগাঁও চহৰৰ মায়াপুৰীত (ৰেলৱে ৱৰ্কশ্বপ ফ্লাইঅভাৰৰ সমীপত) এক বিশাল ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। চাফাই কৰ্মী অনুসূচিত জাতি ছাত্ৰ সন্থাৰ (SAJSU) কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আয়োজিত এই প্ৰতিবাদী কাৰ্যসূচীত জিলাখনৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ৩০০ চাফাই কৰ্মীয়ে অংশগ্ৰহণ কৰি পৰিৱেশ উত্তপ্ত কৰি তোলে। প্ৰতিবাদকাৰীসকলে চাফাই কৰ্মী সমাজৰ অধিকাৰ সুৰক্ষিত কৰা আৰু তেওঁলোকে ভোগ কৰি অহা বৈষম্য দূৰ কৰাৰ দাবীত তীব্ৰ শ্লোগান দিয়ে। ছাত্ৰ সন্থাৰ নেতৃবৰ্গই ক্ষোভ প্ৰকাশ কৰি কয় যে, সমাজৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে অহৰহ কাম কৰি অহা এইসকল লোক আজিও চৰকাৰী অৱহেলাৰ বলি হৈছে। তেওঁলোকৰ মজুৰি বৃদ্ধি, চাকৰিৰ স্থায়ীকৰণ আৰু সামাজিক নিৰাপত্তাৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত চৰকাৰে অতি সোনকালে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিব লাগে বুলিও তেওঁলোকে দাবী উত্থাপন কৰে। মায়াপুৰীত অনুষ্ঠিত এই ধৰ্ণা কাৰ্যসূচীৰ জৰিয়তে প্ৰতিবাদকাৰীসকলে কৰ্তৃপক্ষক চাফাই কৰ্মী সমাজৰ সমস্যাসমূহৰ প্ৰতি সচেতন হ'বলৈ সকীয়াই দিয়ে। লগতে জানিবলৈ দিয়ে যে যদিহে তেওঁলোকৰ এই দাবীসমূহ অতি সোনকালে মানি লোৱা নহয়, তেন্তে আগন্তুক দিনত অধিক জংগী আন্দোলন গঢ়ি তোলা হ'ব। আজিৰ এই প্ৰতিবাদে ৰে'ল নগৰী বঙাইগাঁৱত বিশেষ চৰ্চা লাভ কৰিছে।

# যোৰহাটত ৰাষ্ট্ৰীয় পথ সুৰক্ষা মাহ পালন আৰম্ভ কৰিলে আয়ুক্তই

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২১ জানুৱাৰী** ঃ "মদ্যপান কৰি যান-বাহন নচলাব, সুৰক্ষিতভাৱে বাহন চলাই নিজৰ লগতে আনৰো জীৱন সুৰক্ষিত কৰক। বাহন চলোৱাৰ সময়ত ম'বাইল ফোন ব্যৱহাৰ নকৰিব। যান-বাহনৰ তীব্ৰ গতি পৰিহাৰ কৰক, দুৰ্ঘটনা এৰাই চলক। গাড়ী চলাওতে ছীট বেল্ট লগাওক। মটৰ চাইকেল চলাওতে হেলমেট পৰিধান কৰক।" আদি শ্ল'গানৰে প্লে' কাৰ্ড, বেনাৰ লৈ ৰাষ্ট্ৰীয় পথ সুৰক্ষা মাহ যোৰহাটত ১-৩১ জানুৱাৰীলৈ পালন কৰি থকা হৈছে। আজি উলিওৱা বাইক আৰু যান-বাহনৰ ৰেলী আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে যোৰহাটৰ আয়ুক্ত জয় শিৱানীয়ে। অতিৰিক্ত আয়ুক্ত কাৰ্তিক কমল শইকীয়া আৰু জিলা পৰিবহণ বিষয়া ধনঞ্জয় শইকীয়াৰ নেতৃত্বত ৫ শতাধিক বাইকাৰ্চৰ লগতে চাৰি চকীয়া বাহন, স্কুল বাছ, ট্ৰাক আদিৰে যোৰহাটৰপৰা উলিওৱা ৰেলী তিতাবৰ, মৰিয়নি, দেবেৰাপাৰ, টীয়ক হৈ প্ৰায় ১০০ কিলোমিটাৰ অতিক্ৰম কৰি পুলিবৰৰ ৰয়েল এনফিল্ড ডিলাৰৰ সন্মুখত সামৰণি মাৰে। বাইক ৰেলীৰ সামৰণিত অতিৰিক্ত আয়ুক্ত কাৰ্তিক কমল শইকীয়া, জিলা পৰিবহণ বিষয়া ধনঞ্জয় শইকীয়া, যান-বাহনৰ আৰক্ষী, এম ভি আই, স্কুল বাছ মালিক সন্থা, বাছ মালিক সন্থা, ট্ৰাক মালিক সন্থা, ড্ৰাইভিং স্কুলৰ প্ৰতিনিধিৰ লগতে পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ সভাপতি ৰমেন শইকীয়াই যান-বাহনৰ নীতি অৱমাননা কৰাৰ বাবে সঘনাই হৈ থকা দুৰ্ঘটনা ৰোধৰ উদ্দেশ্যে উলিওৱা ৰেলীয়ে যোৰহাট জিলাখনৰ লোকসকলৰ দৃষ্টি আকৰ্ষণ কৰাৰ লগতে সজাগ-সচেতন কৰিলে বুলি মন্তব্য আগবঢ়ায়। আগন্তুক কেইদিনত জিলা পৰিবহণ বিষয়াৰ উদ্যোগত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি থকাৰ পাছত ৩০ জানুৱাৰীত যোৰহাট থিয়েটাৰ হলত দিনৰ ১১ বজাৰপৰা অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানত ৰাষ্ট্ৰীয় পথ সুৰক্ষা মাহৰ সামৰণি পৰিব বুলি ধনঞ্জয় শইকীয়াই উল্লেখ কৰাৰ লগতে মাহটোৰ কাৰ্যসূচীসমূহত যোৰহাটবাসীৰ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে।

# ডিব্ৰুগড় পেঞ্চনাৰ সন্থাৰ বয়োজ্যেষ্ঠ ব্যক্তিক সম্বৰ্ধনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২১ জানুৱাৰী** ঃ ডিব্ৰুগড় পেঞ্চনাৰ সন্থাৰ পযেকীয়া কাৰ্য্যসূচী ৰূপায়ণ কৰাৰ অৰ্থে অন্যান্য কাৰ্য্যসূচীৰ লগতে আজি চহৰৰ কেবাজনো বয়োজ্যেষ্ঠ ব্যক্তিৰ আবাস গৃহত গৈ সাদৰৰ এষাৰি মাত দিয়াৰ লগতে একোখনকৈ ফুলাম গামোছাৰে আদৰণি জনাই তেখেত সকলৰ দীৰ্ঘায়ু কামনা কৰাৰ লগত মতবিনিময় কৰে। এই উদ্দেশ্য সন্থাৰ সভাপতি দিলীপ কুমাৰ দাস আৰু সম্পাদক মৃদুল শৰ্মাৰ নেতৃত্বত এটি দলে সন্থাৰ সকলোতকৈ বয়োজ্যেষ্ঠ ব্যক্তি মহিউদ্দিন আহমেদ জিলানী, থুলেশ্বৰ দলৈ, থানুৰাম বৰা, ফটিক চন্দ্ৰ বৰা আৰু ধন বাহাদুৰ ঠাকুৰীৰ বাসগৃহ লৈ বয়োজ্যোষ্ঠ সকলক সন্মান জনায়।

### বকুলবাৰীতে পূৰ্বে নিৰ্ধাৰণ কৰা ভূমিত সংস্থাপন দিয়াৰ আহ্বান

# পদুমণিত খিলঞ্জীয়া লোকক বন বিভাগৰ উচ্ছেদৰ অভিযোগ

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ২১ জানুৱাৰী** ঃলখিমপুৰ জিলাৰ কদম ৰাজহচক্ৰৰ শ্ৰীশ্ৰী পদুমণি আইথানৰ সমীপতে চৰকাৰী ভূমিত বহু বছৰ ধৰি বসবাস কৰি থকা তিনিটা পৰিয়ালক আজি লখিমপুৰ জিলা বন বিভাগে প্ৰশাসনৰ সহযোগত উচ্ছেদ অভিযান চলাই। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দিয়া প্ৰতিশ্ৰুতি অনুসৰি শ্ৰীশ্ৰী পদুমণি আইথানৰ বাবে ভূমি অধিগ্ৰহণ কৰিবলৈ এই উচ্ছেদ চলোৱা হয়। যতিন নাথ, বিশ্বজিৎ ফুকন আৰু পিংকু ফুকন নামৰ লোককেইজনৰ পৰিয়ালে বহু বছৰ ধৰি বেদখল কৰি থকা ভূমি দখলমুক্ত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰি বন বিভাগে উচ্ছেদৰ জাননী দাখিল কৰিছিল। শ্ৰীশ্ৰী পদুমণি আইথানৰ সন্মুখৰ ভূমিত প্ৰায় ৪০ বছৰ ধৰি বসবাস কৰি আহিছিল পৰিয়ালকেইটা। কিন্তু শেহতীয়াকৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ অনুসৰি শ্ৰীশ্ৰী পদুমণি আইথানৰ বাবে ভূমি অধিগ্ৰহণৰ হেতু পৰিয়ালকেইটাই আইন অমান্য কৰি দুলুং সংৰক্ষিত বনাঞ্চলৰ এলেকাত বসবাস কৰি আছে বুলি লখিমপুৰৰ বন সংমণ্ডল প্ৰাধিকাৰীয়ে স্বাক্ষৰ কৰি কোনো ছিল মোহৰ নমৰাকৈ উচ্ছেদৰ জাননী জাৰি কৰিছিল। আনহাতে পিলাই ফুকন নামৰ উচ্ছেদিত লোকজনক জিলা আয়ুক্তই ২০১৪ চনতে ভূমি আৱণ্টৰ প্ৰমাণপত্ৰ প্ৰদান কৰিছিল। উক্ত ভূমিৰ বিপৰীতে খাজনাও দি আহিছিল পৰিয়ালটোৱে। পৰিয়ালকেইটাৰ অনুনয় বিনয়ক দলিয়াই দি আজি বৃহৎ আৰক্ষী বাহিনী, বৃহৎ বনৰক্ষী বাহিনী পুৱাৰ ভাগত উপস্থিত হৈ বল প্ৰয়োগ কৰি এক্সকেভেটৰেৰে বাসগৃহ ভাঙি তহিলং কৰে। নিজৰ ঘৰখন ভঙা দেখি চকুৰ পানীৰে বাট নেদেখা হৈ পৰে ভুক্তভোগীয়ে। আনহাতে, পৰিয়াল তিনিটাক বকুলবাৰীত সংস্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল যদিও উক্ত ভূমি ভোগ দখল কৰি থকা পৰিয়ালকেইটাই উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰাত সিদ্ধান্ত স্থগিত ৰখা হৈছিল। কিন্তু বকুলবাৰীৰ সেই স্থানৰ ভূমিকেই উচ্ছেদিত পৰিয়াল কেইটাক আইনসন্মতভাৱে প্ৰদান কৰিবলৈ প্ৰশাসনক আহ্বান জনাইছে।

# গোলাঘাট জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আন্তঃ আঞ্চলিক দিবা-নৈশ ভলীবল প্ৰতিযোগিতা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২১ জানুৱাৰী** ঃসদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ উদ্যোগত কমাৰবন্ধা আঞ্চলিক ছাত্ৰ সন্থাৰ আতিথ্যত, কমাৰবন্ধা ভলীবল ক'চিং চেণ্টাৰ আৰু কমাৰবন্ধাবাসীৰ সহযোগত ৩ নং কমাৰবৰা প্ৰাথমিক বিদ্যালয়ৰ খেলপথাৰত গাম্ভীৰ্যপূৰ্ণ কাৰ্যসূচীৰে দিবা-নৈশ আন্তঃ আঞ্চলিক ভলীবল প্ৰতিযোগিতা আজি অনুষ্ঠিত হয়। এই উপলক্ষে বৰ্ণাঢ্য কাৰ্যসূচীৰে মুখৰিত হৈ পৰে কমাৰবন্ধাৰ কমাৰবৰা খেলপথাৰ। সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি মিণ্টু গগৈৰ সভাপতিত্বত আৰু সাধাৰণ সম্পাদক চিৰঞ্জীৱ বৰাই আঁত ধৰা প্ৰতিযোগিতাৰ শুভাৰম্ভণী অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি অভিৰ্বতন গোস্বামী সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি প্ৰতিযোগিতাখনি শুভ উদ্বোধন কৰে। মঞ্চ মুকলি কৰে বিশিষ্ট শিক্ষাবিদ ড° পুতুল চন্দ্ৰ শইকীয়াই। জ্যেষ্ঠ সাংবাদিক, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় বিষয়ববীয়া দিগন্ত কুমাৰ ভূঞা আৰু বিশিষ্ট অধিবক্তা ৰিতু পল্লৱ শইকীয়া অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। কমাৰবন্ধা অঞ্চলৰ দুই বিশিষ্ট ক্ৰীড়াবিদ শিশুৰাম তামুলী আৰু দুলেশ্বৰ গগৈক অনুষ্ঠানত বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। উক্ত উদ্বোধনী অনুষ্ঠানত উদযাপন সমিতিৰ সভাপতি অপূৰ্ব শৰ্মা, কাৰ্যকৰী সভাপতি দেৱজিত ৰাজখোৱা, সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা দীপ বৰঠাকুৰ, গোলাঘাট মহকুমা ছাত্ৰ সন্থাৰ সভাপতি চাণক্য বৰা, ৩ নং কমাৰবৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অনিল শইকীয়া, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি জয়ন্ত বৰুৱা, কমাৰবন্ধা ভলীবল ক'চিং চেণ্টাৰৰ সভাপতি কনক বৰা, সম্পাদক গকুল বৰা, প্ৰাক্তন ছাত্ৰ নেতা ঋতুৰাজ বৰা আৰু অংশুমান বৰা, খেল পৰিচালক ক্ৰমে দিব্যহাস বৰা, প্ৰসেন বৰা, প্ৰসন্ন দত্ত, অংকুৰ ফুকন, প্ৰকাশ তামুলী, উদযাপন সমিতিৰ সম্পাদকদ্বয় হৰপ্ৰসাদ বৰুৱা আৰু ৰবীন বৰাৰ লগতে জিলা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহকৰ সদস্য সকল উপস্থিত থাকে।

# সোণাৰিত সদৌ অসম ভিত্তিত 'মিষ্টাৰ চৰাইদেউ' প্ৰতিযোগিতা

**অসম বাৰ্তা বিশেষ, সোণাৰি, ২১ জানুৱাৰী** ঃইউনিভাৰ্চেল ফ্ৰে'জিম আৰু FITNESS আড্ডাৰ উদ্যোগত চৰাইদেউ জিলা শৰীৰ চৰ্চা সন্থা লগতে চৰাইদেউ জিলাবাসীৰ সহযোগত সদৌ অসম ভিত্তিত "মিষ্টাৰ চৰাইদেউ" শীৰ্ষক এখনি প্ৰাইজমণি শৰীৰ চৰ্চা প্ৰতিযোগিতা সোণাৰি ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। দিনযোৱা কাৰ্যসূচীৰে- "সুৰৰ সোপানে সোপানে" শীৰ্ষক প্ৰাইজমানি কুইজ প্ৰতিযোগিতা প্ৰাইজমানি সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। পোন প্ৰথম বাৰ অসমৰ ইতিহাসত জুবিন গাৰ্গক সোঁৱৰণীত "ধৃতি-গামোছা" পৰিধান কৰি সদৌ অসম ভিত্তিত "মিষ্টাৰ চৰাইদেউ" হিচাপে প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। জুবিন গাৰ্গ আৰু প্ৰয়াত শৰীৰ চৰ্চাবিদ হৰকান্ত বৰগোঁহাইলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি বন্তি প্ৰজ্বলন কৰে মনি গগৈয়ে। ইয়াৰ পাছতে সপ্তসুৰ বাঁহী প্ৰশিক্ষণ কেন্দ্ৰৰ ছাত্ৰ-ছাত্ৰীয়ে বাঁহীত মায়াবিনি গীতটি পৰিৱেশনেৰে জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই। উক্ত অনুষ্ঠানত প্ৰাক্তন সাংসদ তথা অসম উদ্যোগিক নিগমৰ অধ্যক্ষ তপন কুমাৰ গগৈ, টাইপা সভাপতি বিজয় ৰাজকোঁৱৰ, ডিম্বেশ্বৰ কোঁৱৰ, মনি গগৈ লগতে জেষ্ঠ ব্যক্তিসকল উপস্থিত থাকে।

**নাম শুধৰণি**

মই এক শপতনামাযোগে জনাও যে, ষ্টেট বেংক অৱ ইণ্ডিয়াৰ ডাঙৰী শাখাত থকা একাউণ্টনং 35312698558 ত মোৰ নাম ববিতা জয়ন্ত হৈ আছে। প্ৰকৃততে সাবিত্ৰী প্ৰধান হে হ'ব লাগে। সাবিত্ৰী প্ৰধান আৰু ববিতা জয়ন্ত এজনেই।

সাবিত্ৰী প্ৰধান
স্বামী ঃ ঁ কৃষ্ণ প্ৰধান
গাঁও ঃ ধলা মিৰিপথাৰ
ডাক ঃ ছৈখোৱাঘাট,
পিন - ৭৮৬১৫৪, থানা ঃ ধলা,
জিলা ঃ তিনিচুকীয়া (অসম)
AB-06/2026

### কলিতা জনগোষ্ঠী সন্মিলনৰ গোলাঘাট অধিৱেশনত যোৰহাটৰ পৰা অংশগ্ৰহণ কৰিব পাঁচ হেজাৰ লোকে

# মণিৰাম দেৱানৰ মৃত্যু দিন পালনৰ প্ৰস্তুতি

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২১ জানুৱাৰী** ঃ প্ৰথম অসমীয়া চাহ খেতিয়ক, মুক্তিযুঁজাৰু, ১৮০৬ চনৰ ২৭ এপ্ৰিলত শিৱসাগৰৰ চাৰিঙত জন্মগ্ৰহণ কৰা মণিৰাম দেৱানে শিৱসাগৰৰ চিংলৌ আৰু যোৰহাটৰ চিনামৰাত চাহ বাগিচা পাতিছিল। ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ সময়তে স্বৰ্গদেউ কন্দৰ্পেশ্বৰ সিংহক ৰজা পাতিবলৈ চেষ্টা কৰাৰ লগতে চিপাহী বিদ্ৰোহৰ সবিশেষ জনাই কন্দৰ্পেশ্বৰ সিংহলৈ চিঠি লিখাৰ প্ৰমাণ পাই ইংৰাজ চৰকাৰে ১৮৫৮ চনৰ ২৬ ফেব্ৰুৱাৰীত যোৰহাটত মণিৰাম দেৱানক ফাঁচী দিছিল। কলিতা জনগোষ্ঠীৰ সন্তান মণিৰাম দেৱানৰ জন্ম-মৃত্যু দিন কলিতা জনগোষ্ঠী সন্মিলনে প্ৰতিবছৰে পালন কৰি আহিছে। তেৰেই গঢ়ি তোলা চিনামৰা চাহ বাগিচাত তেওঁৰ সমাধি বৰ্তমানো আছে আৰু তাতে প্ৰতিবছৰে মৃত্যু দিনত শ্ৰদ্ধা জনায়। অসম চৰকাৰে সেই এলেকাতে নিৰ্মাণ কৰাই থকা যোৰহাট কৰ্ট বিল্ডিঙৰ সমীপতে মণিৰাম দেৱানৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি নিৰ্মাণ প্ৰায় সম্পূৰ্ণ কৰিছে। স্বাধীনতা সংগ্ৰামীগৰাকীৰ মৃত্যু দিন এই বছৰো ২৬ ফেব্ৰুৱাৰীত কলিতা জনগোষ্ঠী সন্মিলন, অসমৰ যোৰহাট জিলা সমিতিয়ে বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰিবলৈ আজি তৰাজান সন্মিলনত জীতেন শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত সিদ্ধান্ত কৰে। সম্পাদক বৈকুণ্ঠ বৰদলৈয়ে আঁত ধৰা সভাখনত অহা ২৩-২৫ জানুৱাৰীত গোলাঘাটৰ হামদৈ পথাৰৰ ভগদত্ত ক্ষেত্ৰত গোলাঘাট জিলা সমিতিৰ উদ্যোগত ধনশিৰি, বোকাখাত, তিতাবৰ সমজিলা আৰু সদৌ কলিতা ছাত্ৰ সন্থাৰ গোলাঘাট জিলা সমিতিৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া কলিতা জনগোষ্ঠী সন্মিলন অসমৰ সপ্তদশ দ্বি-বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনত যোৰহাট জিলা সমিতিৰ লগতে ১২খন আঞ্চলিক আৰু ২০০খন শাখা সমিতিৰে জড়িত কলিতা জনগোষ্ঠীৰ লোকসকলৰ লগতে ছাত্ৰ সন্থা আৰু মহিলা সন্মিলনীৰ ৫ হেজাৰৰো অধিকে যোগদান কৰাৰ সিদ্ধান্ত কৰে। সভাখনত কলিতা জনগোষ্ঠী সন্মিলনৰ ভালেসংখ্যক লোক উপস্থিত থাকে।

# বড়মপুৰ ক্লাৱ লীগ ক্ৰিকেটত জোনাকী সাংস্কৃতিক গোষ্ঠীৰ জয়লাভ

**অসম বাৰ্তা, পুৰণিগুদাম, ২১ জানুৱাৰী** ঃ নগাঁও জিলাৰ বড়মপুৰৰ ঠগী সূত ক্ৰীড়া প্ৰকল্পৰ ক্ৰিকেট খেলপথাৰত আজি অনুষ্ঠিত হোৱা এখন লীগ খেলত জোনাকী সাংস্কৃতিক গোষ্ঠীয়ে জয়লাভ কৰে। টছত জিকি প্ৰথমতে বেট ধৰি জীয়াজুৰি টি টাইটানছ ক্লাৱে ১৯-৩ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৮৪ ৰাণ কৰাৰ বিপৰীতে জোনাকী সাংস্কৃতিক গোষ্ঠীৰ ক্ৰিকেট দলটোৱে ১২-৪ অভাৰত লক্ষ্যত উপনীত হ'বলৈ সক্ষম হয়। খেলখনত জোনাকী সাংস্কৃতিক গোষ্ঠীৰ ৰাজু পাচিয়ে শ্ৰেষ্ঠ খেলুৱৈ, শ্ৰেষ্ঠ বেটছমেন আৰু শ্ৰেষ্ঠ বলাৰৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়। অহা কালিলৈ আন এখন লীগ খেল চানৰাইজ পুৰণিগুদাম আৰু আই জি ক্লাৱৰ মাজত অনুষ্ঠিত হ'ব।

# ডুমডুমা শাখা লেখিকা সমাৰোহ সমিতিৰ ড° মিতালী দত্ত সোঁৱৰণী সাহিত্য বঁটা প্ৰদান অনুষ্ঠান



**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২১ জানুৱাৰী ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতি, ডুমডুমা শাখাৰ উদ্যোগত শাখাৰ প্ৰাক্তন সম্পাদিকা, উপ সভানেত্ৰী তথা ডুমডুমা মহাবিদ্যালয়ৰ বাংলা বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা ড° মিতালী দত্তৰ পৰিয়ালবৰ্গৰ সহযোগত ২০২৫-২০২৬ বৰ্ষৰ "মিতালী দত্ত সাহিত্য বঁটা" প্ৰদান অনুষ্ঠানটো ডুমডুমা ছিনিয়ৰ ছেকেণ্ডাৰীৰ স্কুলৰ প্ৰেক্ষাগৃহত ১৮ জানুৱাৰীত অনুষ্ঠিত হৈযায়। ডুমডুমা অঞ্চলৰ শতাধিক গণ্যমান্য ব্যক্তিৰ উপস্থিতিত সদৌ অসম ভিত্তিত অনুষ্ঠিত স্বৰচিত কবিতা সংকলন প্ৰতিযোগিতাত শ্ৰেষ্ঠত্ব অৰ্জন কৰা বিশ্বনাথ জিলাৰ বিষ্ণুপুৰ গাঁৱৰ স্তুতি বন্দনাক "ড° মিতালী দত্ত সাহিত্য বঁটা" প্ৰদান কৰা হয়। বটাঁত এটা স্মাৰক, সম্বৰ্ধনা পত্ৰ, কিতাপৰ টোপোলাসহ নগদ পোন্ধৰ হাজাৰ টকা আগবঢ়োৱা হয়। অন্যহাতে ডুমডুমাৰ ৰেণু ভূএঞাক "ড° মিতালী দত্ত বিশিষ্ট লেখিকা বঁটা" প্ৰদান কৰা হয়। এই বঁটাতো স্মাৰক, সম্বৰ্ধনা পত্ৰ, কিতাপৰ টোপোলাসহ নগদ দহ হাজাৰ টকা প্ৰদান কৰা হয়। সভাৰ আৰম্ভণিতে প্ৰয়াত ড° মিতালী দত্তৰ প্ৰতিচ্ছবিত একাজঁলি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে তেখেতৰ স্বামী ড° হৰেশ্বৰ দত্ত আৰু পৰিয়ালৰ সদস্যাসকলৰ লগতে শাখাৰ সদস্যাসকলে। শাখাৰ সভানেত্ৰী দিব্যলতা ডেকাই সভাপতিত্ব কৰা সভাখনৰ আঁত ধৰে সম্পাদিকা ৰঞ্জিতা গগৈ বৰুৱাই। প্ৰয়াত ড° মিতালী দত্তৰ সহকৰ্মী সকলৰ উপস্থিতিত কবিতা সংকলনৰ বিচাৰক ডুমডুমা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক দীপক ৰঞ্জন বৰুৱাই বিচাৰকৰ মন্তব্যত শ্ৰেষ্ঠ কবিতা সংকলনৰ কবি বিশ্বনাথ জিলাৰ নাগশংকৰ বিষ্ণুপুৰ গাঁৱৰ স্তুতি বন্দনাৰ কবিতাৰ সুন্দৰ বিশ্লেষণ দাঙি ধৰে। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা ড° মিতালী দত্তৰ সহকৰ্মী ডুমডুমা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপিকা প্ৰণীতা সন্দিকৈয়ে অশ্ৰুশিক্ত নয়নেৰে ড° মিতালী দত্ত সম্পৰ্কে তেখেতৰ অনুভৱ প্ৰকাশ কৰে। ড° মিতালী দত্তৰ দুহিতা সুদূৰ দক্ষিণ কোৰিয়াৰ বিশ্ববিদ্যালয়ত কৰ্মৰত আৰু অনুষ্ঠানটোৰ যাবতীয় খৰচ বহন কৰা ড° স্বৰ্ণালী দত্তই ডুমডুমা শাখাৰ প্ৰতিগৰাকী জ্যেষ্ঠ সদস্যাৰ মাজত নিজ মাতৃক দেখা পোৱা বুলি উল্লেখ কৰে। ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক বীৰেণ কোঁৱৰ, ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ বেণু বড়াৰ লগতে জ্যেষ্ঠ সাংবাদিক ধীৰেন ডেকা, বিশিষ্ট সমাজকৰ্মী তথা ৰূপাই উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰকাশ দত্তই সুন্দৰ গঠনমূলক বক্তব্য দাঙি ধৰে। ড° মিতালী দত্তৰ ভতিজা ক্ৰমে, সৌৰভ কুমাৰ দত্ত মেধি, জয়ন্ত দাসগুপ্তই মিতালী দত্তৰ স্মৃতিত কবিতা পাঠ কৰি সভাখন জীপাল কৰি তোলে। শাখাৰ সাহিত্য বিভাগৰ সম্পাদিকা সংগীতা বৰুৱা ডেকাই আঁত ধৰা বটাঁ বিতৰণী সভাখনৰ আৰম্ভণিতে জিনুমনি গোহাঁইৰ সুললিত কণ্ঠৰ সুন্দৰ জ্যোতি সংগীতটোৱে অনুষ্ঠানৰ সৌষ্ঠৱ বঢ়ায়। সভাত পদ্মনাথ গোহাঞি বৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ থানুৰাম মজিন্দাৰেও অংশগ্ৰহণ কৰে। মাতৃৰ স্মৃতি সজীৱ ৰখাৰ বাবে স্বৰ্ণালী দত্ত আৰু অনিৰ্বাণ দত্তৰ এই প্ৰচেষ্টা যুৱ প্ৰজন্মৰ বাবে এক নিৰ্দশনস্বৰূপ বুলি সভাত উপস্থিত সকলোৱে শলাগ লয়। এই গাম্ভীৰ্যপূৰ্ণ সভাখনিত ডুমডুমা শাখা লেখিকা সমাৰোহ সমিতিৰ বিষয়ে লেখিকাসকলৰ অনুভৱৰ এটা চমু ভিডিঅ' প্ৰদৰ্শন কৰা হয়। পৰিশেষত অসম সংগীতেৰে সভাখন ভংগ কৰা হয়।

# সদৌ মাজুলী কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়ালৈ 'মাজুলী বন্ধু' উপাধি

**অসম বাৰ্তা, উজনী মাজুলী, ২১ জানুৱাৰী ঃ** বিশিষ্ট স্তম্ভ লেখক, সাহিত্যিক, ডি. এইচ এছ. কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ বৰ্তমানৰ অধ্যক্ষ, মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, দিছপুৰ মহাবিদ্যালয় আৰু ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক, ফিল'বাৰী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষক কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়াক সদৌ মাজুলী কোঁচ ৰাজবংশী ছাত্ৰ সন্থাই 'মাজুলী বন্ধু' উপাধি প্ৰদান কৰিব। পহিলা ফেব্ৰুৱাৰীত বীৰ চিলাৰায় দিৱস উপলক্ষ্যে অনুষ্ঠিত হ'বলগীয়া এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এই উপাধি প্ৰদান কৰা হ'ব। উল্লেখ্য যে বৰ্তমান ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ ৰূপে সেৱা আগবঢ়াই থকা ড° শইকীয়াই ২০১২ চনৰ ৩ মাৰ্চৰ পৰা ২০১৫ চনৰ ১৮ জুনলৈ ঐতিহ্যপূৰ্ণ মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে কৰ্মৰত আছিল। উক্ত সময়ছোৱাত মাজুলী মহাবিদ্যালয়ক নতুন ৰূপত সজোৱাই নহয়, সমগ্ৰ মাজুলীৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তিৰ সৈতে মধুৰ সম্পৰ্ক গঢ়ি উঠিছিল আৰু সেই সম্পৰ্ক মাজুলীৰ পৰা আঁতৰি গলেও এতিয়াও অব্যাহত আছে। অধ্যক্ষ ড° শইকীয়াই মাজুলী মহাবিদ্যালয়কে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তিলৈ এতিয়াও সহায়-সহযোগিতা আগবঢ়াই মাজুলী বন্ধু ৰূপে পৰিচিত হৈ আহিছে। মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে থকাৰ সময়ছোৱাত ড° শইকীয়াই মহাবিদ্যালয়খনক অত্যাধুনিক ৰূপত গঢ়ি তুলি নতুন ৰূপ দিয়াৰ লগতে মাজুলীবাসী ৰাইজৰ স'তে মধুৰ সান্নিধ্য অক্ষুণ্ণ ৰখাৰ প্ৰতি লক্ষ্য ৰাখি বীৰ চিলাৰায় দিৱসৰ দিনা 'মাজুলী বন্ধু' উপাধি প্ৰদান কৰিব বুলি সদৌ মাজুলী কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা দেৱজিৎ বৰুৱা, সভাপতি আদিত্য দত্ত আৰু সম্পাদক ক্ষীৰোদ বৰাই জানিবলৈ দিছে। মন কৰিবলগীয়া যে ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদৰ উদ্যোগত তদানিন্তন অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হাতেৰে অধ্যক্ষগৰাকীক 'কৰ্মসূৰ্য' উপাধি প্ৰদান কৰা হৈছিল। বৰ্তমান অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, ইউনেস্ক'ৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ পেনেলিষ্টৰ লগতে মণ্ডল-১-ৰ সমন্বয়কৰ দায়িত্বকে ধৰি অনেক সামাজিক, সাংস্কৃতিক, ক্ৰীড়া সংগঠনৰ দায়িত্ব গ্ৰহণ কৰি থকা অধ্যক্ষ ড° শইকীয়াক ডিব্ৰুগড় জিলা প্ৰতিষ্ঠা দিৱসত তেওঁৰ



কৰ্মৰ স্বীকৃতি দি উপায়ুক্ত বিশ্বজিৎ পেগুৱে উষ্ম সম্বৰ্ধনা জনাইছিল। মাজুলী মহাবিদ্যালয়ৰ তৰফৰ পৰা বিশেষভাৱে সম্বৰ্ধিত, অসমৰ জনপ্ৰিয় টি ভি চেনেল আসাম লাইভ-২৪ ৰ দ্বাৰা সম্বৰ্ধিত, অৰুণাচল বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা 'ভৱিষ্যতৰ স্বপ্নদ্ৰষ্টা' উপাধি, এম এন অ' পি এছৰ তৰফৰ পৰা 'সেউজ ৰত্ন' উপাধি, সেউজী প্ৰাগজ্যোতিষ সন্মান, মাজুলীৰ জনপ্ৰিয় আলোচনী 'পলস'ৰ 'দীনবন্ধু', ডিব্ৰুগড় শ্বহীদ কুশল কোঁৱৰ স্মৃতি ৰক্ষা সমিতিৰ 'ডিবৰু হিতৈষী' অভিধাৰে বিভূষিত ড° শশীকান্ত শইকীয়া এগৰাকী বিশিষ্ট সমাজ সংগঠক হিচাপে পৰিচিত। হাচান শ্বৰিফ আহমদ সমন্বয় বঁটা, শ্ৰেষ্ঠ অধ্যক্ষৰ দক্ষতা বঁটা, গুৰুকুল সংগীত নৃত্য কলা কেন্দ্ৰৰ তৰফৰ পৰা 'জীৱনজোৰা সাধনা বঁটা-২০২৪', 'অসম গৌৰৱ বঁটা', 'পৰমানন্দ মানৱসেৱা ৰত্ন বঁটা', 'শ্ৰেষ্ঠ সাংবাদিকতাৰ বঁটা'ৰে সন্মানীত অধ্যক্ষ ড° শইকীয়াক মেঘালয়স্থিত বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়ে 'শৈক্ষিক নেতৃত্ব বঁটা-২০২২' প্ৰদান কৰাৰ লগতে নতুন দিল্লীৰ ড° আম্বেদকাৰ আন্তঃৰাষ্ট্ৰীয় ভৱনত ভাৰত চৰকাৰৰ দ্বাৰা অনুমোদিত সংগঠন 'ওৱৰ্ল্ড হিউমেন ৰাইটছ প্ৰটেকশান কমিশ্যনে' (বিশ্ব মানৱধিকাৰ সুৰক্ষা আয়োগ) 'এম্বেছেদৰ' ৰূপে প্ৰমাণ পত্ৰ প্ৰদান কৰে। স্বচ্ছ ভাৰত মিছন, অসমৰ প্ৰাক্তন ব্ৰেণ্ড এম্বেছেদৰ, অধ্যক্ষ ড° শইকীয়াই মৰাণহাট প্ৰেছ ক্লাবৰ শ্ৰেষ্ঠ গ্ৰাম্য সাংবাদিকতাৰ বঁটা, ড° বি আৰ আম্বেদকাৰ ৰাষ্ট্ৰীয় সন্মান পদক-২০২৩, চৈয়দ আব্দুল মালিক স্মাৰক বঁটা, বীৰ চিলাৰায় বঁটা, নৰ্থ-ইষ্ট লিডাৰ্শ্বীপ বঁটা, বাবা চাহেব ড° ভীমৰাও ৰামজি আম্বেদকাৰ বঁটা, শ্ৰেষ্ঠ প্ৰশাসক বঁটা, আসাম ৰাইজিং শিক্ষা সংস্কাৰ বঁটাকে ধৰি ত্ৰিশ টাৰো অধিক বঁটা, সন্মান, উপাধিৰে বিভূষিত হৈছে। সদৌ ভাৰত সাংবাদিক সন্থা, সদৌ অসম সাংবাদিক সন্থাকে ধৰি বহুকেইটা সাংবাদিক সন্থাই তেওঁৰ কৰ্ম আৰু দায়িত্বক স্বীকৃতি দি বঁটা, সম্বৰ্ধনা জনোৱা ড° শইকীয়াক ১৮০ টাৰো অধিক ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয়, জাতীয়, জনগোষ্ঠীয় দল-সংগঠনে ইতিমধ্যে কৰ্মৰ স্বীকৃতি দি সম্বৰ্ধনা প্ৰদান কৰিছে। উল্লেখ্য যে নিয়মীয়া স্তম্ভ লেখক ড° শইকীয়াৰ ইতিমধ্যে প্ৰায় ৪০ খন গ্ৰন্থ প্ৰকাশ পাইছে।

# মনিকাঞ্চন ৰঙ্গক্ষেত্ৰ আউনীআটী সত্ৰত ২৪ জানুৱাৰীত চাৰিগৰাকী সাংবাদিকলৈ বঁটা

**অসম বঁটা, উজনী মাজুলী, ২১ জানুৱাৰী ঃ** মাজুলী জিলা সাংবাদি সন্থাৰ সৌজন্যত চলিত মাহৰ ২৪ তাৰিখে চাৰিটাকৈ সাংবাদিকতা বঁটা প্ৰদানৰ ব্যৱস্থা কৰিছে। ২০০৬ চনৰ পৰা আউনীআটী সত্ৰই প্ৰবৰ্তন কৰা ৰাজ্যিক ভিত্তিৰ দত্তদেৱ গোস্বামী শ্ৰেষ্ঠ সাংবাদিকতা বঁটা যোৱা দুটা বছৰত অনিবাৰ্য কাৰণবসতঃ প্ৰদান কৰিব নোৱাৰা হেতু এইবাৰ দুগৰাকী সাংবাদিকক এই বঁটা প্ৰদানৰ ব্যৱস্থা কৰাৰ লগতে মাজুলীত সাংবাদিক সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত নিত্যানন্দ ভৰালী সাংবাদিকতা বঁটা আৰু প্ৰয়াত কুমুদ দত্ত সোঁৱৰনী সাংবাদিকতা বঁটা একেটা অনুষ্ঠানতে প্ৰদান কৰা হ'ব। আউনীআটী স্থিত মনিকাঞ্চন ৰংগক্ষেত্ৰত অনুষ্ঠিত অসম ভাওনা সমাৰোহৰ ২৪ জানুৱাৰীৰ দিনৰ ১১ বজাৰ পৰা এই বটা প্ৰদান অনুষ্ঠান আৰম্ভ কৰা হ'ব। আজিৰ পৰা দেৰশ বছৰৰ পূৰ্বে আউনীআটী সত্ৰৰ একাদশ গৰাকী সত্ৰাধিকাৰ দত্ত দেৱ গোস্বামীয়ে অসমীয়াৰ উদ্যোগত প্ৰথমখন সংবাদ পত্ৰ আসাম বিলাসিনী প্ৰকাশ কৰিছিল। মাজুলীৰ পৰা ছপাকৰি উলিয়াইছিল। এনে এগৰাকী ভৱিষ্যত দস্তা দত্তদেৱ গোস্বামীৰ অৱদানক উদজ্জীৱিত কৰি ৰখাৰ মানসেৰে আউনীআটী সত্ৰই প্ৰবৰ্তন কৰা এই বঁটা মাজুলী জিলা সাংবাদিক সন্থাৰ পৰিচালনাত প্ৰদান কৰি আহিছে। অসম ভিত্তিক এই বটা বিগত দিনবোৰত মাজুলীৰ বাহিৰৰ সাংবাদিকক প্ৰদান কৰি অহা হৈছিল যদিও ২০২৪ আৰু ২০২৫ দুটা বৰ্ষৰ বাবে এইবাৰ মাজুলীৰ দুগৰাকী সাংবাদিকক নিৰ্বাচন কৰা হৈছে এই অনুক্ৰমে ২০২৪ বৰ্ষৰ বাবে মাজুলীৰ সংবাদক্ষেত্ৰৰ মহিৰূহ স্বৰূপ বিপিন শইকীয়া (দৈনিক জনমভূমি) ২০২৫ বৰ্ষৰ বাবে ৰাজীৱ পাতিৰ (অসমীয়া প্ৰতিদিন)। মাজুলী জিলা সাংবাদিক সন্থাৰ দ্বাৰা প্ৰদান কৰি অহা আনদুটি বটা ক্ৰমে নিত্যনন্দ ভৰালী সোঁৱৰনী সাংবাদিক বঁটা আৰু কুমুদ চন্দ্ৰ দত্ত যুৱ সাংবাদিকতা বঁটাৰ বাবে নিৰ্বাচিত হৈছে ক্ৰমে বিপুল শইকীয়া (দৈনিক অসম) আৰু হিতেশ কুমাৰ দলে (Dy365)। ২৪ জানুৱাৰীত এক গাম্ভীৰ্য পূৰ্ণ অনুষ্ঠানৰ যোগেদি এই বঁটা প্ৰদান কৰা হ'ব।

**জাগীৰোড ব্লক কংগ্ৰেছৰ নৱনিযুক্ত সভাপতি বুবুল পাটৰক উষ্ম আদৰণি**

# জাগীৰোড ব্লক কংগ্ৰেছৰ সাংগাঁঠনিক সভা

**অসম বাৰ্তা, ধৰমতুল, ২১ জানুৱাৰী ঃ** সমাগত ৰাজ্যৰ বিধান সভা নিৰ্বাচন। ইতিমধ্য বিভিন্ন ৰাজনৈতিক দল সমূহৰ মাজত বৃদ্ধি পাইছে বিশেষ তৎপৰতা। এই ক্ষেত্ৰত পিছ পৰি থকা নাই জাগীৰোড বিধানসভা সমষ্টিত কংগ্ৰেছ দল। কংগ্ৰেছ দলৰ কৰ্মকৰ্তা সকলে এইবাৰ জাগীৰোড বিধান সভা সমষ্টিটো নিজৰ দখললৈ আনিবৰ বাবে চেষ্টা চলোৱা পৰিলক্ষিত হয়। সোমবাৰে জাগীৰোড ব্লক কংগ্ৰেছৰ এখন সাংগঠনিক সভা অনুষ্ঠিত হয়। জাগীৰোড ব্লক কংগ্ৰেছৰ কাৰ্যালয়ত অনুষ্ঠিত হোৱা সাংগঠনিক সভাখনত জাগীৰোড ব্লক কংগ্ৰেছৰ নৱনিযুক্ত সভাপতি বুবুল পাটৰে দায়িত্বভাৰ গ্ৰহণ কৰে। আগন্তুক বিধান সভা নিৰ্বাচন সম্পৰ্কে উক্ত সাংগাঁথনিক সভাত বিশদভাৱে পৰ্যালোচনা কৰে। মৰিগাঁও জিলা কংগ্ৰেছৰ সভাপতি বীৰ কুমাৰ কোঁৱৰ, মৰিগাঁও জিলা কংগ্ৰেছৰ সম্পাদক চামচুদ্দিন আহমেদ, তিৱা স্বায়ত্ত্ব শাষিত পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী বিষয়া ক্ৰমে ধৰ্মেন্দ্ৰ বৰদলৈ আৰু ৰমেশ বৰদলৈ, জেষ্ঠ কংগ্ৰেছ নেতা অজিত তামোলী, বিপদভঞ্জন সৰকাৰ, প্ৰণয় বিশ্বাস, চাইমন বৰদলৈ, জাগীৰোড ব্লক কংগ্ৰেছৰ সম্পাদক পবিত্ৰ কুমাৰ ডেকা, জয়ন্ত কোঁৱৰ, মায়ং ব্লক কংগ্ৰেছৰ সভাপতি দীপক মেধী, সমষ্টি যুৱ কংগ্ৰেছৰ সভাপতি মিজু কুমাৰ ডেকা, এন এচ ইউ আইৰ প্ৰীতম ট্ৰিবিদি, লগতে কংগ্ৰেছ দলৰ দলীয় কৰ্মকৰ্তা সকল উপস্থিত থাকে। উক্ত সাংগঠনিক সভাতে জাগীৰোড বিধান সভা সমষ্টিৰ হৈ কংগ্ৰেছ দলৰ পৰা প্ৰাৰ্থীত্বৰ বাবে আবেদন জনোৱা সূৰ্য কুমাৰ দাসক কংগ্ৰেছ দলৰ নেতা কৰ্মী সকলে উষ্ম আদৰণি জনায়।

# জাঁজীত ফৰেনছিক বিজ্ঞানী ড° কনক চন্দ্ৰ বৰুৱাৰ আত্মজীৱনীমূলক গ্ৰন্থ 'সোঁৱৰণি সোণালী' উন্মোচন



**অসম বাৰ্তা, জাঁজী, ২১ জানুৱাৰী ঃ** আজি শিৱসাগৰ জিলাৰ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত জাঁজী অঞ্চলৰ ৰাইজ আৰু বিশিষ্ট ব্যক্তিৰ উপস্থিতিত এখনি গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত কৰা হয়। জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত উপাধ্যক্ষ ভৱানী কুমাৰ বৰুৱা সভাপতিত্বত কৰা গাম্ভীয্যপূৰ্ণ উক্ত সভাতেই একালৰ জাঁজী নিবাসী বিশিষ্ট ফৰেনছিক বিজ্ঞানী ড° কনক চন্দ্ৰ বৰুৱাৰ আত্মজীৱনীমুলক গ্ৰন্থ "সোঁৱৰণি সোণালী" গ্ৰন্থ উন্মোচন কৰে 'নেইষ্ট'ৰ বিজ্ঞানী তথা সাহিত্যিক ড° বিনোদ গগৈয়ে। বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থাকি অৱসৰ প্ৰাপ্ত প্ৰশাসনিক বিষয়া জগত চন্দ্ৰ বৰঠাকুৰে সাহিত্য, বিজ্ঞান তথা সাংস্কৃতিক দিশত জাঁজী অঞ্চলৰ অৱদানৰ বিষয়ে আলোকপাত কৰে। অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতে কেইবাখনো গ্ৰন্থ লিখি উলিওৱা বিশিষ্ট বিজ্ঞানী ড° কনক চন্দ্ৰ বৰুৱাই ফৰেনছিক বিজ্ঞানৰ সন্দৰ্ভত এক ব্যাখ্যা দাঙি ধৰি কয় যে অসমৰ বহুলোকে ফৰেনছিক বিজ্ঞানৰ সমন্ধে অৱগত নহয়। সম্প্ৰতি এই বিজ্ঞানৰ গৱেষণাৰ দ্বাৰাই বহুতো অপৰাধ জনিত ঘটনা প্ৰৱাহ মীমাংক্ষা কৰি আদালতৰ গোচৰ নিস্পত্তি কৰা ক্ষেত্ৰত সহায় হৈ আহিছে। জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° জীৱমণি নাথ আৰু সাংবাদিক ৰাজীৱ দত্তই আঁতধৰা সভাখনত জাঁজীৰ শাখা সাহিত্য সভা লগতে সদৌ অসম কলেজ শিক্ষক সংস্থাৰ প্ৰাক্তন সভাপতি জ্যোতিপ্ৰসাদ গগৈ, জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ সমূহ শিক্ষক শিক্ষয়িত্ৰী গোটে বিশিষ্ট বিজ্ঞানী ড° কনক চন্দ্ৰ বৰুৱাক সম্বৰ্ধনা জনাই। অনুষ্ঠানত কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

**ঢেকীয়াজুলি মহকুমা নাগৰিক মঞ্চৰ প্ৰচেষ্টাত ছাত্ৰ-ছাত্ৰী সকল বহুগুণে উপকৃত হ'ব ঃ সৃষ্টি কলিতা**

# ঢেকীয়াজুলিত আৰম্ভ হ'ল ভ্ৰাম্যমাণ গ্ৰন্থমেলা; ওপি কানৈ মধ্য ইংৰাজী বিদ্যালয়ত কিতাপ পঢ়া প্ৰতিযোগিতা



**অসম বাৰ্তা, ঢেকীয়াজুলি, ২১ জানুৱাৰী ঃ** ঢেকীয়াজুলি মহকুমা নাগৰিক মঞ্চৰ সৌজন্যত চলি থকা ঢেকীয়াজুলি ভ্ৰাম্যমাণ গ্ৰন্থমেলাৰ অংশ হিচাপে আজি শিঙৰী আৰক্ষী চকী এলেকাৰ ও পি কানৈ মধ্য ইংৰাজী বিদ্যালয়ত এক গুৰুত্বপূৰ্ণ কিতাপ পঢ়া প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। শিক্ষাৰ্থীৰ মাজত পঠন অভ্যাস বৃদ্ধি আৰু জ্ঞানচৰ্চাৰ প্ৰতি আগ্ৰহ জাগ্ৰত কৰাৰ উদ্দেশ্যে আয়োজন কৰা এই কাৰ্যসূচীয়ে বিদ্যালয়খনৰ পৰিৱেশক এক সাহিত্যিক উন্মাদনাৰে ভৰাই তোলে। আজি বিয়লি অনুমাণিক ১ বাজি ৪৫ মিনিটৰ পৰা অনুষ্ঠিত কৰা এই কিতাপ পঢ়া প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰে ঢেকীয়াজুলি সম-জিলাৰ সহকাৰী আয়ুক্ত সৃষ্টি কলিতাই। উদ্বোধনী ভাষণত তেওঁ কয় যে ছাত্ৰ-ছাত্ৰীসকলে কেৱল পাঠ্যপুথিত সীমাবদ্ধ নহৈ বিভিন্ন উপযোগী আৰু জ্ঞানবৰ্ধক গ্ৰন্থ অধ্যয়ন কৰা উচিত। গ্ৰন্থ অধ্যয়নৰ জৰিয়তে জ্ঞান আহৰণৰ লগতে নিজকে আদৰ্শ ছাত্ৰ হিচাপে গঢ়ি তুলিব পৰা যায় বুলি উল্লেখ কৰি তেওঁ ভ্ৰাম্যমাণ গ্ৰন্থমেলা আৰু পঠনমূলক কাৰ্যসূচীসমূহে ছাত্ৰ-ছাত্ৰীসকলক দীঘলীয়া সময়ত বহুলভাৱে উপকৃত কৰিব বুলি মতপোষণ কৰে। ঢেকীয়াজুলি মহকুমা নাগৰিক মঞ্চৰ সভাপতি সুৰেন্দ্ৰ খনালৰ সঞ্চালনাত অনুষ্ঠিত উক্ত অনুষ্ঠানত খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নাজিমা চুলতানা, জ্ঞান বিজ্ঞান সমিতিৰ ঢেকীয়াজুলি শাখাৰ কাৰ্যকৰী সভাপতি দেৱীপ্ৰসাদ অধিকাৰী, বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক কেশৰ ছেত্ৰী, উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক জীৱন কটোৱাল, অৱসৰপ্ৰাপ্ত শিক্ষক মোহন কুমাৰ ছেত্ৰী, দল বাহাদুৰ নেৱাৰ, নাগৰিক মঞ্চৰ সাংগঠনিক সম্পাদক নাৰায়ণ ফয়েল, সমাজকৰ্মী ডাঃ উমেশ চন্দ্ৰ দাস, গোকুল বছৰেট, উপেন দাস, ৰিংকুমণি দাসৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী আৰু বহু সংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। প্ৰতিযোগিতাৰ অংশ হিচাপে ছাত্ৰ-ছাত্ৰীসকলক নিৰ্দিষ্ট এটা পৃষ্ঠা পঢ়িবলৈ দিয়া হয় আৰু তাৰ আধাৰত সোধা প্ৰশ্নৰ সঠিক উত্তৰ দিয়া শিক্ষাৰ্থীসকলক পুৰস্কৃত কৰা হয়। কাৰ্যসূচীৰ আৰম্ভণিতে বিদ্যালয়খনৰ সদ্য প্ৰয়াত শিক্ষক শচীন্দ্ৰ দাসৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তেওঁৰ শিক্ষাগত অৱদান স্মৰণ কৰা হয়। কিতাপ পঢ়া প্ৰতিযোগিতাৰ অন্তত আয়োজিত পুৰস্কাৰ বিতৰণী সভাত জ্ঞান বিজ্ঞান সমিতিৰ বৃত্তি পৰীক্ষাত ৰাজ্যৰ ভিতৰত পঞ্চম স্থান দখল কৰি বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই অনা মেধাৱী ছাত্ৰ জ্ঞানদীপ দাস, বিশ্বজিত শইকীয়া আৰু প্ৰসেনজিৎ ৰাউতীয়াক বিশেষভাৱে অভিনন্দন জনোৱা হয়। তেওঁলোকক কিতাপৰ টোপোলা আৰু মানপত্ৰ প্ৰদান কৰি উৎসাহিত কৰা হয়। উক্ত অনুষ্ঠানতে বিদ্যালয়খনৰ ৬জন শিক্ষক ক্ৰমে কেশৰ ছেত্ৰী, কেদাৰ শৰ্মা, নাজনীন আহমেদ, কমল কুমাৰ ছেত্ৰী, হৰেন্দ্ৰ দাস আৰু বিকি ঠাকুৰক ঢেকীয়াজুলি মহকুমা নাগৰিক মঞ্চই "আদৰ্শ শিক্ষক" হিচাপে ঘোষণা কৰি ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। শিক্ষাক্ষেত্ৰত তেওঁলোকৰ নিষ্ঠা আৰু অৱদানক স্বীকৃতি দিয়াত শিক্ষক সমাজৰ লগতে অভিভাৱকসকলেও সন্তোষ প্ৰকাশ কৰে। কাৰ্যসূচীৰ শেষত খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নাজিমা চুলতানাই নাগৰিক মঞ্চৰ এই পদক্ষেপক আন্তৰিক আদৰণি জনোৱাৰ লগতে শিক্ষা খণ্ড এলেকাৰ বিভিন্ন বিদ্যালয়তো এনেধৰণৰ পঠনমূলক আৰু সাহিত্যভিত্তিক কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ নাগৰিক মঞ্চৰ বিষয়ববীয়াসকলক আহ্বান জনায়।

**মেট্ৰিকত ১০০ শতাংশ, ষ্টাৰ, ডিষ্টিংশ্বনসহ উত্তীৰ্ণ ৫২ গৰাকী শিক্ষাৰ্থীক সম্বৰ্ধনা**

# ৰামদিয়া শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ ৩১ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২১ জানুৱাৰী ঃ** ৰামদিয়া শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ ৩১ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ লগত সংগতি ৰাখি ২০২৫ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত পৰীক্ষাত ১০০ শতাংশ ষ্টাৰ ডিষ্টিংশ্বন সহ প্ৰথম বিভাগতে উত্তীৰ্ণ হোৱা নিকেতনৰ ৫২ গৰাকী শিক্ষাৰ্থী আৰু শ্ৰেণী সমূহৰ ১ম, ২য়, ৩য় স্থান প্ৰাপ্ত ছাত্ৰ ছাত্ৰী সকলক অভিনন্দন আৰু বঁটা প্ৰদান কৰা হয়। পুৱা ভাগত পতাকা উত্তোলন আৰু শাৰীৰিক প্ৰদৰ্শন হয়। দিনৰ ১১-৩০ বজাৰপৰা নিকেতনৰ সভানেত্ৰী নীলিমা ভৰালীৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাত দাপোনৰ মুখ্য সম্পাদক দিনমণি ভাগুাৰ কায়স্থই তেখেতৰ ভাষণত কয় যে এই নিকেতনখনে শিক্ষাৰ ক্ষেত্ৰত এটা বিশেষ স্থান দখল কৰিছে। গতিকে ৩০ বছৰে অধ্যয়ন কৰি প্ৰতিষ্ঠিত হোৱা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলে আন্তঃগাঁথনিত গুৰুত্ব দিয়া প্ৰয়োজন। ইয়াৰ লগতে তেওঁ কয় যে বিদ্যালয় এখনৰ ভাল ফলাফল কৰাত কেতিয়াও আন্তঃ গাঁথনি হব নোৱাৰে। নিকেতনখনৰ ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক প্ৰদৰ্শন প্ৰত্যক্ষ কৰি ভাগুাৰ কায়স্থই কয় যে নিকেতনৰ এই দিশবোৰৰ বাবেই আজিও সমাজত জনপ্ৰিয়। এই সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি নিকেতনৰ সভাপতি প্ৰয়াত ড° নৃপেন চন্দ্ৰ দাসৰ সহধৰ্মিনী স্বপ্না দাসে নিকেতনৰ ছাত্ৰ-ছাত্ৰীৰ কৃতিত্বত সন্তোষ প্ৰকাশ কৰে। ইয়াৰ লগতে ড° নৃপেন চন্দ্ৰ দাসৰ সোঁৱৰণত দিয়া মেধা বঁটা এইবেলি নিকেতনৰ ছাত্ৰ প্ৰিয়ম পাটোৱাৰীয়ে লাভ কৰাত অত্যন্ত উৎসাহী হয়। আগলৈও নিকেতনৰ শিক্ষাৰ্থীয়ে পোৱাৰ আশা কৰে। দাসে কয় যে ড° নৃপেন চন্দ্ৰ দাসে নিকেতনৰ বাবে বহু চিন্তা কৰিছে আৰু তেখেতৰ চিন্তাক বাস্তৱিক ৰূপ দিয়াৰ আশা প্ৰকাশ কৰে। ইয়াৰ আগতে নিকেতনৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বন্দনা, সমবেত সংগীত পৰিৱেশন হয়। নিকেতনৰ প্ৰধানাচৰ্য্য তপন তালুকদাৰে অতিথি চিনাকি কৰি দিয়ে আৰু সম্বৰ্ধনা জনায়। সম্পাদক পৰমানন্দ ডেকাই প্ৰাস্তৱিক ভাষণত নিকেতনৰ প্ৰতিষ্ঠা কালৰ কথাৰ লগতে শৈক্ষিক ফলাফলৰ এটি প্ৰতিচ্ছবি দাঙি ধৰে। ২০০৭ বৰ্ষৰ পৰা মুঠ ৮ গৰাকীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত স্থান লাভৰ লগতে



প্ৰতিবছৰে এক উৎকৃষ্ট ফল দেখুৱা বুলি তেওঁ কয়। শিশু শিক্ষা সমিতি অসমৰ প্ৰচাৰ সংযোজক মুকুটেশ্বৰ গোস্বামীয়ে সভাত ২০০৭ বৰ্ষত পোন বাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ অসমৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰা নিকেতনৰ ছাত্ৰ তথা বৰ্তমানৰ নিউৰো চাৰ্জন ডাঃ পূৰ্ণব্ৰত কাশ্যপে সুন্দৰ গুৰু ভক্তিৰ কথা সোঁৱৰে। এই সভাত নিৰ্দিষ্ট বক্তা তথা শিশু সাহিত্য একাডেমী বঁটা প্ৰাপক অধ্যাপক ড° মৃণাল কলিতাই ছাত্ৰ ছাত্ৰীৰ লগত এক অন্তৰংগ আলাপেৰে সুন্দৰ ভাষণ আগবঢ়ায়। তেখেতে ভাষণত কয় যে পুথিগত অধ্যয়নৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ বাবে অন্য কিছু কথাত গুৰুত্ব দিয়া প্ৰয়োজন। এই ক্ষেত্ৰত তেখেতে কিছু উদাহৰণ দাঙি ধৰে। অনুষ্ঠানত ড° মৃণাল কলিতাদেৱক সাহিত্য একাডেমী বঁটা প্ৰাপক, স্বপ্না দাসক নিকেতনৰ মুখ্য তোৰণ দাতা পৰিয়াল বৰ্গ হিচাপে আৰু নিকেতনৰ প্ৰাক্তন ছাত্ৰ তথা অসম চৰকাৰৰ যুৱ লেখক সন্মান প্ৰাপক অৰূপ কাকতিক সম্বৰ্ধনা জনোৱা হয়। কৃতিমান শিক্ষাৰ্থী আৰু প্ৰতিভাৱান ছাত্ৰ ছাত্ৰীৰ বঁটা প্ৰদানৰ আঁত ধৰে আচাৰ্য প্ৰণৱ ঠাকুৰীয়াই। আজিৰ অনুষ্ঠানত প্ৰাক্তন সভাপতি অশ্বিনী কলিতা, প্ৰতিষ্ঠাপক প্ৰধানাচাৰ্য্য দিলীপ ঠাকুৰীয়া, নিকেতন পৰিচালনা সমিতিৰ সহ সম্পাদক কংকণ দাস, সদস্য ৰতন চন্দ্ৰ দাস, প্ৰবীণ চন্দ্ৰ কলিতা, মতিৰাম দাস, কেশৱ চন্দ্ৰ দাস, মহানন্দ দাস, বিমল কলিতা, কুমুদ ডেকা আদি বিশিষ্ট ব্যক্তি সকলে উপস্থিত থাকি সৌষ্ঠৱ বৃদ্ধি কৰে।

**দিন-দুপৰতে গহনাসহ নগদ ধন লৈ চোৰৰ পলায়ন**

# ডুমডুমাত পুনৰ চুৰিকাণ্ড; চিন্তিত ৰাইজ

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২১ জানুৱাৰী ঃ** চাহ নগৰী ডুমডুমাত ইটোৰ পিছত সিটো সংঘটিত চুৰিকাণ্ডত ৰাইজ শংকিত হৈ পৰিছে। চোৰৰ উপদ্ৰৱত গৃহস্থই দিনতো ঘৰ এৰি যাবলৈ চিন্তা কৰিবলগীয়া অৱস্থা হৈছে। ঘৰত গৃহস্থ নথকাৰ সুযোগ লৈ চোৰে কোন সময়ত বস্তু-বাহানি চুৰি কৰি উধাও হ'য়, তাকে ভাৱি এক প্ৰকাৰ দুঃচিন্তাত পৰিছে ডুমডুমা নগৰৰ একাংশ লোক। ডুমডুমা নগৰৰ কুমাৰীপট্টিৰ সুৰেশ গুপ্তাৰ ঘৰত দেওবাৰে দিন-দুপৰতে সংঘটিত এক চুৰিকাণ্ডই কুমাৰীপট্টি এলেকাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। গুৰুত্বপূৰ্ণ কথা এয়ে যে, ডুমডুমা আৰক্ষী থানাৰ পৰা প্ৰায় ৫০০ মিটাৰ নিলগতে দিন-দুপৰতে সংঘটিত হৈছে এই চুৰিকাণ্ড। ঘৰত কোনো নথকাৰ সুযোগ লৈ চোৰে উক্ত চুৰিকাণ্ড সংঘটিত কৰে। ঘটনাৰ সন্দৰ্ভত পৰিয়ালৰ লোকে জনোৱা মতে, ডুমডুমাৰ সমীপৰ ৰূপাই চাইডিঙৰ এগৰাকী আত্মীয়ৰ ঘৰত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিবলৈ গৈছিল তেওঁলোক। সন্ধিয়া প্ৰায় ৭ বজাত ঘৰ আহি পোৱাত ঘটনাটো পোহৰলৈ আহে। চোৰে ভেণ্টিলেটৰ ভাঙি শুৱনি কোঠাত প্ৰৱেশ কৰি আলমাৰিৰ তলা ভাঙি গহনাসহ নগদ ধন লৈ পিছফালৰ দুৱাৰেদি পলায়ন কৰে। চোৰে ঘৰৰ চাৰিগৰাকী মহিলাৰ সমস্ত গহনা চুৰ কৰি নিয়াৰ লগতে বহুখিনি নগদ ধন লৈ উধাও হয়। ঘটনাৰ বিষয়ে স্থানীয় ডুমডুমা আৰক্ষীক খবৰ দিয়াত আৰক্ষী উপস্থিত হৈ ঘটনাৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰে। উল্লেখ্য যে, ডুমডুমা অঞ্চলত যোৱা কিছু মাহৰ পৰা এনে চুৰি ঘটনা ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিছে। চোৰৰ উপদ্ৰৱত ডুমডুমা নগৰৰ ৰাইজ একপ্ৰকাৰ অতিষ্ঠ হৈ পৰিছে। নগৰখনত সংঘটিত ইটোৰ পিছত সিটো চুৰিকাণ্ডত একাংশ লোকৰ এতিয়া ৰাতি টোপনি নহা হৈছে। উল্লেখযোগ্য যে, সৌ সিদিনা চোৰে ডুমডুমা হিন্দী প্ৰাথমিক বিদ্যালয়ৰ এমপ্লিফায়াৰ চুৰি কৰিছিল, যি ঘটনাৰ এইপৰ্যন্ত কোনো উমঘামেইনাইবুলিব পাৰি। ডুমডুমা অঞ্চলত সংঘটিত এনে চুৰি কাৰ্যত সচেতন মহলকো চিন্তাত পেলাইছে।

## সম্পাদকীয়

# ইণ্টাৰনেট কৰ্তন ঃ গণতন্ত্ৰৰ বাবে এক গুৰুতৰ পৰীক্ষা

ইণ্টাৰনেট বন্ধ কৰাটো আজিৰ বিশ্বৰ বিভিন্ন প্ৰান্তত এক সহজ-সৰল নীতি হৈ পৰিছে। ৰাজহুৱা নিৰাপত্তা, ভুল তথ্যৰ বিস্তাৰ ৰোধ বা জাতীয় সংহতি ৰক্ষাৰ নামত সম্পূৰ্ণ দেশজুৰিকৈ বা কোনো নিৰ্দিষ্ট অঞ্চলত ডিজিটেল যোগাযোগ সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়াৰ ঘটনা বাৰম্বাৰ ঘটি আহিছে। ইয়াৰ ফলত কেৱল ভিডিঅ' চাব নোৱাৰা বা ছ'চিয়েল মিডিয়া ব্যৱহাৰ কৰিব নোৱৰাই নহয়; শিক্ষা, চিকিৎসা, বেংকিং, ব্যৱসায়-বাণিজ্য আৰু মানৱিক সহায়ৰ দৰে মৌলিক সেৱাবোৰো অচল হৈ পৰে। ইয়াৰ ফলত এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন দেখা দিয়ে যে নিৰাপত্তাৰ নামত সাধাৰণ মানুহৰ মৌলিক অধিকাৰ আৰু অৰ্থনীতি বলি দিয়া উচিতনে?

চৰকাৰসমূহে এই কৰ্তনক "ৰাজহুৱা নিৰাপত্তা"ৰ এক জৰুৰীকালীন ব্যৱস্থা বুলি গণ্য কৰে। তেওঁলোকৰ যুক্তি হ'ল যে সংঘৰ্ষৰ সময়ত সামাজিক মাধ্যমৰ জৰিয়তে উত্তেজনামূলক বাৰ্তা আৰু উৰাবাতৰি বিয়পি পৰিস্থিতি অধিক গুৰুতৰ কৰিব পাৰে। গতিকে, যোগাযোগৰ এই মুখ্য মাধ্যমটো বন্ধ কৰি দিলে উত্তেজনা কমি আহিব আৰু হিংসাত্মক ঘটনা ৰোধ কৰাত সহায় কৰিব বুলি ধাৰণা কৰা হয়। কিন্তু ষ্টানফৰ্ড গ্ল'বেল ডিজিটেল পলিচি ইনকিউবেটৰৰ এক অধ্যয়নে পৰিস্ফুত কৰি তুলিছে যে, ইণ্টাৰনেট নিষেধাজ্ঞাই হিংসা ৰোধ কৰাৰ সলনি কেতিয়াবা তাক বেছিকৈ বঢ়াইহে তোলে। যোগাযোগৰ মাধ্যম বন্ধ হোৱাত শান্তিপূৰ্ণ প্ৰতিবাদো উত্তেজনাপূৰ্ণ হৈ পৰে আৰু অপৰাধীসকলে অস্বচ্ছতাৰ সুযোগ লৈ নিৰ্বিচাৰে কাম কৰিবলৈ সুবিধা পায়।

ইয়াৰ বিপৰীতে, ইণ্টাৰনেট কৰ্তন মানৱ অধিকাৰৰ ওপৰত এক ভয়াবহ আক্ৰমণ। আমনেষ্টি ইণ্টাৰ্নেচনেলৰ দৰে সংস্থাসমূহে স্পষ্টকৈ কৈছে যে ই এক গুৰুতৰ মানৱ অধিকাৰ উলংঘা, কাৰণ ই মানুহৰ কণ্ঠ, সংগঠন কৰাৰ ক্ষমতা আৰু সত্যৰ সৈতে সংযোগ স্থাপন কৰাৰ অধিকাৰক হেৰুৱাই পেলায়। অধিক গুৰুত্বপূৰ্ণ কথা হ'ল যে, এই নিষেধাজ্ঞাবোৰ চৰকাৰসমূহক জবাবদিহিতাৰ পৰা মুক্ত কৰি তোলে।

অৰ্থনীতিৰ ক্ষেত্ৰত ইণ্টাৰনেট কৰ্তনৰ প্ৰভাৱ আপাত-দৃষ্টিত অদৃশ্য যদিও ই অতি গভীৰ আৰু ব্যাপক। ব্ৰুকিংছ ইন্সটিটিউচনৰ এক গৱেষণামতে, ২০১৫-২০১৬ চনত মাত্ৰ ১৯টা দেশত হোৱা ৮১টা চুটি কালীন নিষেধাজ্ঞাই অৰ্থনীতিৰ প্ৰায় ২.৪ বিলিয়ন আমেৰিকান ডলাৰৰ ক্ষতি সাধন কৰিছিল। কোনো এখন দেশে আধুনিক যুগত ইণ্টাৰনেট নোহোৱাকৈ চলিব নোৱাৰে। ই-কমাৰ্চ, ডিজিটেল লেনদেন, দূৰৱৰ্তী শিক্ষা, টেলিমেডিচিন, আৰু আৰম্ভণি ব্যৱসায় (ষ্টাৰ্ট-আপ) সম্পূৰ্ণৰূপে অচল হৈ পৰে। এই ক্ষতি চৰকাৰী কৰৰ আৰু সাধাৰণ মানুহৰ জীৱিকাৰ ওপৰতো পৰে, যিয়ে অৱশেষত সামগ্ৰিক অৰ্থনৈতিক বিকাশত বাধাৰ সৃষ্টি কৰে।

বিশ্বজুৰি এই দমন নীতিৰ বিৰুদ্ধে মানৱ অধিকাৰ কৰ্মী, আইনজ্ঞ আৰু নিৰাপত্তা বিশেষজ্ঞসকলে এক যুদ্ধ আৰম্ভ কৰিছে। ভাৰ্চুৱেল প্ৰাইভেট নেটৱৰ্ক (ভিপিএন), এনক্ৰিপ্টেড মেছেজিং এপ আৰু ষ্টাৰলিংকৰ দৰে উপগ্ৰহভিত্তিক ইণ্টাৰনেট সেৱাৰ দৰে পৰ্যায়ে চেন্সৰশ্বিপৰ বেৰ ভাঙিবলৈ চেষ্টা কৰি আছে। আনহাতে, নেটব্লকছ আৰু একচেচ নাওৰ দৰে সংগঠনে শ্বাটডাউন ট্ৰেক কৰি জগতক সজাগ কৰি আছে। আইনী ক্ষেত্ৰতো প্ৰগতি হৈছে। উগাণ্ডাত সাধাৰণ নিৰ্বাচনৰ সময়ত ইণ্টাৰনেট বন্ধ কৰাৰ বাবে টেলিকম কোম্পানী আৰু নিয়ামক প্ৰতিষ্ঠানৰ বিৰুদ্ধে আদালতত গোচৰ দাখিল কৰা হৈছে। একেদৰে, আফ্ৰিকাৰ ৰাষ্ট্ৰসমূহৰ অৰ্থনৈতিক সম্প্ৰদায় (ECOWAS) য়ে নাইজেৰিয়া আৰু ছেনেগালৰ চৰকাৰৰ বিৰুদ্ধে ইণ্টাৰনেট নিষেধাজ্ঞাৰ বিৰুদ্ধে ৰায় দিছে।

ইণ্টাৰনেট কৰ্তনৰ বিতৰ্কটোৱে আমাক এটা মৌলিক প্ৰশ্নৰ সন্মুখীন কৰিছে- আমি কেৱল ডিজিটেল যুগত বাস কৰা নে আমি এখন ডিজিটেল সমাজ গঢ়ি তুলিছো? যদি দ্বিতীয়টো হয়, তেন্তে ইণ্টাৰনেট কেৱল এখন বিলাসী সামগ্ৰী নহয়, ই হৈছে শিক্ষা, স্বাস্থ্য, অৰ্থনীতি আৰু গণতান্ত্ৰিক অংশগ্ৰহণৰ মেৰুদণ্ড। ইয়াক বিচ্ছিন্ন কৰি দিয়া মানে সমাজৰ স্নায়ু ব্যৱস্থাকে ছিঙি দিয়া। অৱশ্যে, চৰকাৰসমূহৰ যুক্তিও সম্পূৰ্ণৰূপে উৰাই দিব নোৱাৰি। সংকটৰ মুহূৰ্তত গুজৱৰ বিস্তাৰ আৰু দলগত হিংসাৰ আশংকা সঁচাকৈয়ে থকা এক বাস্তৱ সমস্যা। কিন্তু সমাধান হ'ব লাগিব লক্ষ্যভেদী আৰু আনুপাতিক। সামগ্ৰিক নিষেধাজ্ঞাৰ সলনি দায়িত্বশীল তথ্যৰ প্ৰৱাহ সচেতনভাৱে বৃদ্ধি কৰা, ন্যায়সঙ্গত সাংবাদিকতাৰ সহায় লোৱা আৰু স্পষ্ট ৰাজনৈতিক সংলাপৰ মাজেদি উত্তেজনা কমোৱাৰ দিশত আগবাঢ়িব লাগিব।

চৰকাৰসমূহে যেতিয়া টাৱাৰৰ চুইচ বন্ধ কৰে, তেতিয়া কেৱল চিগনেল নহয়, নাগৰিকৰ বিশ্বাসৰো চুইচ বন্ধ কৰে। ডিজিটেল অন্ধকাৰে সমস্যাৰ সমাধান নকৰে; ই কেৱল সত্য আৰু জবাবদিহিতাক আঁতৰাই তোলে। গণতান্ত্ৰিক সমাজ হিচাপে আমি এনে নিষেধাজ্ঞাক কঠোৰভাৱে প্ৰত্যাখ্যান কৰিব লাগিব, কিয়নো যি পদ্ধতিৰে আমাক নীৰৱ কৰিব বিচাৰে, সেই পদ্ধতিৰ দ্বাৰা আমাক ৰক্ষা কৰিবলৈ আমাৰ কোনো কাৰণ নাই।

সম্পাদকলৈ চিঠি

# ঘন কুঁৱলীৰ ধূসৰতা আৰু পথ সুৰক্ষাৰ সংকট

শীতৰ নিস্তব্ধতাৰ সুযোগ লৈ প্ৰকৃতিৰ বুকুত বিয়পি পৰা ঘন কুঁৱলীৰ শুভ্ৰ চাদৰখনে যিদৰে এক মায়াবী পৰিৱেশৰ সৃষ্টি কৰে, ঠিক সেইদৰেই ই যাতায়তৰ ক্ষেত্ৰত এক অলংঘ্য প্ৰত্যাহ্বান হৈ থিয় দিয়ে। কুঁৱলীৰ এই ঘোলাটে আৱৰণে বায়ুমণ্ডলক এনেদৰে আচ্ছন্ন কৰি পেলায় যে পথৰ দৃশ্যমানতা প্ৰায় শূন্যৰ কাষ চাপে, যাৰ ফলত চালকসকলে সমুখত থকা বিপদৰ সংকেতসমূহ সঠিক সময়ত উপলব্ধি কৰাত ব্যৰ্থ হয়। এই দৃশ্যমানতাৰ অভাৱেই হৈছে পথ দুৰ্ঘটনাৰ প্ৰাথমিক আৰু প্ৰধান কাৰক। ঘাইপথসমূহত তীব্ৰবেগী যান-বাহনবোৰে যেতিয়া কুঁৱলীৰ কৱলত পৰে, তেতিয়া এক নিমিষতে বহুতো জীৱনৰ চাকি নিমিষতে নুমাই যোৱাৰ উপক্ৰম হয়। অস্পষ্টতাৰ মাজত বাহনৰ মাজৰ নিৰাপদ দূৰত্বৰ জোখ হেৰুৱাই পেলোৱাৰ বাবে প্ৰায়েই এলানি বাহন ইখনৰ পাছত সিখনকৈ খুন্দা খোৱা বা 'চেইন এক্সিডেণ্ট'ৰ দৰে মৰ্মান্তিক ঘটনা সংঘটিত হোৱা দেখা যায়।

পথ দুৰ্ঘটনাৰ এই ভয়াৱহতাৰ আঁৰত কেৱল প্ৰকৃতিৰ হাত থাকে বুলিলে ভুল হ'ব, ইয়াত মানৱীয় বিসংগতি আৰু অসতৰ্কতাৰ ভূমিকাও অনস্বীকাৰ্য। বহু সময়ত চালকসকলে নিজৰ বাহনৰ যান্ত্ৰিক সক্ষমতাৰ ওপৰত অতিমাত্ৰা বিশ্বাস কৰি এনে প্ৰতিকূল বতৰতো তীব্ৰ গতিৰে বাহন চলোৱাৰ দুসাহস কৰে। কুঁৱলীৰ সময়ত পথবোৰ সেমেকা আৰু পিচ্ছিল হৈ থকাৰ ফলত জৰুৰীকালীন অৱস্থাত ব্ৰেক প্ৰয়োগ কৰিলে বাহনখন পিছলি যোৱাৰ সম্ভাৱনা অধিক থাকে। তদুপৰি, উপযুক্ত ফগ-লাইটৰ অভাৱ বা জৰুৰীকালীন সংকেত ব্যৱহাৰত কৰা অৱহেলাই মৃত্যুক অধিক ওচৰ চপাই আনে। ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত অনিয়ন্ত্ৰিতভাৱে ৰৈ থকা বাহনবোৰো কুঁৱলীৰ সময়ত একো একোটা মৰণফান্দত পৰিণত হয়।

প্ৰকৃতিৰ এই ধূসৰতাক জয় কৰিবলৈ হ'লে আমাক পৰিপক্ক চিন্তা আৰু উচ্চ পৰ্যায়ৰ সতৰ্কতাৰ প্ৰয়োজন। কেৱল কাৰিকৰী সঁজুলি বা চৰকাৰী নীতি-নিয়মেৰে এই দুৰ্ঘটনা ৰোধ কৰা সম্ভৱ নহয়। ইয়াৰ বাবে প্ৰয়োজন প্ৰতিজন চালকৰ ব্যক্তিগত দায়বদ্ধতা। কুঁৱলীৰ ঘন আৱৰণৰ মাজত যাত্ৰা কৰোঁতে ধৈৰ্য্য আৰু সংযম হেৰুৱাই পেলোৱা মানেই হ'ল বিপদক আমন্ত্ৰণ জনোৱা। গতি নিয়ন্ত্ৰণ কৰা, হাই-বীমৰ পৰিৱৰ্তে লো-বীম লাইট ব্যৱহাৰ কৰা আৰু সমুখৰ বাহনৰ পৰা পৰ্যাপ্ত ব্যৱধান ৰখাটো একো একোটা অনিবাৰ্য কৰ্তব্য। সামগ্ৰিকভাৱে ক'বলৈ গ'লে, কুঁৱলীৰ অস্পষ্টতাই আমাৰ দৃষ্টিশক্তি সীমিত কৰিব পাৰে, কিন্তু আমাৰ বিবেক আৰু সচেতনতাক যেন আচ্ছন্ন কৰিব নোৱাৰে। পথ সুৰক্ষাৰ ক্ষেত্ৰত গ্ৰহণ কৰা সামান্যতম সাৱধানতাই একোটা পৰিয়ালক চৰম শোকৰ পৰা ৰক্ষা কৰিব পাৰে আৰু এইয়াই হওক আমাৰ প্ৰতিজন সচেতন নাগৰিকৰ সংকল্প।

*কুণ্ডিল হাজৰিকা*
*যোৰহাট, টীয়ক*

> অবৈধ অনুপ্ৰৱেশৰ পৰিণামস্বৰূপে ভূমিৰ অবাধ বেদখলে এক ভয়ংকৰ আৰু জটিল সমস্যাৰ সৃষ্টি কৰিছে, যিটোৱে খিলঞ্জীয়া সমাজৰ ভেটি দুৰ্বল কৰি তুলিছে। বেদখলকাৰীসকলে অতি কৌশলৰে সেই অঞ্চলবোৰক নিজৰ লক্ষ্য কৰি লয় য'ত আইনী নিয়ন্ত্ৰণ শিথিল হয় বা ভূমিৰ সঠিক জৰীপ হোৱা নাই।




# কিছু প্ৰাসংগিক চিন্তা
# খিলঞ্জীয়াৰ ভূমি অধিকাৰ

হিমাংশু ৰঞ্জন ভূঞা

অসমত অনাদি কালৰে পৰা বসবাস কৰি অহা খিলঞ্জীয়া লোকসকলৰ জীৱনধাৰণৰ বাবে ভূমিৰ অধিকাৰ এক অতি গুৰুত্বপূৰ্ণ, সংবেদনশীল আৰু স্পৰ্শকাতৰ বিষয়, যিটো তেওঁলোকৰ সমগ্ৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক জীৱনৰ কেন্দ্ৰবিন্দু বুলি ক'ব পাৰি। এই ভূমি বা মাটি কেৱল তেওঁলোকৰ দৈনন্দিন জীৱিকাৰ এটা উৎস নহয়, ই তেওঁলোকৰ পুৰুষ-পুৰুষ ধৰি চলি অহা পৰিচয়, ভাষা, সংস্কৃতি, লোক-বিশ্বাস, পৰম্পৰাগত জ্ঞান আৰু আধ্যাত্মিক অস্তিত্বৰ মূল আধাৰস্বৰূপ। এজন খিলঞ্জীয়া ব্যক্তিৰ ভূমিৰ লগত যি এক নিবিড় আৰু অপৃথক সম্পৰ্ক আছে, সেইটো তেওঁলোকৰ পৰম্পৰাগত কৃষি পদ্ধতি, উৎসৱ-পাৰ্বণ, নীতি-নিয়ম, সামূহিক কৰ্মপ্ৰণালী আৰু সহজ সৰল ঘৰুৱা জীৱনশৈলীৰ মাজত স্পষ্টভাৱে প্ৰতিফলিত হয়। তেওঁলোকে ভূমিক মাতৃৰ দৰে জ্ঞান কৰে আৰু ইয়াৰ প্ৰতি তেওঁলোকৰ এক অকৃত্ৰিম শ্ৰদ্ধা থাকে, কিয়নো এই ভূমিত তেওঁলোকৰ পূৰ্বপুৰুষসকলৰ জীৱন যাপনৰ চিন আছে আৰু ইয়াত তেওঁলোকৰ শেষ জিৰণিৰ ঠাইও সংৰক্ষিত। ভূমিৰ এই পৱিত্ৰ বন্ধনৰ ওপৰত আঘাত পৰিলে খিলঞ্জীয়া সমাজৰ মানসিক, সাংস্কৃতিক আৰু আৰ্থিক ভেটি সম্পূৰ্ণৰূপে লৰিবলৈ ধৰে। কিন্তু, বিগত কেইটামান দশক ধৰি এই ভূমিৰ ওপৰত খিলঞ্জীয়াৰ চিৰন্তন অধিকাৰ এক ভয়াৱহ সংকটৰ গৰাহত পৰিছে, যাৰ ফলত তেওঁলোকৰ জাতীয় জীৱনৰ ওপৰত এক ডাঙৰ অস্থিৰতাই দেখা দিছে। এই সংকটৰ মূল কাৰণসমূহৰ ভিতৰত অবৈধ অনুপ্ৰৱেশৰ অনিয়ন্ত্ৰিত ঢৌ, ভূমিৰ অবাধ বেদখল, ব্ৰিটিছৰ দিনৰ পুৰণি আইনৰ দুৰ্বল প্ৰয়োগ, জনগাঁথনিগত হেঁচা, প্ৰশাসনিক দুৰ্নীতি আৰু ৰাজনৈতিক স্বাৰ্থপৰতা অন্যতম। এই বিষয়সমূহৰ বিস্তৃত আৰু গভীৰ অধ্যয়ন অবিহনে অসমৰ জাতীয় জীৱনৰ সুস্থিৰতা আৰু খিলঞ্জীয়াৰ সুৰক্ষা নিশ্চিত কৰাটো কোনো কাৰণতে সম্ভৱ নহয়। এই সমগ্ৰ সমস্যাটোৰ নিৰ্মূলৰ বাবে এক সৰ্বাত্মক দৃষ্টিভংগীৰ প্ৰয়োজন, য'ত আইনগত, প্ৰশাসনিক আৰু সামাজিক সংস্কাৰসমূহে একেলগে কাম কৰি এই জটিল গাঁথনিটোক সুস্থিৰ কৰিব লাগিব, যাতে অসমৰ খিলঞ্জীয়া সমাজ তেওঁলোকৰ নিজা ভূমিতে নিৰাপদ আৰু স্বাভিমানী হৈ জীয়াই থাকিব পাৰে। এই সংকটৰ সমাধান কেৱল মাটিৰ ভাগ-বতৰাৰ প্ৰশ্ন নহয়, ই অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ চূড়ান্ত যুঁজ।

ব্ৰিটিছসকল অসমলৈ অহাৰ আগতে, আহোম স্বৰ্গদেউসকলৰ সুদীৰ্ঘ কালছোৱাত অসমৰ ভূমি ব্যৱস্থা একপ্ৰকাৰৰ সামূহিক নীতি আৰু প্ৰথাগত নিয়মেৰে পৰিচালিত হৈছিল। তেতিয়া প্ৰজাসকলে ভূমিৰ ব্যৱহাৰ আৰু নিয়ন্ত্ৰণ সামূহিকভাৱে কৰিছিল, আৰু ৰজাঘৰীয়াইও এই পৰম্পৰাগত অধিকাৰসমূহক সম্পূৰ্ণ সন্মান জনাইছিল। এই ব্যৱস্থাটো আছিল সম্পূৰ্ণৰূপে সহজ, ঘৰুৱা আৰু ন্যায়পৰায়ণ, য'ত ভূমিৰ ব্যক্তিগত মালিকীস্বত্বতকৈ সামূহিক ব্যৱহাৰৰ অধিকাৰটোকহে অধিক গুৰুত্ব দিয়া হৈছিল আৰু প্ৰতিজন লোকে ভূমিৰ ওপৰত নিজৰ অধিকাৰক সামাজিক নীতিৰে সুৰক্ষিত অনুভৱ কৰিছিল। এই পৰম্পৰাগত ব্যৱস্থা আছিল খিলঞ্জীয়াৰ সামাজিক গাঁথনিৰ ভেটি। কিন্তু, ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ পিছত ব্ৰিটিছৰ শাসনকাল আৰম্ভ হোৱাৰ লগে লগে তেওঁলোকে নিজৰ ঔপনিৱেশিক স্বাৰ্থ, বৰ্ধিত ৰাজহ সংগ্ৰহৰ হেঁচা আৰু অৰ্থনৈতিক শোষণৰ বাবে ভূমি নীতিৰ আমূল পৰিৱৰ্তন কৰিলে। ১৮৮৬ চনত তেওঁলোকে 'অসম ভূমি আৰু ৰাজহ অধিনিয়ম' নামৰ আইনখন প্ৰৱৰ্তন কৰিলে, যিয়ে ভূমিৰ ব্যক্তিগত মালিকানাৰ ধাৰণাটোক প্ৰথমবাৰৰ বাবে গুৰুত্ব দিলে। এই আইনখনে খিলঞ্জীয়াৰ প্ৰচলিত সামূহিক ভূমি ব্যৱস্থাৰ পৰিপন্থী আছিল আৰু ইয়াৰ ফলত বহুত খিলঞ্জীয়া লোকেই তেওঁলোকৰ পৰম্পৰাগত ভূমিৰ ওপৰত সঠিক আইনী মালিকীস্বত্ব সাব্যস্ত কৰিব নোৱাৰিলে, কিয়নো তেওঁলোক ব্যক্তিগত মালিকানাৰ জটিল ধাৰণা আৰু নথি-পত্ৰৰ লগত পৰিচিত নাছিল। ব্ৰিটিছে কৰা ভূমি জৰীপ আৰু শ্ৰেণীবিভাজনৰ সুবিধা লৈ অনা-খিলঞ্জীয়া বা প্ৰব্ৰজনকাৰী লোকসকলে আইনীভাৱে ভূমি ক্ৰয় বা দখল কৰাৰ সুবিধা পালে, যিয়ে খিলঞ্জীয়াৰ হাতৰ পৰা ভূমি ক্ৰমাগতভাৱে ওলাই যোৱাত সহায় কৰিলে। স্বাধীনতাৰ পিছতো, আমাৰ দেশৰ চৰকাৰে এই পুৰণি ব্ৰিটিছ আইনৰ বহু নীতিকে বাহাল ৰাখিলে, যাৰ ফলত এই ঐতিহাসিক অন্যায় আৰু ভূমিৰ ওপৰত থকা আইনী জটিলতা একেদৰেই চলি থাকিল, যিটো বৰ্তমানৰ ভূমি সংকটৰ এক গভীৰ ভেটি। ঔপনিৱেশিক আইনসমূহৰ এই দুৰ্বল ভেটিয়েই বৰ্তমানৰ অবৈধ বেদখলৰ সমস্যাটোক এক ডাঙৰ সুবিধা দিছে আৰু ইয়াৰ ফলত খিলঞ্জীয়াৰ ভূমি অধিকাৰৰ প্ৰশ্নটোৱে এক জটিল সামাজিক আৰু ৰাজনৈতিক ৰূপ লৈছে। এই ঐতিহাসিক ভুলৰ উপৰিও পৰৱৰ্তী কালত খিলঞ্জীয়াৰ ভূমি অধিকাৰৰ সংকটক সৰ্বাধিক গভীৰ কৰি তোলা আটাইতকৈ ভয়ংকৰ কাৰণটো হৈছে অবৈধ অনুপ্ৰৱেশ আৰু ইয়াৰ ফলত সৃষ্টি হোৱা অভূতপূৰ্ব জনগাঁথনিগত হেঁচা। ১৯৪৭ চনৰ দেশ বিভাজনৰ সময়ৰ পৰা আৰু বিশেষকৈ ১৯৭১ চনৰ বাংলাদেশ যুদ্ধৰ পিছত চুবুৰীয়া দেশৰ পৰা ব্যাপক হাৰত আৰু অনিয়ন্ত্ৰিতভাৱে লোকসকল অসমত প্ৰৱেশ কৰিলে। এই অনিয়ন্ত্ৰিত আৰু অবৈধ অনুপ্ৰৱেশৰ ফলত অসমৰ জনগাঁথনিৰ ভাৰসাম্য সম্পূৰ্ণৰূপে সলনি হৈ পৰিল আৰু জনসংখ্যাৰ মাত্ৰা ইমান বেছি বৃদ্ধি পালে যে সীমিত ভূমি সম্পদৰ ওপৰত এক অসহনীয় হেঁচা পৰিল। অনুপ্ৰৱেশকাৰীসকলে প্ৰথমতে নদ-নদীৰ কাষৰীয়া চৰ অঞ্চল, চৰকাৰী খাচ ভূমি, বিল-জলাহভূমি আৰু পিছলৈ সংৰক্ষিত বনাঞ্চলৰ সীমা আৰু জনজাতি বেল্ট-ব্লকসমূহ বেদখল কৰিবলৈ আৰম্ভ কৰে। এই বেদখলৰ প্ৰক্ৰিয়া ক্ৰমাগতভাৱে চলি থকাৰ ফলত খিলঞ্জীয়া লোকসকলৰ কৃষিভূমি, গো-চৰণীয়া পথাৰ আৰু বসতিৰ স্থান সংকুচিত হ'বলৈ ধৰিলে। জনসংখ্যাৰ এই অভাৱনীয় পৰিৱৰ্তনৰ ফলত খিলঞ্জীয়াৰ জনসংখ্যাৰ অনুপাত ক্ৰমাগতভাৱে হ্ৰাস পোৱাৰ বাবে তেওঁলোকে নিজৰেই জন্মভূমিত ৰাজনৈতিকভাৱে শক্তিহীন আৰু সামাজিকভাৱে দুৰ্বল হৈ পৰাৰ এক ডাঙৰ আশংকাত ভুগিবলৈ বাধ্য হৈছে। অবৈধ অনুপ্ৰৱেশৰ সমস্যা কেৱল ভূমিৰ ভাগ-বতৰাৰ প্ৰশ্ন নহয়, ই অসমৰ জাতীয় অস্তিত্ব, সুৰক্ষা আৰু ভৱিষ্যতৰ প্ৰজন্মৰ বাবেও এক গুৰুতৰ প্ৰত্যাহ্বান, যিয়ে সামাজিক সংঘাত, সাম্প্ৰদায়িক উত্তেজনা আৰু আৰ্থ-সামাজিক বৈষম্যৰো সৃষ্টি কৰে। এই অনিয়ন্ত্ৰিত প্ৰৱেশে অসমৰ জনগাঁথনি, অৰ্থনৈতিক গাঁথনি আৰু সামাজিক শান্তিৰ ওপৰত সুদূৰপ্ৰসাৰী নেতিবাচক প্ৰভাৱ পেলাইছে, যিটোৰ মোকাবিলা কৰাটো বৰ্তমান চৰকাৰৰ বাবে আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান, কিয়নো ই অসমৰ খিলঞ্জীয়া লোকসকলৰ আত্ম-পৰিচয়ৰ সংকট সৃষ্টি কৰিছে আৰু তেওঁলোকক তেওঁলোকৰ নিজা মাটিত অস্তিত্বহীন হোৱাৰ এক ভয়াৱহ অশনি সংকেত দিছে। এই অনুপ্ৰৱেশৰ ফলত সৃষ্টি হোৱা জনগাঁথনিগত পৰিৱৰ্তনৰ বাবেই ভূমিৰ ওপৰত হেঁচা ক্ৰমাগতভাৱে বাঢ়ি গৈছে।

অবৈধ অনুপ্ৰৱেশৰ পৰিণামস্বৰূপে ভূমিৰ অবাধ বেদখলে এক ভয়ংকৰ আৰু জটিল সমস্যাৰ সৃষ্টি কৰিছে, যিটোৱে খিলঞ্জীয়া সমাজৰ ভেটি দুৰ্বল কৰি তুলিছে। বেদখলকাৰীসকলে অতি কৌশলৰে সেই অঞ্চলবোৰক নিজৰ লক্ষ্য কৰি লয় য'ত আইনী নিয়ন্ত্ৰণ শিথিল হয় বা ভূমিৰ সঠিক জৰীপ হোৱা নাই। এই লক্ষ্যস্থানসমূহৰ ভিতৰত আছে চৰকাৰী সংৰক্ষিত বনাঞ্চল, অভয়াৰণ্যৰ ভূমি, সত্ৰৰ নামত থকা পৱিত্ৰ ভূমি, বিল-জলাহভূমি আৰু জনজাতি বেল্ট আৰু ব্লকসমূহ। জনজাতি বেল্ট আৰু ব্লকসমূহ খিলঞ্জীয়া জনজাতিসকলৰ ভূমি অধিকাৰ সুৰক্ষিত কৰিবলৈ সৃষ্টি কৰা হৈছিল, কিন্তু আইনৰ শিথিল প্ৰয়োগ, ৰাজহ বিভাগৰ সঠিক তথ্যৰ অভাৱ আৰু কিছু ক্ষেত্ৰত স্থানীয় ৰাজনৈতিক হেঁচাৰ বাবে এই সংৰক্ষিত অঞ্চলসমূহো বেদখলৰ কবলত পৰিছে। অবৈধ বসতি স্থাপনকাৰীসকলে কেৱল ভূমি দখল কৰিয়েই ক্ষান্ত নাথাকে, তেওঁলোকে সময়ৰ লগে লগে বিভিন্ন ভুৱা নথি-পত্ৰ বা কাৰচাজিৰ সহায়ত ভূমিৰ আইনী মালিকীস্বত্ব লাভ কৰাৰ অপচেষ্টা কৰে। এইদৰে ভূমি বেদখল হোৱাৰ ফলত বহু খিলঞ্জীয়া লোকে নিজৰ পৈতৃক ভূমিৰ ওপৰত আইনী অধিকাৰ সাব্যস্ত কৰিবলৈ গৈয়ো বিফল হয়। ভূমিৰ এই অবাধ বেদখলে খিলঞ্জীয়া সমাজৰ অৰ্থনৈতিক ভেটি ভাঙি দিছে, বিশেষকৈ দৰিদ্ৰ আৰু খেতিয়ক শ্ৰেণীৰ লোকসকলৰ জীৱিকাৰ পথ বন্ধ হৈ পৰিছে। ইয়াৰ উপৰিও, বনাঞ্চল আৰু জলাশয়ৰ বেদখলে অসমৰ পৰিৱেশ আৰু জৈৱ বৈচিত্ৰ্যৰ ওপৰতো এক গুৰুতৰ নেতিবাচক প্ৰভাৱ পেলাইছে, যাৰ ফলত বানপানী, গৰাখহনীয়া আদি প্ৰাকৃতিক দুৰ্যোগসমূহৰ মাত্ৰা বৃদ্ধি পাইছে। বেদখলৰ এই সমগ্ৰ প্ৰক্ৰিয়াটোৱে ভূমিৰ নাটনি সৃষ্টি কৰি সমাজত এক ডাঙৰ অস্থিৰতাৰ পৰিৱেশ সৃষ্টি কৰিছে। ভূমিহীনতাই খিলঞ্জীয়া যুৱ প্ৰজন্মৰ মাজত হতাশা আৰু নিবনুৱাৰ সমস্যা বঢ়াই তুলি তেওঁলোকক নিজৰ অস্তিত্বৰ প্ৰতি চিন্তিত কৰি তুলিছে।

বৰ্তমানৰ ভূমি আইনসমূহৰ দুৰ্বলতা আৰু কাৰ্যকৰী কৰণৰ অভাৱেও এই সমস্যাটোক অধিক জটিল কৰি তুলিছে, কিয়নো পুৰণি আইনসমূহে আজিৰ জটিল প্ৰত্যাহ্বানসমূহৰ মোকাবিলা কৰিবলৈ একেবাৰেই সক্ষম নহয়। ব্ৰিটিছৰ দিনৰ পুৰণি আইনসমূহে আজিৰ জটিল পৰিস্থিতিৰ বাবে একেবাৰেই উপযুক্ত নহয়, কিয়নো সেই আইনসমূহ ৰাজহ সংগ্ৰহৰ মানসিকতাৰে প্ৰস্তুত কৰা হৈছিল, ভূমি অধিকাৰ সুৰক্ষাৰ বাবে নহয়। ভূমিৰ ৰেকৰ্ডসমূহ সঠিকভাৱে সংৰক্ষণ নোহোৱাৰ ফলত, বহুত পুৰণি নথিপত্ৰ নষ্ট হোৱাৰ বাবে আৰু ভূমি জৰীপৰ কাম সময়মতে শেষ নোহোৱাৰ বাবে আইনী জটিলতা বাঢ়ি গৈছে। বহু খিলঞ্জীয়া লোকৰ হাতত তেওঁলোকৰ পৈতৃক ভূমিৰ সঠিক ম্যাদী পট্টা বা অন্যান্য আইনী নথি-পত্ৰ নাথাকে, যাৰ ফলত তেওঁলোকে আইনীভাৱে নিজৰ অধিকাৰ সাব্যস্ত কৰাত অসুবিধাৰ সন্মুখীন হয়। আনহাতে, জনজাতি বেল্ট আৰু ব্লকৰ সুৰক্ষাৰ বাবে থকা আইনসমূহৰ কঠোৰ প্ৰয়োগ নোহোৱাৰ ফলত অনা-জনজাতীয় লোকে সহজে সেই অঞ্চলত ভূমি দখল কৰাৰ সুবিধা পায়। আইনৰ এই শিথিলতা, প্ৰশাসনিক স্তৰত থকা দুৰ্বলতা আৰু ভূমি ৰাজহ বিভাগৰ কাম-কাজত থকা স্বচ্ছতাৰ অভাৱে অবৈধ বেদখলক উৎসাহিত কৰিছে। ইয়াৰ উপৰিও, ভূমি সংক্ৰান্তিয় মোকদমাসমূহ আদালতত দীৰ্ঘদিন ধৰি চলি থকাৰ ফলত খিলঞ্জীয়া লোকসকল আইনী যুঁজত ভাগৰি পৰে আৰু আৰ্থিকভাৱে দুৰ্বল হৈ পৰে। আইনী ব্যৱস্থাৰ এই লেহেমীয়া গতি আৰু দুৰ্বলতাই অবৈধ বেদখলকাৰীসকলক এক ডাঙৰ সুবিধা দিছে।

প্ৰশাসনিক স্তৰত থকা দুৰ্নীতি আৰু ৰাজনৈতিক স্বাৰ্থপৰতাৰ বাবে ভূমি অধিকাৰৰ সংকট অধিক গভীৰ হৈ উঠিছে। ৰাজহ বিভাগ, ভূমি ৰেকৰ্ড বিভাগ আৰু ভূমি জৰীপৰ কামত নিয়োজিত কিছুমান দুৰ্নীতিগ্ৰস্ত চৰকাৰী বিষয়া-কৰ্মচাৰী আৰু মধ্যভোগী দালালৰ এক অনৈতিক চক্ৰই অবৈধ বেদখলকাৰীসকলক ভুৱা নথি-পত্ৰ তৈয়াৰ কৰাত আৰু আইনী মালিকীস্বত্ব লাভ কৰাত গোপনে সহায় কৰে। ভূমিৰ ৰেকৰ্ডসমূহৰ অস্বচ্ছতা আৰু প্ৰশাসনিক কাম-কাজৰ লেহেমীয়া গতিৰ সুযোগ লৈ এই অনৈতিক চক্ৰটোৱে টকাৰ বিনিময়ত ভূমিৰ তথ্য সলনি কৰা, পট্টা প্ৰদান কৰাত অনিয়ম কৰা আৰু বেদখলমুক্ত কৰা কামত বাধা দিয়াৰ দৰে গুৰুতৰ অপৰাধসমূহ সংঘটিত কৰে। ইয়াৰ উপৰিও, কিছুমান স্থানীয় ৰাজনৈতিক নেতা আৰু দলৰ স্বাৰ্থপৰতাৰ বাবেও ভূমি বেদখলৰ সমস্যাটো ক্ৰমাগতভাৱে বাঢ়ি গৈছে। এই ৰাজনৈতিক স্বাৰ্থপৰতাৰ মূল লক্ষ্য হৈছে ভোটৰ ৰাজনীতি। অবৈধ বসতি স্থাপনকাৰীসকলক ৰাজনৈতিকভাৱে সংগঠিত কৰি তেওঁলোকৰ ভোট লাভ কৰিবলৈ কিছুমান ৰাজনৈতিক শক্তিয়ে বেদখলকাৰীসকলক আশ্ৰয় দিয়ে আৰু তেওঁলোকৰ বিৰুদ্ধে লোৱা উচ্ছেদ বা আইনী ব্যৱস্থাত বাধা দিয়ে। এই ৰাজনৈতিক-প্ৰশাসনিক অনৈতিক চক্ৰটোৱে খিলঞ্জীয়াৰ ভূমি অধিকাৰক সবাতোকৈ বেছি ক্ষতিগ্ৰস্ত কৰিছে। কিয়নো, চৰকাৰে আইন প্ৰণয়ন কৰিলেও এই অনৈতিক চক্ৰটোৰ বাবে সেই আইনসমূহ সঠিকভাৱে কাৰ্যকৰী কৰাত বাধা আহি পৰে। সেয়েহে, ভূমি অধিকাৰ সুৰক্ষাৰ যিকোনো প্ৰয়াসত এই গভীৰ দুৰ্নীতি আৰু ৰাজনৈতিক স্বাৰ্থপৰতাৰ শিকলিডাল ভাঙি পেলোৱাটো অতি জৰুৰী।

খিলঞ্জীয়াৰ ভূমি অধিকাৰ সুৰক্ষিত কৰাৰ বাবে অসম চৰকাৰে শেহতীয়াকৈ কেইবাটাও গুৰুত্বপূৰ্ত পদক্ষেপ লৈছে, যিবোৰ আশাৰ বতৰা কঢ়িয়াই আনিছে। ইয়াৰ ভিতৰত অন্যতম আৰু অতি জৰুৰী পদক্ষেপটো হৈছে 'মিছন বসুন্ধৰা' আঁচনি, যিয়ে ভূমি ৰাজহ ব্যৱস্থাৰ এক আমূল পৰিৱৰ্তন আনিবলৈ চেষ্টা কৰিছে। এই আঁচনিৰ মূল লক্ষ্য হৈছে ভূমি সংক্ৰান্তিয় সকলো ৰাজহ সেৱা ডিজিটাইজ কৰা, যাতে ভূমিৰ তথ্যসমূহ সঠিক, স্বচ্ছ আৰু সহজে উপলব্ধ হয়। মিছন বসুন্ধৰাৰ জৰিয়তে খিলঞ্জীয়া লোকসকলক তেওঁলোকৰ পৈতৃক ভূমিৰ ওপৰত ম্যাদী পট্টা প্ৰদান কৰাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে, যাতে তেওঁলোকে ভূমিৰ ওপৰত আইনী মালিকীস্বত্ব লাভ কৰি বেদখলৰ পৰা নিজৰ ভূমি ৰক্ষা কৰিব পাৰে। এই ডিজিটাইজেশ্যনৰ প্ৰক্ৰিয়াই ভূমিৰ লেনদেন আৰু মালিকীস্বত্বৰ ক্ষেত্ৰত থকা অনিয়মসমূহ দূৰ কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে। এই আঁচনিৰ জৰিয়তে পুৰণি আৰু নষ্ট হোৱা নথিপত্ৰসমূহো পুনৰুদ্ধাৰ আৰু সংৰক্ষণ কৰাৰ ব্যৱস্থা লোৱা হৈছে, যিয়ে খিলঞ্জীয়াৰ আইনী স্থিতি শক্তিশালী কৰাত সহায় কৰিব। ইয়াৰ লগতে, ভূমি বেদখলৰ সমস্যা সমাধানৰ বাবে চৰকাৰে বিভিন্ন সময়ত কঠোৰ উচ্ছেদ অভিযান চলাইছে, এই অভিযানসমূহৰ উদ্দেশ্য হৈছে চৰকাৰী ভূমি, সংৰক্ষিত বনাঞ্চল, সত্ৰৰ ভূমি আৰু জনজাতি বেল্ট আৰু ব্লকৰ পৰা অবৈধ বেদখল আঁতৰাই ভূমিৰ ওপৰত চৰকাৰৰ নিয়ন্ত্ৰণ পুনৰ প্ৰতিষ্ঠা কৰা। বেদখলমুক্ত কৰা ভূমিত কৃষি পাম আৰু অন্যান্য উন্নয়নমূলক আঁচনিৰ জৰিয়তে খিলঞ্জীয়া লোকসকলক পুনৰ সংস্থাপন আৰু কৰ্মসংস্থাপন প্ৰদান কৰাৰো ব্যৱস্থা লোৱা হৈছে।

এই সমস্যাৰ স্থায়ী আৰু দীৰ্ঘম্যাদী সমাধানৰ বাবে আইনৰ ক্ষেত্ৰত আমূল সংস্কাৰ অনাটো অতি জৰুৰী। চৰকাৰে খিলঞ্জীয়াৰ ভূমি অধিকাৰক অধিক সুৰক্ষিত কৰাৰ বাবে এক নতুন ভূমি আইন প্ৰণয়নৰ প্ৰস্তুতি চলাইছে, যিটো পুৰণি ঔপনিৱেশিক আইনৰ পৰিৱৰ্তে আধুনিক আৰু খিলঞ্জীয়াৰ স্বাৰ্থৰ অনুকূলে হ'ব। এই নতুন আইনে খিলঞ্জীয়াৰ সামূহিক ভূমি অধিকাৰ আৰু তেওঁলোকৰ স্ব-শাসিত ব্যৱস্থাসমূহক আইনীভাৱে স্বীকৃতি দিয়াৰ ব্যৱস্থা থাকিব। ইয়াৰ উপৰিও, অসম চুক্তিৰ ষষ্ঠ দফাৰ কাৰ্যকৰী কৰণ আৰু খিলঞ্জীয়াৰ সংজ্ঞা নিৰ্ধাৰণৰ দৰে গুৰুত্বপূৰ্ণ ৰাজনৈতিক সিদ্ধান্তসমূহ অতি শীঘ্ৰেই গ্ৰহণ কৰাটো প্ৰয়োজনীয়। খিলঞ্জীয়াৰ এটা সৰ্বসন্মত সংজ্ঞা নিৰ্ধাৰণ কৰিব পাৰিলেহে ভূমিৰ ওপৰত তেওঁলোকৰ অধিকাৰক আইনীভাৱে সঠিক সুৰক্ষা দিব পৰা যাব। জনজাতি বেল্ট আৰু ব্লকসমূহৰ সীমা পুনৰ নিৰ্ধাৰণ কৰি আৰু ইয়াক সুৰক্ষিত কৰাৰ বাবে থকা আইনসমূহৰ কঠোৰ প্ৰয়োগ কৰিব লাগিব, যাতে কোনেও আইন ভংগ কৰিবলৈ সাহস নকৰে। প্ৰশাসনিক স্তৰত স্বচ্ছতা আৰু দক্ষতা অনাৰ লগতে ভূমি সংক্ৰান্তিয় গোচৰসমূহৰ দ্ৰুত নিষ্পত্তিৰ বাবে বিশেষ ৰাজহ আদালত গঠন কৰাটো উচিত। এই আইনগত আৰু সাংবিধানিক পদক্ষেপসমূহে খিলঞ্জীয়াৰ ভূমি অধিকাৰক এক স্থায়ী আৰু অকাট্য সুৰক্ষা দিব আৰু ভূমিৰ ওপৰত থকা আইনী খেলিমেলি দূৰ কৰাত সহায় কৰিব।

খিলঞ্জীয়াৰ বাবে ভূমিৰ সাংস্কৃতিক আৰু আধ্যাত্মিক গুৰুত্ব অপৰিসীম, যিটো তেওঁলোকৰ জাতিগত পৰিচয়ৰ মূল ভেটি। তেওঁলোকৰ বাবে ভূমি কেৱল খেতিৰ ঠাই নহয়, ই তেওঁলোকৰ সংস্কৃতি, পৰিচয় আৰু আধ্যাত্মিকতাৰ কেন্দ্ৰবিন্দু। ভূমিৰ অধিকাৰ হেৰুৱালে তেওঁলোকৰ সাংস্কৃতিক স্বকীয়তা, তেওঁলোকৰ পৰম্পৰাগত জীৱনশৈলী আৰু সামূহিক বান্ধোনটোও ভাঙি যাব। ভূমিৰ ওপৰত অধিকাৰ নিশ্চিত হ'লেহে খিলঞ্জীয়াৰ সংস্কৃতি, ভাষা আৰু ঐতিহ্যক দীৰ্ঘদিনৰ বাবে ৰক্ষা কৰাটো সম্ভৱ হ'ব। ইয়াৰ লগতে, ভূমি অধিকাৰ সুৰক্ষাৰ জৰিয়তেহে খিলঞ্জীয়াৰ অৰ্থনৈতিক স্থিৰতা নিশ্চিত হ'ব। ভূমিৰ আইনী মালিকীস্বত্ব থকাটো তেওঁলোকৰ বাবে এক সম্পদ, যিয়ে তেওঁলোকৰ ভৱিষ্যতৰ নিৰাপত্তা নিশ্চিত কৰে আৰু তেওঁলোকক স্বাৱলম্বী কৰি তোলে। পৰিৱেশ সংৰক্ষণৰ বাবেও ভূমি অধিকাৰৰ সুৰক্ষা অতি জৰুৰী, কিয়নো খিলঞ্জীয়াৰ পৰম্পৰাগত জীৱনশৈলী পৰিৱেশৰ লগত মিলি জুলি চলিবলৈ শিকে আৰু জৈৱ বৈচিত্ৰ্য ৰক্ষা কৰাত সহায় কৰে। ভূমিৰ এই সাংস্কৃতিক, অৰ্থনৈতিক আৰু পৰিৱেশগত গুৰুত্বক স্বীকৃতি দি ইয়াক আইনৰ জৰিয়তে সুৰক্ষিত কৰাটোৱেই হৈছে এই সমস্যাৰ সৰ্বাত্মক সমাধান আৰু ইয়াৰ জৰিয়তেহে তেওঁলোকৰ আত্ম-সন্মান পুনৰ প্ৰতিষ্ঠা হ'ব।

অসমত খিলঞ্জীয়াৰ ভূমি অধিকাৰৰ এই জটিল সমস্যাৰ স্থায়ী সমাধানৰ বাবে এক সৰ্বাত্মক আৰু সুদূৰপ্ৰসাৰী নীতিগত পথ-নক্সা প্ৰস্তুত কৰাটো অতি জৰুৰী। এই পথত অবৈধ অনুপ্ৰৱেশ নিয়ন্ত্ৰণৰ বাবে সীমান্ত সুৰক্ষা আৰু আভ্যন্তৰীণ নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰা, ভূমি তথ্যৰ ১০০ শতাংশ শুদ্ধতা আৰু ডিজিটাইজেশ্যন কৰা, প্ৰশাসনিক স্তৰত স্বচ্ছতা আৰু দক্ষতা অনা, আৰু জনজাতি বেল্ট আৰু ব্লকৰ সুৰক্ষা নিশ্চিত কৰা- এই সকলোবোৰ পদক্ষেপ অন্তৰ্ভুক্ত কৰিব লাগিব। খিলঞ্জীয়া লোকসকলৰ মাজত নিজৰ ভূমিৰ অধিকাৰ আৰু আইন সম্পৰ্কে সজাগতা সৃষ্টি কৰা আৰু তেওঁলোকক বিনামূলীয়া আইনী সাহায্য প্ৰদান কৰাটোও অতি প্ৰয়োজনীয়। ভূমিৰ ওপৰত খিলঞ্জীয়াৰ অধিকাৰ সুৰক্ষিত কৰিব পাৰিলেহে অসমৰ জাতীয় জীৱনৰ সুস্থিৰতা, শান্তি আৰু সমৃদ্ধি নিশ্চিত হ'ব। এই সমস্যাটো কেৱল এক আইনগত বা প্ৰশাসনিক প্ৰত্যাহ্বান নহয়, ই অসমীয়া জাতিৰ ভৱিষ্যতৰ প্ৰশ্ন। ইয়াৰ সমাধানত বিলম্ব কৰিলে খিলঞ্জীয়াৰ সাংস্কৃতিক আৰু ভৌগোলিক বিলুপ্তিৰ এক ডাঙৰ ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে।

### ক্ষোভ প্ৰকাশ সনাতনী বীৰ হিন্দু সেনাৰ সহ প্ৰমুখ মণিকণ দাসৰ

# ঢেকীয়াজুলিত মুকলিকৈ অবৈধ জোৱা খেল চলাই সামাজিক পৰিৱেশ বিনষ্ট কৰাৰ অভিযোগ




**অসম বাৰ্তা, ঢেকীয়াজুলি, ১৮ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি আৰক্ষী থানা এলেকাত একাংশ অসাধু লোকে মুকলিকৈ অবৈধ জোৱাখেল চলাই আহিছে বুলি গুৰুত্বপূৰ্ণ অভিযোগ উঠিছে। এই অবৈধ কাৰ্যকলাপৰ ফলত শ্বহীদ নগৰী ঢেকীয়াজুলিৰ সামাজিক পৰিৱেশ গভীৰভাৱে ক্ষতিগ্ৰস্ত হৈছে বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। এনে পৰিস্থিতিৰ প্ৰতি তীব্ৰ ক্ষোভ প্ৰকাশ কৰি আজি ঢেকীয়াজুলিত উপস্থিত হয় সনাতনী বীৰ হিন্দু সেনাৰ অসম প্ৰান্তৰ সহ প্ৰমুখ মণিকণ দাস। উল্লেখযোগ্য যে, ঢেকীয়াজুলিৰ বিভিন্ন অঞ্চলত দুষ্ট প্ৰকৃতিৰ একাংশ লোকে কোনো ধৰণৰ ভয়-ভীতি নোহোৱাকৈ মুকলিকৈ জোৱাখেল পাতি অহা বুলি অভিযোগ উঠিছে। ইয়াৰ ফলত যুৱ সমাজ ভুল পথত ধাৱিত হোৱাৰ লগতে পৰিয়ালসমূহৰ আৰ্থিক আৰু সামাজিক স্থিতিও বিপন্ন হোৱাৰ আশংকা বৃদ্ধি পাইছে। স্থানীয় সচেতন মহলে কয় যে এনে অবৈধ জোৱাখেলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰিলে আগন্তুক দিনত সামাজিক অপৰাধৰ সংখ্যা অধিক বৃদ্ধি পাব পাৰে। এই সন্দৰ্ভত সনাতনী বীৰ হিন্দু সেনাৰ সহ প্ৰমুখ মণিকণ দাসে সংবাদ মাধ্যমৰ আগত মন্তব্য কৰি কয় যে, "শ্বহীদনগৰী ঢেকীয়াজুলিৰ দৰে ঐতিহাসিক আৰু শান্তিপূৰ্ণ এলেকাত অবৈধ জোৱাখেল মুকলিকৈ চলি থকাটো অত্যন্ত দুৰ্ভাগ্যজনক। এইবোৰ কাৰ্যকলাপে সমাজৰ নৈতিকতা ধ্বংস কৰিছে। প্ৰশাসনে শীঘ্ৰেই কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি এনে অসাধু লোকসকলৰ বিৰুদ্ধে আইনগত পদক্ষেপ ল'ব লাগে।" তেওঁ লগতে আৰক্ষী প্ৰশাসনক এই বিষয়টো গুৰুত্বসহকাৰে লৈ জোৱাখেলৰ বিৰুদ্ধে অভিযান চলাবলৈ আহ্বান জনায়। একে সময়তে তেওঁ সচেতন ৰাইজকো একত্ৰিত হৈ সমাজ বচোৱাৰ স্বাৰ্থত এই ধৰণৰ অবৈধ কাৰ্যকলাপৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ আহ্বান জনায়। বৰ্তমান এই ঘটনাক লৈ ঢেকীয়াজুলিত ব্যাপক প্ৰতিক্ৰিয়া সৃষ্টি হৈছে আৰু ৰাইজে আৰক্ষীৰ পৰা শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ আশা প্ৰকাশ কৰিছে।

# ভাৰতী অধ্যয়ন চক্ৰৰ শিল্পী দিৱস পালন

**অসম বাৰ্তা, দৌলাশাল, ১৮ জানুৱাৰী ঃ** অসম সাহিত্য সভাৰ সৰ্থেবাৰী শতদল শাখা ভাৰতী অধ্যয়ন চক্ৰৰ উদ্যোগত শনিবাৰে সৰ্থেবাৰী ৰাজহুৱা পুথিভঁৰালত শিল্পী দিৱস, বঁটা প্ৰদান আৰু গ্ৰন্থ উন্মোচন অনুষ্ঠান অনুষ্ঠিত হৈ যায়। পুৱা পতাকা উত্তোলন কৰি ভাৰতী অধ্যয়ন চক্ৰৰ সভাপতি নিখিলেশ ডেকাই। স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে ভাৰতী অধ্যয়ন চক্ৰৰ উপদেষ্টা কুলৰঞ্জন ভূঞাই। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত মাল্যদান কৰে ভাৰতী অধ্যয়ন চক্ৰৰ উপদেষ্টা খগেশ্বৰ ডেকাই। পুৱা ১০ বজাত ভাৰতী অধ্যয়ন চক্ৰৰ সভাপতি নিখিলেশ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা, পত্ৰিকা উন্মোচন আৰু বঁটা প্ৰদান অনুষ্ঠান। উক্ত অনুষ্ঠানত গোমূৰা গাঁৱৰ বিশিষ্ট ওজা কঁহাৰ মুকুল ৰয়ক ২০২৬ বৰ্ষৰ পুষ্পৰাম কঁহাৰ শিল্পী বঁটা প্ৰদান কৰা হয়। মুকলি সভাতেই ভাৰতী অধ্যয়ন চক্ৰই প্ৰকাশ কৰা বিশেষ কবিতা সংকলন "আল্লা-গঙ্গা" উন্মোচন কৰে ভাৰতী অধ্যয়ন চক্ৰৰ উপদেষ্টা পাৰ্বতী পাটোৱাৰীয়ে। গ্ৰন্থখন উন্মোচনৰ পূৰ্বে গ্ৰন্থখনৰ সম্পাদিকা প্ৰীতিমণি ডেকা ভূঞাই গ্ৰন্থখন প্ৰকাশ সম্পৰ্কত ভাষণ প্ৰদান কৰে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে ভাৰতী অধ্যয়ন চক্ৰৰ উপদেষ্টা অধৰ চন্দ্ৰ ডেকাই। জয়ৰাম ডেকা আৰু ধৰ্মেশ্বৰ ডেকা সোঁৱৰণী কবিতা প্ৰতিযোগিতাৰ বিজয়ী সকলকো উক্ত অনুষ্ঠানতেই বঁটা প্ৰদান কৰা হয়। বিশিষ্ট সাহিত্যিক, সাংবাদিক পেন্সনাৰ মৃণাল মল্ল পাটোৱাৰী, "আল্লা-গঙ্গা" কাব্য সংকলনৰ সম্পাদনা সমিতিৰ সভাপতি চক্ৰেশ্বৰ ডেকা, অৱসৰপ্ৰাপ্ত বিজ্ঞান শিক্ষক কামৰুজ জামানকে ধৰি কেইবাগৰাকীও বিশিষ্ট লোকে ভাষণ প্ৰদান কৰে। সভাখনত ভাৰতী অধ্যয়ন চক্ৰৰ জৰিয়তে অসম সাহিত্য সভাৰ আজীৱন সভ্যৰ স্বীকৃতি পত্ৰ লাভ কৰা ১১৬গৰাকীকৈ লোকক আজীৱন সভ্যৰ স্বীকৃতি পত্ৰও প্ৰদান কৰা হয়। অনুষ্ঠানটোত ভাৰতী অধ্যয়ন চক্ৰৰ উপ সভাপতি তৰুলতা ডেকা, সদস্যা নিজৰা বৰ্মন ডেকাকে ধৰি বিষয়ববীয়া আৰু বিশিষ্ট লোক উপস্থিত থাকে। মুকলি সভাৰ আঁত ধৰাৰ লগতে শলাগৰ শৰাই আগবঢ়ায় ভাৰতী অধ্যয়ন চক্ৰৰ ভাৰপ্ৰাপ্ত সম্পাদক ধনজিৎ ডেকাই।

## বাক্সাৰ খৈৰাণীত বনৰীয়া হাতীৰ আক্ৰমণত নিহত এগৰাকী চৈধ্য বছৰীয়া যুৱতী

**অসম বাৰ্তা, বাগানপাৰা, ১৮ জানুৱাৰী ঃ** ৰাজ্যত পুনৰ সংঘটিত হ'ল হাতী -মানুহৰ সংঘাত। বাক্সা জিলাৰ খৈৰাণীত আজি পুৱতি নিশা প্ৰায়, পাঁচ বজাত হাতীৰ আক্ৰমণত প্ৰাণ গ'ল এগৰাকী যুৱতীৰ। আজি বহুদিন ধৰি এই অঞ্চল সমূহত ত্ৰাসৰ সৃষ্টি কৰি আহিছে। আজি পুৱতি নিশা এটা বনৰীয়া হাতীৰ আক্ৰমণত নিহত হয় বাক্সা জিলাৰ বাগানপাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত খৈৰাণী গাঁৱৰ জ্যোৎস্না বৰ্মন নামৰ চৈধ্য বছৰীয়া যুৱতীৰ লগতে আহত হয় মধুস্মিতা বৰ্মন নামৰ এগৰাকী মহিলা। ঘটনাস্থলীত বাক্সাৰ আৰক্ষী উপস্থিত হয়। ইতিমধ্যে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে মুছলপুৰ অসামৰিক চিকিৎসায়লৈ প্ৰেৰণ কৰা হৈছে। আহত মধুস্মিতা বৰ্মনকো চিকিৎসা প্ৰদানৰ বাবে মুছলপুৰ অসামৰিক চিকিৎসায়লৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

### ■ শিল্পী দিৱস উপলক্ষে তিনিগৰাকী প্ৰচাৰ বিমুখ প্ৰৱীণ শিল্পীক 'শিল্পী সাধনা বঁটা' ■

# নাজিৰাত পৰম্পৰাগত নাওখেল



**অসম বাৰ্তা, নামতি, ১৮ জানুৱাৰী ঃ** বিগত পঞ্চম বৰ্ষৰ দৰে এই বৰ্ষৰ ১৭ জানুৱাৰীত শিল্পী দিৱস উদ্‌যাপন কৰাৰ লগতে পৰম্পৰাগত নাওখেল প্ৰতিযোগিতাৰ স্থলী নাজিৰা নগৰৰ ১ নং ৱাৰ্ডৰ বশিষ্ঠ গংগা খ্যাত দিখৌ নদীৰ পাৰ ওখল-মাখল পৰিৱেশেৰে বিৰাজমান হৈ পৰে। অনুসূচিত জাতি যুৱ-ছাত্ৰ পৰিষদৰ নাজিৰা মহকুমা সমিতিৰ উদ্যোগত নাজিৰা আমোলাপট্টি যুৱ সমাজ আৰু ওপৰ নাজিৰা যুৱ সমাজ তথা নাজিৰাবাসী ৰাইজৰ সহযোগত উদযাপন কৰা হয় শিল্পী দিৱস আৰু পৰম্পৰাগত নাওখেল প্ৰতিযোগিতা। পুৱা পৰিষদৰ নাজিৰা মহকুমা সমিতিৰ সভাপতি ৰমেন দাসে পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰা কাৰ্যসূচীৰ পিচতে মহাসতী ৰাধিকা, জ্যোতি প্ৰসাদ আগৰৱালা, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, ড° ভীম ৰাও ৰামজী আম্বেদকাৰ, সূৰ্যকণ্ঠ জুবিন গাৰ্গ, শিল্পী দিলীপ শৰ্মা, সমৰ হাজৰিকা, ৰাজীৱ শদিয়াৰ প্ৰতিচ্ছবিত মাল্যাপণ আৰু বন্তি প্ৰজ্বলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি দিলীপ হাজৰিকা, ডাঃ নিৰ্মালী দাস, ডঃ অসমী গগৈ বৰুৱা, নিলাক্ষী বৰুৱা, অৰ্ণৱ গগৈ, ৰূপা মহন্ত, গোপাল দাস, হৰেন্দ্ৰ নাথ দাসে। পিছত শিৱসাগৰ জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা নাওখেলৰ খেলুৱৈ সকলৰ আধ্যাত্মিক দিক দৰ্শনৰ মাজেৰে বন্তি দিখৌ নদীৰ পাৰত বন্তি প্ৰজ্বলনেৰে প্ৰতিযোগিতা শুভ উদ্বোধন কৰে নাজিৰা স্বৰাজ অকাডেমিৰ অধ্যক্ষা তথা বিশিষ্টা লেখিকা ড° অসমী গগৈ বৰুৱাই। নৰেন্দ্ৰ নাথ দাস আৰু শ্যাম দাসে পৰিচালনা কৰা নাওখেল প্ৰতিযোগিতাত দিৰৈ কৈৱৰ্ত্ত 'ক' দলে প্ৰথম, নাজিৰাৰ হলি দলে দ্বিতীয় আৰু ওপৰ নাজিৰাৰ হেপ্পী দলে তৃতীয় স্থান অধিকাৰ কৰে। সন্ধিয়া অসমীয়াৰ প্ৰাণৰ শিল্পী - যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰৱ সূৰ্যকণ্ঠ জুবিন গাৰ্গ সোঁৱৰণীত অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে টাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ূৰ বৰগোহাঁয়ে। উদ্‌যাপন সমিতিৰ সভাপতি দিলীপ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত অসমীয়া ভাষা- সাহিত্য, সংস্কৃতি ক্ষেত্ৰখনলৈ অনবদ্য অৱদান আগবঢ়াই অহা প্ৰচাৰ বিমুখ বিশিষ্ট সাহিত্যিক, নাট্যকাৰ - "নীহাৰিকা" আলোচনীৰ মুখ্য সম্পাদক জগত বৰগোঁহাই, বিশিষ্ট লোকশিল্পী সদানন্দ কোঁৱৰ আৰু নৃত্য পটিয়সী লেখাৰাণী ফুকনক উদ্‌যাপন সমিতিৰ তৰফৰ পৰা " শিল্পী সাধনা " বঁটাৰে জীৱনজোৰা সাধনাৰ স্বীকৃতি প্ৰদান কৰাৰ লগতে ডি ৱাই ৩৬৫ ৰ নাজিৰাৰ সংবাদসেৱী তথা নাজিৰা সাংবাদিক মঞ্চৰ সাধাৰণ সম্পাদক প্ৰদীপ হাজৰিকাক 'সাহসিকতাৰ সাংবাদিক' হিচাপে বঁটা প্ৰদান কৰে। পিছত সংবাদসেৱী ক্ৰমে বিপিন হাজৰিকা আৰু দিলীপ শইকীয়াই সূত্ৰধৰা সাংস্কৃতিক অনুষ্ঠানত বিশিষ্ট যুৱ সংগীত শিল্পী ক্ৰমে ৰাছিম আয়ান, মাধৱ ৰঞ্জন আৰু বৰষাৰাণী শইকীয়াৰ কণ্ঠৰে গীতৰ শৰাই আগবঢ়ায়। অনুসূচিত জাতি যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সম্পাদক সুনীল দাস, তথ্য আৰু সাহিত্য সম্পাদক দিব্য দাস, নাজিৰা জিলা অনুসূচিত জাতি পৰিষদৰ সভাপতি অৰূপ দাসকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থকা উক্ত অনুষ্ঠানতে নাওখেলৰ বিজয়ী প্ৰতিযোগী সকলক ১৫ হাজাৰ, ১০ হাজাৰ, ৫ হাজাৰ টকাৰ প্ৰাইজমণি সহ চলন্ত বঁটা প্ৰদান কৰা হয়।

## হত্যাকাণ্ডৰ গোচৰত উত্তৰ গুৱাহাটীৰ একে পৰিয়ালৰ চাৰিজনক যাৱজ্জীৱন কাৰাদণ্ড

**অসম বাৰ্তা, উত্তৰ গুৱাহাটী, ১৮ জানুৱাৰী ঃ** দীৰ্ঘদিনীয়া আইনী প্ৰক্ৰিয়াৰ অন্তত শনিবাৰে ৰঙিয়া অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ আদালতে এক নৃশংস হত্যাকাণ্ডৰ গোচৰত গুৰুত্বপূৰ্ণ ৰায়দান কৰে। ২০১৮ চনত উত্তৰ গুৱাহাটীত সংঘটিত এটি নৃশংস হত্যাকাণ্ডৰ বিচাৰ কৰি আদালতে একেটি পৰিয়ালৰ চাৰিজন সদস্যক যাৱজ্জীৱন কাৰাদণ্ডৰ নিৰ্দেশ দিয়ে। আদালতৰ দ্বাৰা দোষী সাব্যস্ত হোৱা লোককেইজন হ'ল উত্তৰ গুৱাহাটীৰ ডেকাবাৰী গাঁৱৰ তফাইল আহমেদ, ইলিজা বেগম, ৰুকিয়া চিদ্দিকা আৰু লুতফুৰ ৰহমান। ঘটনাৰ সূত্ৰপাত হৈছিল ২০১৮ চনৰ ১৬ জানুৱাৰীৰ নিশা প্ৰায় ৯ঃ৩০ মান বজাত ডেকাবাৰী গাঁৱৰ নিবাসী তমজিদ আলী নামৰ এজন ব্যক্তিক হত্যা কৰাৰ অভিযোগ উত্থাপিত হৈছিল। ইয়াৰ পাছতে ভুক্তভোগী পৰিয়ালে বাইহাটা চাৰিআলি আৰক্ষী থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত ২৪/১৮ নম্বৰৰ এক গোচৰ ৰুজু কৰা হৈছিল। পৰৱৰ্তী সময়ত ৰঙিয়া অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ আদালতত ভাৰতীয় দণ্ডবিধিৰ ৩০২/৩৪ ধাৰাৰ অধীনত ৬৩/১৮ নম্বৰত এই গোচৰটোৰ বিচাৰ চলি থাকে। সাক্ষী আৰু তথ্য-প্ৰমাণৰ পুংখানুপুংখ বিশে-ষণৰ অন্তত আদালতে আটাইকেইগৰাকী অভিযুক্তক দোষী সাব্যস্ত কৰে। কাৰাদণ্ডৰ লগতে আদালতে প্ৰতিগৰাকী অপৰাধীক ১০ হাজাৰ টকাকৈ জৰিমনাও বিহে। আনহাতে, চৰকাৰী পক্ষৰ অধিবক্তা দেৱজিৎ শইকীয়াই জানিবলৈ দিয়ে যে ন্যায়ালয়ে মানৱীয় দৃষ্টিভংগীৰে ভুক্তভোগী পৰিয়ালটোক জিলা আইন সেৱা প্ৰাধিকৰণৰ জৰিয়তে ১ লাখ টকাৰ এক আৰ্থিক ক্ষতিপূৰণ আগবঢ়াবলৈও নিৰ্দেশ জাৰি কৰিছে। এই কঠোৰ ৰায়ে অঞ্চলটোৰ অপৰাধীৰ বিৰুদ্ধে এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিছে।

### ▪ তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব সমাৰোহভাগি ▪

## নকছাৰিত পূব যোৰহাট আঞ্চলিক মইনা পাৰিজাতৰ ৩৪ সংখ্যক শিশু সমাৰোহৰ প্ৰস্তুতি

**অসম বাটত, নকছাৰি, ১৮ জানুৱাৰী ঃ** কণকণ শিশু সকল আমাৰ দেশৰ ভৱিষ্যত নাগৰিক। এই শিশু সকলৰ সৰ্বাংগীণ উন্নতিৰ উমৈহতীয়া অনুষ্ঠান হৈছে মইনা পাৰিজাত। গীত মাত, নৃত্য, ক্ৰীড়া, শিক্ষা, সংস্কৃতি, বক্তৃতা দিয়া আদি সকলো দিশতে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে মইনা পাতিজাতে। 'আমি পোহৰ বিচাৰি যাওঁ' এই বাণী সৰোগত কৰি শিশু সকল আগবাঢ়ি যায় পোহৰৰ দিশে। সদৌ অসম মইনা পাৰিজাতৰ যোৰহাট জিলা মইনা পৰিজাতৰ অন্তৰ্গত পূব যোৰহাট আঞ্চলিক সমিতিখনি মৰিয়নি সমষ্টিৰ অন্তৰ্গত এলেকাত অৱস্থিত। এই অঞ্চলিকৰ অন্তৰ্গত প্ৰায় ৬০ খন শাখা মইনা পাৰিজাত আছে। মৰিয়নিৰ কোঠালগুৰিৰ পৰা নকছাৰিৰ সমূহ গাঁৱৰ লগতে লাহিং, চেলেং, বলমা লৈকে এই আঞ্চলিকখন অৱস্থিত। পূব যোৰহাট আঞ্চলিক মইনা পাৰিজাতৰ ৩৪ সংখ্যক শিশু সমাৰোহখনিৰ এইবাৰ লাহদৈগড় মৰাণ গাঁৱ, ৰজাবাৰী, উজনি ৰজাবাৰী আৰু পুঠিনদী গোহাঁই গাঁৱৰ ক্ৰমে জোনালী, কুঁহি আৰু অংকুৰজ্যোতি মইনা পাৰিজাত তথা স্থানীয় ৰাইজৰ আদৰ-অভ্যৰ্থনাত অহা ২৩, ২৪ আৰু ২৫ জানুৱাৰী' ২০২৬ তাৰিখে "বুৰঞ্জীবিদ সমাজহিতৈষী সোণাধৰ গগৈ সোঁৱৰণী সমন্বয় ক্ষেত্ৰ" লাহদৈগড় মৰাণ গাঁও খেলপথাৰত অনুষ্ঠিত হ'ব। এই সমাৰোহ ভাগিত প্ৰায় চল্লিছ খনতকৈও অধিক শাখা মইনা পাৰিজাতৰ মইনা, মাইনি সকলে অংশগ্ৰহণ কৰিব। আদৰণি সমিতিৰ সভাপতি চিদানন্দ গগৈ আৰু সম্পাদক নৱদীপ গগৈয়ে শিশু সমাৰোহৰ প্ৰতিটো কাৰ্যসূচীতে শিশুপ্ৰেমী সুধীজনৰ সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে।

### বড়মপুৰ ক্লাৱ লীগ ক্ৰিকেট

## আই জি স্পৰ্টছ ক্লাৱৰ জয়লাভ

**অসম বাৰ্তা, পুৰণিগুদাম, ১৮ জানুৱাৰী ঃ** নগাঁও জিলাৰ বড়মপুৰ ঠগী সূত ক্ৰীড়া প্ৰকল্পত থকা ক্ৰিকেট খেলপথাৰত চলি থকা ক্লাৱ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা খেলত আই জি স্পৰ্টছ ক্লাৱে কঠীয়াতলি ১১ ষ্টাৰক পৰাজিত কৰে। আই জি স্পৰ্টছ ক্লাৱে নিৰ্ধাৰিত ৩০ অভাৰত ৪ উইকেটৰ বিনিময়ত ২৪৭ ৰাণ কৰাৰ বিপৰীতে কঠীয়াতলি ১১ ষ্টাৰে নিৰ্ধাৰিত অভাৰত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ৬৪ ৰাণ কৰিবলৈহে সক্ষম হয়। খেলখনত আই জি স্পৰ্টছ ক্লাৱৰ পিণ্টু দাসে শ্ৰেষ্ঠ খেলুৱৈ আৰু শ্ৰেষ্ঠ বেটছমেনৰ খিতাপ অৰ্জন কৰাৰ লগতে একে দলৰে অভিজিত বৰাই শ্ৰেষ্ঠ বলাৰৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়। পিণ্টু দাসে ৮৫টা বলত ৯৫ ৰাণ কৰি নট আউট হৈ থাকে। অহা কালিলৈ খেলখন চলচলি ৰাইন'জ ক্লাৱ আৰু প্ৰিয়ংকা ১১ মাজত অনুষ্ঠিত হ'ব।



### অগ্নিদগ্ধ হৈ অন্ধ মহিলাৰ মৃত্যু

## গৰৈমাৰীৰ দীঘলডোৱা চৰত বিধ্বংসী অগ্নিকাণ্ডত ৫টা ঘৰ ভস্মীভূত

**অসম বাৰ্তা, গৰৈমাৰী, ১৮ জানুৱাৰী ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ দীঘলডোৱাত কালি সন্ধিয়া বিধ্বংসী অগ্নিকাণ্ডত দৰিদ্ৰ পৰিয়াল এগৰাকীৰ ৫টা ঘৰ সম্পূৰ্ণৰূপে ভস্মীভূত হোৱাৰ লগতে অগ্নিদগ্ধ হৈ অন্ধ বিধৱা মহিলা এগৰাকীৰ কৰুণ মৃত্যু হয়। জানিব পৰামতে দীঘলডোৱাৰ চৰৰ তৈমুদ্দিনৰ ৰান্ধনি ঘৰৰ জুইশালৰ পৰা কালি সন্ধিয়া প্ৰায় ৬-৩০ বজাত আকস্মিকভাৱে জুইৰ সূত্ৰপাত ঘটে। জুইৰ লেলিহান শিখাই ওচৰৰ আন চাৰি ঘৰ আগুৰি লয়। ফলত দৰিদ্ৰ পৰিয়ালটোৰ চাৰিটা টিনপাতৰ ঘৰৰ লগতে এটা খেৰৰ ঘৰ নিমিষতে ভস্মীভূত হয়। বিধ্বংসী অগ্নিকাণ্ডত পৰিয়ালটোৰ প্ৰয়োজনীয় নথিপত্ৰ, নগদ ১৬ হেজাৰ টকা, ধান, হাঁহ-কুকুৰাৰ লগতে পাঁচটা ভেড়া-ছাগলী অগ্নিদগ্ধ হৈ মৃত্যু হয়। অগ্নিকাণ্ডত দৰিদ্ৰ পৰিয়ালটোৰ ৫ লক্ষাধিক টকাৰ সা-সম্পত্তি জুইত জাহ যায়। ইপিনে অগ্নিকাণ্ডৰ সময়ত ঘৰৰ ভিতৰত আৱদ্ধ হৈ পৰাত তৈমুদ্দিনৰ বিধৱা অন্ধ কন্যা কৰফুল নেছা (৩৫) অগ্নিদগ্ধ হৈ গুৰুতৰভাৱে আহত হয়। অগ্নিদগ্ধ মহিলাগৰাকীক গৰৈমাৰী সামূহিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰায় যদিও প্ৰাথমিক চিকিৎসাৰ অন্তত চিকিৎসকে সংকটজনক অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে যদিও মহিলাগৰাকীৰ চিকিৎসাধীন অৱস্থাত আজি পুৱা মৃত্যু হয়। মহিলাগৰাকীৰ কৰুণ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

## তিনিচুকীয়াৰ হিজুগুৰি ভিআইপি ৰোডত ভয়ংকৰ অগ্নিকাণ্ড

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১৮ জানুৱাৰী ঃ** বাণিজ্যিক চহৰ তিনিচুকীয়াৰ হিজুগুৰি ভিআইপি ৰোডস্থিত এটা ফৰ্ম ফেক্টৰীত আজি সন্ধিয়া প্ৰায় ৭-০০ বজাত এক ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। বিতু শ্বাহ নামৰ ব্যক্তিজনৰ ফেক্টৰীত সংঘটিত হয় উক্ত অগ্নিকাণ্ডৰ ঘটনা। ঘটনাৰ খবৰ পোৱাৰ পাছতেই অগ্নিনিৰ্বাপক বাহিনীৰ পাঁচখনকৈ গাড়ী ঘটনাস্থলীত উপস্থিত হৈ জুই নিৰ্বাপন কৰিবলৈ চেষ্টা কৰে। অগ্নিকাণ্ডৰ ফলত কোনো লোক হতাহত হোৱা নাই বুলি জানিব পৰা গৈছে যদিও অগ্নিকাণ্ডৰ কাৰণ জানিব পৰা হোৱা নাই।

## পঃৰাগ উৎসৱলৈ লেখা আহ্বান

**অসম বাৰ্তা, উজনী মাজুলী, ১৮ জানুৱাৰী ঃ** উজনী মাজুলীৰ হাতীমুৰীয়া গাঁৱৰ পঃৰাগ উৎসৱ -২০২৬ ৰ সংগতি ৰাখি উদ্‌যাপন সমিতিৰ আৰু ৰাইজৰ সহযোগত এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰাৰ দিহা কৰিছে। গতিকে সুহৃদ লেখক- সাহিত্যনুৰাগী আৰু লিখনিৰ প্ৰতি আগ্ৰহী ব্যক্তিসকলে মিচিং সমাজৰ ধৰ্মীয় বিশ্বাস, ৰীতি-নীতি আৰু প্ৰথা-পৰম্পৰা, জীৱনধাৰা পদ্ধতিৰ লগতে কবিতা, গল্প আৰু উপন্যাস আদিত অসমীয়া আৰু মিচিং ভাষাত অহা ইংৰাজী ১০ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখৰ ভিতৰত স্মৃতিগ্ৰন্থ উপ-সমিতি সম্পাদক ভাস্কৰজ্যোতি কুটুমৰ লগত যোগাযোগ কৰি প্ৰেৰণ কৰিব পাৰিব। তদুপৰি ৬০০৫ ০১২৫৮১ হোৱাটছ্এপ নম্বৰ আৰু bhaskarkutum84442@gmail.com ইমেইলত প্ৰেৰণ কৰিবলৈ অনুৰোধ জনাইছে।

## ডিব্ৰুগড়ৰ বাণীপুৰ শাখা সাহিত্য সভা আৰু মহিলা সমিতিৰ উদ্যোগত শিল্পী দিৱস পালন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৮ জানুৱাৰী ঃ** ৰাজ্যৰ বিভিন্ন ঠাইৰ লগতে ডিব্ৰুগড়ৰ বাণীপুৰ শাখা সাহিত্য সভা আৰু বাণীপুৰ মহিলা সমিতিৰ যুটীয়া উদ্যোগত বিস্তৃত কাৰ্যসূচীৰে শিল্পী দিৱস পালন কৰা হয়। এই সভাত সভাপতিত্ব কৰে গুণকান্ত শইকীয়াই। সভাপতি সহিত বিশিষ্ট লোকসকলে আসন গ্ৰহণ কৰাৰ পিছতে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শাখা সভাৰ সম্পাদিকা ড° দিব্যজ্যোতি বৰাই। পৰৱৰ্তী কাৰ্যসূচী হিচাপে বন্তি প্ৰজ্বলন কৰা হয়। ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা, ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে তৰুণ কুমাৰ গগৈ, অমৃত কুমাৰ শইকীয়া, দীপক কুমাৰ দত্ত। ইন্দ্ৰ গগৈয়ে ৰূপকোঁৱৰৰ জীৱন আৰু কৰ্ম সম্পৰ্কে সাৰগৰ্ভ বক্তব্য আগবঢ়ায়। পৰৱৰ্তী কাৰ্যসূচীত বাণীপুৰ মহিলা সমিতিৰ সদস্যকলে সমবেত সংগীত, জ্যোতি সংগীত, কবিতা আবৃত্তি, নৃত্য ইত্যাদি প্ৰদৰ্শন কৰে। বাণীপুৰ শাখা সাহিত্য সভাৰ সভাপতি অজয় কুমাৰ দত্তই জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন দৰ্শন সম্পৰ্কে আলোকপাত কৰি সকলোকে আপ্লুত কৰে। এই সভাতেই 'স্বৰ্ণ শাখাৰ' মৰ্যাদা পাবলৈ গৈ থকা বাণীপুৰ শাখা সাহিত্য সভাৰ আজীৱন সদস্যসকলক 'স্নেহপত্ৰ' প্ৰদান কৰা হয়। সম্পাদক ড° দিব্যজ্যোতি বৰাই আগবঢ়োৱা কৃতজ্ঞতা জ্ঞাপনেৰে অনুষ্ঠানৰ সফল পৰিসমাপ্তি ঘটে। অনুষ্ঠানত তৰুণ কুমাৰ গগৈ, ইন্দ্ৰ গগৈ, দীপক দত্ত, পদ্মা শইকীয়া খনিকৰ, অমৃত কুমাৰ শইকীয়া, বাণীপুৰ মহিলা সমিতিৰ সভানেত্ৰী হিৰণ্য দত্ত (ঊষা), বাণীপুৰ মহিলা সমিতিৰ সম্পাদিকা পূৰবী চাংমাই বৰুৱাসহিতে প্ৰায় শতাধিক ব্যক্তি উপস্থিত থাকি শিল্পী দিৱস উদ্‌যাপন সাফল্যমণ্ডিত কৰি তোলে।

# আজলী আই বাৰ্ষিক থান সেৱা উৎসৱ সম্পন্ন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১৮ জানুৱাৰী ঃ** মায়ামৰা সমাজৰ আদ্যগুৰু অনিৰুদ্ধদেৱৰ মাতৃ, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভগ্নী আজলী আইৰ থানত বাৰ্ষিক সেৱা উৎসৱ পহিলা মাঘত অনুষ্ঠিত হয়। ঐক্য, শান্তি আৰু প্ৰগতিক মূল লক্ষ্য হিচাপে লৈ আজলী আয়ে ষোড়শ শতিকাৰ মাজভাগত শংকৰদেৱৰ আদৰ্শক প্ৰচাৰ-প্ৰসাৰৰ উদ্দেশ্যে মাজুলীৰ লগতে উজনি অসমত, বিশেষকৈ নাৰী সমাজক নেতৃত্ব দি সংস্কাৰ আন্দোলনৰ গুৰি বঠা ধৰিছিল। আজলী আয়ে ৰত্নগৰ্ভা মাজুলীৰ পূবপ্ৰান্তত অৱস্থিত মেখেলী গাঁৱৰ নিচেই সমীপত ঘন জংঘলত আশ্ৰমসদৃশ পৰিৱেশত পুত্ৰসকলৰ সহযোগত সত্ৰ প্ৰতিষ্ঠা কৰিছিল। আজলী আইৰ কৰ্মসংস্কৃতিৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি তেওঁৰ মহা প্ৰস্থানৰ সময়ৰে পৰা মায়ামৰা সমাজখনে আজলী আইৰ সমখধিস্থলত ধূপ-বন্তি জ্বলাই শৰাই নৈবেদ্য আগবঢ়াই থান উৎসৱ পালন কৰি আহিছে। এই বছৰো আজলী আই থান সত্ৰ পৰিচালনা আৰু উন্নয়ন সমিতিয়ে থান সেৱা উৎসৱ পালন কৰে। সেই উদ্দেশ্যে বন্তিপ্ৰজ্বলন কৰে মায়ামৰা সমাজৰ গাঁওবুঢ়া পোৱাল দাস পাঠেকীয়ে। ধৰ্মধ্বজা উত্তোলন কৰে শশীধৰ দাস গাঁওবুঢ়াই। জুবিন গাৰ্গৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি সন্মুখত বন্তি প্ৰজ্বলন কৰে অধ্যাপক বিনোদ দাসে। আধ্যাত্মিক আৰু সাংস্কৃতিক মঞ্চ উন্মোচন কৰে অধিকাৰ পৰশুত্তমানন্দ চন্দ্ৰ গোস্বামীয়ে। গছপুলি ৰোপণ কৰে বৈষ্ণৱ যোগেশ্বৰ দাস, চন্দ্ৰ দাস, পদ্ম দাস, বসন্ত তামুলী, গোপীধৰ তামুলীয়ে। সন্মানীয় অতিথি হিচাপে অধিকাৰ মুকুন্দানন্দ চন্দ্ৰ গোস্বামী, পৰিদৰ্শক পোৱাল হাজৰিকা, গাঁওবুঢ়াসকলে অংশগ্ৰহণ কৰে। দিহানাম পৰিৱেশন কৰে আইসকলে। জনম কাশ্যপ, কমল দাস, দেৱৰাগে গীত পৰিৱেশন কৰে। গায়ন-বায়ন, ভক্তি গীত পৰিৱেশন কৰে বুলি সমিতিৰ সভাপতি কুমুদ চন্দ্ৰ দাস, সম্পাদক প্ৰহ্লাদ দাসে জনাইছে।

### ❑ কণমানি মান্যতাৰ তৎপৰতাৰ বাবেই জুইৰ কৱলৰ পৰা ৰক্ষা পৰিল দুখনকৈ গাঁও ❑

# চেলেংহাটৰ পদুমনিত পথাৰৰ নৰানিত জুই



**অসম বাৰ্তা, আমগুৰি, ১৮ জানুৱাৰী ঃ** এগৰাকী কণমানিৰ বাবে যোৰহাট জিলাৰ চেলেংহাটৰ কঠালবৰীয়া ৰাজহ গাঁৱৰ অন্তৰ্গত দুখনকৈ গাঁও জুইৰ কৱলৰ পৰা ৰক্ষা পৰিল। জানিব পৰা মতে পদুমনি জাপিসজীয়া, পানীগাঁও আৰু বেলতল জাপিসজীয়া গাঁৱৰ মাজত অৱস্থিত নৰানি পথাৰৰ দিনৰ দুইমান বজাত হৰ্থাৎ জুই লাগে। পথাৰৰ মাজত উৎপত্তি হোৱা জুয়ে তাৎক্ষণিকভাৱে এটা বৃহৎ অঞ্চল সামৰি পদুমনি জাপিসজীয়া গাঁৱৰ দিশে অগ্ৰসৰ হয়। পদুমনি জাপিসজীয়া গাঁৱৰ পুৰুষ মহিলা আৰু যুৱক-যুৱতীয়ে এঘণ্টাৰো অধিক সময় যুঁজি জুই নিৰ্বাপন কৰিবলৈ সক্ষম হয়। পৰৱৰ্তী সময়ত কাষৰীয়া বেলতল জাপিসজীয়া গাঁৱৰো লোক ঘটনাস্থলীত উপস্থিত হয়। আনহাতে চেলেংহাট আৰক্ষী চকীৰ যোগেদি অগ্নি নিৰ্বাপক বাহিনীক খবৰ দিয়াত টীয়কস্থিত অগ্নি নিৰ্বাপক বাহিনীৰ বাহন ঘটনাস্থলীত উপস্থিত হয় যদিও ইতিমধ্যে জুই নিৰ্বাপন কৰে স্থানীয় ৰাইজে। অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হৈ পৰীক্ষা কৰাৰ অন্তত জুই সম্পূৰ্ণৰূপে নিৰ্বাপিত হোৱা বুলি নিশ্চিত কৰে। অগ্নি নিৰ্বাপক বাহিনীৰ ভাষ্য অনুসৰি জুয়ে প্ৰায় পোন্ধৰ বিঘা মাটি আগুৰি ধৰিছিল। উল্লেখ্য যে এজনী কণমানি ছোৱালী মান্যতাৰ তৎপৰতাৰ বাবেই এটা সম্ভাব্য বিপদৰ পৰা দুই তিনিখন গাঁৱৰ লোক ৰক্ষা পৰে। দুপৰীয়াৰ আহাৰ গ্ৰহণৰ পিছত ঘৰৰ বাৰীৰে সংযোগ হৈ থকা পথাৰলৈ গৈ জুইৰ লেলিহান শিখা প্ৰত্যক্ষ কৰি আঠ বছৰীয়া মান্যতাই দৌৰি গৈ বায়েকক খবৰ দিয়ে। তাৰ পাছতেই চিঞৰ বাখৰৰ সৃষ্টি হয়। লগে লগে সকলোৱে হাতে হাতে সা সঁজুলি লৈ জুই নুমুৱাবলৈ চেষ্টা কৰে। ভাগ্যে সেই সময়ত পথাৰত বতাহৰ মাত্ৰ অতি কম আছিল। মান্যতাৰ সাহসীকতা আৰু উপস্থিত বুদ্ধিক সকলোৱে একেমুখে শলাগ লৈছে।

# সেনাৰ নিয়ন্ত্ৰণত অগ্নিগৰ্ভা

হাইস্কুলত আদিবাসী সম্প্ৰদায়ৰ ৯৯টা পৰিয়ালৰ শিশু, মহিলা, বৃদ্ধকে ধৰি ৪৬৩ গৰাকী লোকে আশ্ৰয় গ্ৰহণ কৰিছে। ইপিনে গৌজানপুৰী-আমিনপাৰা এলপি স্কুলৰ খেলপথাৰ, হলদিবাৰী এলপি স্কুল, ৬নং বাশবাৰী এলপি স্কুল আৰু আউডাং বজাৰত থকা চাৰিটা বড়ো সম্প্ৰদায়ৰ শিবিৰত ২৪৬৬ গৰাকী লোকে আশ্ৰয় গ্ৰহণ কৰি আছে। ইয়াৰে গৌজানপুৰী-আমিনপাৰা এলপি স্কুলৰ খেলপথাৰত থকা বড়ো সম্প্ৰদায়ৰ লোকলোকলে মুকলি আকাশৰ তলত আশ্ৰয় গ্ৰহণ কৰি আছে আৰু শীতৰ পৰা পৰিত্ৰাণ পাবলৈ দখনা টানি লৈছে। উল্লেখ্য যে কালি কাৰিগাঁও এলেকাত সংঘটিত হোৱা হিংসাত্মক ঘটনাৰ পিছত আজি সেনাই অঞ্চলটোত ফ্লেগমাৰ্চ কৰে। জিলা আয়ুক্ত পংকজ চক্ৰবৰ্তীয়ে সদৰি কৰা মতে সেনাবাহিনীৰ এটা কোম্পানী কোকৰাঝাৰত উপস্থিত হৈছে আৰু ৰেপিড একচন ফৰ্চো উপস্থিত হৈছে। যিমানদূৰ সম্ভৱ অতি সোনকালে আশ্ৰয় শিৱিৰত থকা লোকসকলক নিজ নিজ ঘৰলৈ পঠিওৱা হ'ব বুলিও মন্তব্য কৰিছে জিলা আয়ুক্ত পংকজ চক্ৰবৰ্তীয়ে। আনহাতে অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান (আইন শৃংখলা) অখিলেশ সিং আৰু বিটিচিৰ আৰক্ষী মহাপৰিদৰ্শক বিবেকৰাজ সিঙে আজি কাৰিগাঁও এলেকাত থকা আশ্ৰয় শিৱিৰসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লোৱাৰ লগতে আশ্ৰয় শিবিৰত থকা লোকসকলৰ অভাৱ-অভিযোগ শুনে। আশ্ৰয় শিবিৰত থকা লোকসকলে অভিযোগ কৰা মতে প্ৰশাসনে দুৰ্ষ্কাৰ্যমূলক ঘটনাসমূহ চলি থকাৰ সময়ত কোনোধৰণৰ কাৰ্যব্যৱস্থা নোলোৱাৰ বাবেই ঘটনাই অধিক ভয়ংকৰ ৰূপ ল'লে। প্ৰশাসনৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি আশ্ৰয় শিবিৰত থকা একাংশ লোকে অতি শীঘ্ৰে ক্ষতিপূৰণ আৰু পুনৰসংস্থাপনৰ দাবী জনাইছে। তদুপৰি জীৱন, সা-সম্পত্তিৰ সুৰক্ষা-নিৰাপত্তা বিচাৰিছে ভুক্তভোগী লোকসকলে। দুয়ো জনগোষ্ঠীৰ ডজনাধিক ঘৰ-বাৰী জ্বলি ছাই হোৱাৰ লগতে দুয়ো জনগোষ্ঠীৰ সা-সম্পত্তি, নথি-পত্ৰ জ্বলি ছাই হৈছে বুলি মন্তব্য কৰি আশ্ৰয় শিবিৰত থকা একাংশ লোকে সন্তানৰ এডমিট পৰ্যন্ত জ্বলি ছাই হোৱাত পৰীক্ষাৰ্থীসকল সমস্যাত পৰিছে বুলি উল্লেখ কৰে। এনে এক পৰিৱেশৰ মাজতে কাৰিগাঁও আশ্ৰয় শিৱিৰত এগৰাকী প্ৰসূতিয়ে সন্তান জন্ম দিয়ে আৰু আজি প্ৰসূতি আৰু নৱজাতকক প্ৰশাসনে চিকিৎসালয়ত ভৰ্তি কৰে। তদুপৰি আন এগৰাকী আহত লোককো প্ৰশাসনে চিকিৎসালয়ত ভৰ্তি কৰে। প্ৰচণ্ড ঠাণ্ডাৰ পৰিপ্ৰেক্ষিতত আশ্ৰয় শিবিৰত থকা শিশু, মহিলা, ৰুগীয়া, বৃদ্ধ লোকৰ হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে আৰু অন্ন-বস্ত্ৰ, বাসস্থানৰ অভাৱত আশ্ৰয় শিবিৰত থকা লোকসকলৰ দুৰ্ভোগৰ সীমা নোহোৱা হৈছে। এনে এক পৰিস্থিতিৰ মাজতে আজি মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, এবছুৰ সভাপতি দ্বীপেন বড়ো, আছা, চাওঁতাল সন্থাৰ নেতৃবৰ্গ, ইউপিপিএলৰ সাধাৰণ সম্পাদক ৰাজু নাৰ্জাৰীৰ নেতৃত্বত ইউপিপিএলৰ এটা প্ৰতিনিধি দলে আশ্ৰয় শিৱিৰসমূহ পৰিদৰ্শন কৰে। ইয়াৰোপৰি বিভিন্ন দল-সংগঠনৰ নেতৃবৰ্গয়ো পৰিস্থিতিৰ বুজ ল'বলৈ আৰু শান্তিৰ বাণী লৈ আশ্ৰয় শিবিৰসমূহ পৰিদৰ্শন কৰে। ইপিনে আশ্ৰয় শিবিৰসমূহ পৰিদৰ্শন কৰি মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই কয় যে সমগ্ৰ ঘটনাটো দুৰ্ভাগ্যজনক আৰু চৰকাৰ-প্ৰশাসনে শান্তি ঘূৰাই অনাৰ চেষ্টাত ব্ৰতী হৈছে। সংঘৰ্ষ যাতে বিয়পি নাযায় তাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু বৰ্তমান অঞ্চলটোত শান্তি বিৰাজ কৰিছে। কিহৰ বাবে ঘটনাটো সংঘটিত হ'ল তাৰ তদন্ত চৰকাৰে কৰিব বুলি মন্তব্য কৰি উৰ্খাও গৌৰা ব্ৰহ্মই কয় যে পুৰণি কালৰে পৰা কাৰিগাঁও অঞ্চলত বড়ো আৰু আদিবাসী সম্প্ৰদায়ে মিলাপ্ৰীতিৰে বসবাস কৰি আহিছিল। কালিৰ ঘটনাটো স্থানীয় লোকে বিচৰা নাছিল, কিন্তু বাহিৰৰ পৰা আহি একাংশ লোকে আহি কৰা বুলি অভিযোগ আছে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰি চৰকাৰে সেই বিষয়তো তদন্ত কৰিব বুলি মন্তব্য কৰিছে উৰ্খাও গৌৰা ব্ৰহ্মই। বৰ্তমান শান্তি ঘূৰাই অনা আৰু পাৰস্পৰিক বুজাবুজি, ভাতৃত্ববোধ বৰ্তাই ৰখাটো অতীৱ প্ৰয়োজনীয় আৰু এই বিষয়ত এবছু, আছা, চাওঁতাল ছাত্ৰ সন্থা, সাহিত্য সভা আৰু আন জাতীয় সংগঠনসমূহে নিৰৱচ্ছিন্নভাৱে কাম কৰি থকা দেখিবলৈ পোৱা গৈছে বুলি মন্তব্য কৰে মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই। তদুপৰি আশ্ৰয় শিবিৰ সমূহত পৰ্যাপ্ত পৰিমাণে ৰেচন যোগান ধৰিবলৈ নিৰ্দেশনা দিয়া হৈছে বুলি সদৰি কৰিছে মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই। আনহাতে এবছুৰ সভাপতি দ্বীপেন বড়োৱে আশ্ৰয় শিবিৰসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লৈ শান্তিৰ হকে কাম কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। তেওঁ সংবাদমাধ্যমৰ আগত কয় যে কালি শান্তিপূৰ্ণ প্ৰতিবাদৰ পিছত হিংসাত্মক ঘটনা সংঘটিত হৈছিল। দুষ্কৃতিকাৰীয়ে চাওঁতালসকলৰ কেবাটাও ঘৰ জ্বলাই দিয়াৰ পিছত বড়োসকলৰো কেবাটাও ঘৰ জ্বলাই দিয়ে। কালি সন্ধিয়াই পৰিস্থিতি নিয়ন্ত্ৰণত আহে আৰু পৰিৱেশ স্বাভাৱিক কৰিবলৈ চৰকাৰ প্ৰশাসন, এবছুৰ লগতে আন দল-সংগঠন সকলোৱে প্ৰচেষ্টা কৰে। পুনৰাই যাতে আক্ৰমণ-প্ৰত্যাক্ৰমণ নহয় তাৰ বাবে সকলোৰে প্ৰতি আহ্বান জনাই দ্বীপেন বড়োৱে কয় যে কালিৰ ঘটনাটো কোনো বড়ো-আদিবাসীৰ সংঘাত নাছিল নতুবা এয়া কোনো গোষ্ঠী সংঘৰ্ষও নহয়। ঘটনাটো আছিল এটা হত্যাকাণ্ড আৰু দুষ্কৃতিকাৰীয়ে ৰাজা বসুমতাৰীক হত্যা কৰিছিল। হত্যাকাৰীয়ে শাস্তি পাবই লাগিব বুলি মন্তব্য কৰি মৃতকৰ পৰিয়ালক ২০ লাখ টকাৰ ক্ষতিপূৰণ আৰু নিকটাত্মীয়ক এটা চৰকাৰী চাকৰি দিবলৈ দাবী জনোৱাৰ সমান্তৰালভাৱে নিহত সুনীল মুৰ্মুৰ পৰিয়াললৈও আৰ্থিক সাহায্যৰ দাবী উত্থাপন কৰিছে। আশ্ৰয় শিবিৰত এতিয়াও দখনা টানি আশ্ৰয় ল'বলগীয়া পৰিস্থিতিত অসন্তুষ্টি প্ৰকাশ কৰি দ্বীপেন বড়োৱে অতি সোনকালে সাহায্য আৰু পুনৰসংস্থাপন দিবলৈ দাবী জনাইছে। তদুপৰি ভাওৰাগুৰি অঞ্চলত আৰক্ষী চকী স্থাপনৰ দাবী জনাই এবছুৰ সভাপতি দ্বীপেন বড়োৱে সকলোকে পূৰ্বৰ দৰে ভাতৃত্ববোধ বৰ্তাই ৰাখিবলৈ আহ্বান জনাইছে। আনহাতে ইউপিপিএলৰ সাধাৰণ সম্পাদক ৰাজু নাৰ্জাৰীয়ে সকলোকে শান্তি-সম্প্ৰীতি বৰ্তাই ৰাখিবলৈ আহ্বান জনাই আশ্ৰয় শিবিৰত পৰ্যাপ্ত পৰিমাণে ৰেচন যোগান ধৰাৰ লগতে সাহায্য আৰু পুনৰ সংস্থাপনৰ দিশটো ত্বৰান্বিত কৰিবলৈ চৰকাৰ-প্ৰশাসনৰ প্ৰতি আহ্বান জনাইছে। ইফালে বিটিচি অঞ্চলৰ শেহতীয়া উত্তপ্ত পৰিস্থিতি সন্দৰ্ভত আজি বিটিচিৰ সচিবালয়ত এখন গুৰুত্বপূৰ্ণ শান্তি বৈঠক অনুষ্ঠিত হয়। মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰী, বিধায়ক লৰেঞ্চ ইছলাৰীসহ বিভিন্ন জাতীয় দল-সংগঠনৰ নেতৃত্বই অংশগ্ৰহণ কৰে। বৈঠকৰ অন্তত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কয় যে কিছু ভুল বুজাবুজিৰ বাবেই যোৱা দুদিনত কিছু দুৰ্ভাগ্যজনক ঘটনা সংঘটিত হ'ল। এতিয়া বিটিচি অঞ্চলৰ বিকাশ আৰু উন্নয়নৰ সময় বুলি মন্তব্য কৰি তেওঁ কয় যে এনে ঘটনা সংঘটিত হ'লে চৰকাৰে দুখ পায়। মুখ্যমন্ত্ৰী বাহিৰত থকা স্বত্বেও কোকৰাঝাৰৰ পৰিস্থিতিৰ বিষয়ে খা-খবৰ লৈ স্বাভাৱিক পৰিৱেশ ঘূৰাই আনিবলৈ প্ৰয়োজনীয় সকলো নিৰ্দেশনা দি আছে বুলিও মন্ত্ৰী মল্লবৰুৱাই সদৰি কৰে।

# উত্তৰ-পূৰ্বাঞ্চলক গোলকীয়

একত্ৰীকৰণ শক্তিত পৰিণত হৈছে, য'ত প্ৰতিটো খণ্ডই বিশ্ব পুঁজিৰ বাবে এক আকৰ্ষণীয় গন্তব্যস্থল। "অসমৰ বিষয়ে ক'বলৈ আমি এখন ভাল মঞ্চ লাভ কৰিছো। আগতে ভাৰতৰ অৰ্থ আছিল মাত্ৰ ৪-৫খন ৰাজ্য। কিন্তু আজি যেতিয়া অসমৰ দৰে ৰাজ্য ইয়ালৈ আহে আৰু প্ৰতিনিধিত্ব কৰে, আমি সমগ্ৰ ভাৰতৰ কথা কওঁ, কোনো এখন ৰাজ্য বা অঞ্চলৰ কথা নহয়। অসমৰ উপস্থিতিয়ে দেখুৱায় যে ৰাষ্ট্ৰই এতিয়া 'সমগ্ৰ ৰাষ্ট্ৰ'ৰ কথা কৈছে। "মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে দেশখন এতিয়া পৰম্পৰাগত অৰ্থনৈতিক কেন্দ্ৰৰ পৰা আগবাঢ়ি গৈছে। এতিয়া ভাৰত এনে এক স্থিতিত আছে য'ত যিকোনো ৰাজ্যই বিনিয়োগ আকৰ্ষণ কৰিব পাৰে বা আত্মস্থ কৰিব পাৰে, কিয়নো প্ৰতিটো অঞ্চলৰ নিজা অনন্য ঔদ্যোগিক শক্তি আছে। অসমৰ পৰম্পৰাগত খণ্ড যেনে চাহ আৰু হাইড্ৰ'কাৰ্বনৰ কথা উল্লেখ কৰি তেওঁ কয় যে এতিয়া উচ্চ প্ৰযুক্তি আৰু বহনক্ষম খণ্ডত গুৰুত্ব দিয়া হৈছে। "এতিয়া আমি সাৰ আৰু ৰাসায়নিক পদাৰ্থ, অৰ্ধপৰিবাহী, ইলেক্ট্ৰনিক্স, সেউজ শক্তি আৰু নতুন শক্তিৰ সমগ্ৰ পৰিৱেশতন্ত্ৰৰ বিষয়ে কথা পাতি আছো। অসমে বিশ্ব প্ৰেক্ষাপটত নিজৰ পৰিচয় দাঙি ধৰিছে। এই ভ্ৰমণক অত্যন্ত ফলপ্ৰসূ বুলি অভিহিত কৰি শৰ্মাই কয় যে অসমৰ প্ৰতিনিধি দলে বিশ্ব আৰু ৰাষ্ট্ৰীয় বিনিয়োগকাৰীসকলৰ সৈতে কেইবাখনো বৈঠক অনুষ্ঠিত কৰিছে। কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰিত কৰা হয়, যি ৰাজ্যখনৰ আন্তঃগাঁথনি আৰু ঔদ্যোগিক ক্ষমতা শক্তিশালী কৰিব। "এই সন্মিলনত, আমি বহুতো বিনিয়োগকাৰীক লগ পাইছো, বুজাবুজি চুক্তি স্বাক্ষৰ কৰিছো। গোটেই যাত্ৰাটো বহুত ফলপ্ৰসূ আছিল আৰু আমি ফলাফলত সুখী বুলি মুখ্যমন্ত্ৰী হিমন্তবিশ্ব শৰ্মাই উল্লেখ কৰে।"

# সমাগত গণৰাজ্য দিৱস!

অনুষ্ঠানসমূহৰ বাবে ব্যাপক প্ৰস্তুতি চলি আছে। জুবিন গাৰ্গৰ মায়াবিনী গীত আৰু অন্যান্য শিল্পীসকলৰ প্ৰদৰ্শনত উৎসাহ বাঢ়িছে। কিন্তু এই উৎসাহৰ মাজতে এক গুৰুতৰ দুখৱৰ আহিছে - সন্ত্ৰাসবাদী আক্ৰমণৰ সম্ভাৱনা। চোৰাংচোৱা সংস্থাসমূহৰ তথ্য অনুসৰি, পাকিস্তান ভিত্তিক সন্ত্ৰাসবাদী সংগঠন জেইছ-ঈ-মহম্মদ (JeM) আৰু আল-কায়দাৰ সৈতে জড়িত গোটসমূহে গণৰাজ্য দিৱসৰ দিনা বা তাৰ আগতে সমন্বিত আক্ৰমণৰ ষড়যন্ত্ৰ ৰচিছে। এই ষড়যন্ত্ৰক সন্ত্ৰাসবাদীসকলে '২৬-২৬' নাম দিছে। আক্ৰমণৰ সম্ভাব্য লক্ষ্যসমূহৰ ভিতৰত আছে দিল্লীৰ পেৰেড স্থান, অযোধ্যাৰ ৰাম মন্দিৰ, জম্মুৰ ৰঘুনাথ মন্দিৰ আৰু দেশৰ বিভিন্ন মন্দিৰ আৰু জনবহুল চহৰসমূহ। দিল্লী আৰু অন্যান্য চহৰসমূহত হাই এলাৰ্ট জাৰি কৰা হৈছে। নিৰাপত্তা ব্যৱস্থা অধিক কঠোৰ কৰি তোলা হৈছে - বহুতো কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী (CAPF)ৰ অতিৰিক্ত জোৱান মোতায়েন কৰা হৈছে, ৰেলৱে ষ্টেচন, বাছ ষ্টেণ্ড, বজাৰ আৰু জনবহুল স্থানত সন্ত্ৰাসবাদীৰ পোষ্টাৰ লগোৱা হৈছে। মক ড্ৰিল অনুষ্ঠান চলাই নিৰাপত্তা ব্যৱস্থা পৰীক্ষা কৰা হৈছে। চোৰাংচোৱা সংস্থাসমূহে জানিব পৰা মতে, এই আক্ৰমণৰ সৈতে জড়িত সন্ত্ৰাসবাদীসকলৰ নাম - মহম্মদ ৰেহান, মহম্মদ ওমৰ, আবু সুফিয়ান, মহম্মদ শাহীদ ফেজল, চৈয়দ মহম্মদ অৰ্ম্বিয়া, মহম্মদ ছৰজীল আখতাৰ আদি। ২০১৬ চনৰ পৰাই এই সংগঠনসমূহে এনে আক্ৰমণৰ প্ৰস্তুতি চলাই আহিছে। খালিস্তানী সংগঠন আৰু বাংলাদেশ ভিত্তিক গোটসমূহৰ সৈতেও যোগাযোগৰ খবৰ আছে। এই শংকাৰ মাজতে ২০২৫ চনৰ ২২ এপ্ৰিলৰ পহলগাম আক্ৰমণৰ স্মৃতি তাজা হৈছে। পহলগামত সন্ত্ৰাসবাদীয়ে ২৬জন পৰ্যটকক (অধিকাংশ হিন্দু) ধৰ্মৰ নামত পৃথক কৰি নিৰ্মমভাৱে গুলীয়াই হত্যা কৰিছিল। এই আক্ৰমণৰ পিছত ভাৰতে পাকিস্তানৰ সন্ত্ৰাসবাদী ঘাটিসমূহত অপাৰেশ্যন সিন্দূৰ চলাইছিল। ৭ মে'ৰ পৰা ১০ মে'লৈকে ৪ দিন ধৰি চলা এই অভিযানত ভাৰতীয় স্থল, বায়ু আৰু নৌ সেনাই পাকিস্তানৰ ৯টা সন্ত্ৰাসবাদী আন্তঃগাঁথনিত আঘাত হানিছিল। যুদ্ধৰ দৰে পৰিস্থিতিৰ সৃষ্টি হৈছিল যদিও শেষত যুদ্ধবিৰতি ঘোষণা কৰা হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে তেতিয়া কৈছিল যে, "এইখন নতুন ভাৰত। মাতৃভূমিৰ ওপৰত যিয়েই বেয়া দৃষ্টি দিব, তাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব। ভাৰতৰ ওপৰত কৰা আক্ৰমণ আৰু সহ্য কৰা নহ'ব।" পহলগাম আক্ৰমণৰ পিছত বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুৰব্বী মহম্মদ ইউনুছৰ ঘনিষ্ঠ মেজৰ জেনেৰেল (অৱ.) এ এল এম ফজলুৰ ৰহমানে কৈছিল যে, ভাৰতে পাকিস্তানক আক্ৰমণ কৰিলে চীনৰ সৈতে মিলি উত্তৰ-পূৰ্ব ভাৰতৰ ৭খন ৰাজ্য দখল কৰিব লাগে। "চিকেন নেক"ৰ কথা উল্লেখ কৰি এনে হুমকি দিয়া হৈছিল। যদিও বাংলাদেশে এতিয়ালৈকে কেৱল মানচিত্ৰ সলনি কৰাৰ কথাহে কৈছে, তথাপি ভাৰতে সকলো পৰিস্থিতিৰ বাবে সাজু হৈ আছে।

# অসমৰ দ্বিতীয় বিধানসভা

আনিছে। এই দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে ৰাজ্যৰ দ্বিতীয় বিধানসভা ভৱন নিৰ্মাণৰ কাম আৰম্ভ হ'বলৈ ওলাইছে। ভাৰত চৰকাৰৰ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আহি ৩০ জানুৱাৰীত ডিব্ৰুগড়ত এই ভৱনৰ আধাৰশিলা স্থাপন কৰিব। লগতে একে অনুষ্ঠানতে ডিব্ৰুগড়ৰ খনিকৰত নিৰ্মাণ সম্পূৰ্ণ হোৱা অত্যাধুনিক বহুমুখী ক্ৰীড়া প্ৰকল্পৰো শুভ উদ্বোধন কৰিব গৃহমন্ত্ৰীগৰাকীয়ে। এই অনুষ্ঠানক লৈ ডিব্ৰুগড় জিলা প্ৰশাসনে অসম চৰকাৰৰ সহযোগত তুংগ প্ৰস্তুতি চলাইছে। খনিকৰ খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া এই বিশাল সভাত প্ৰায় ১ লাখ লোকৰ উপস্থিতিৰ সম্ভাৱনা আছে। মন্ত্ৰী পীযুষ হাজৰীকাৰ নেতৃত্বত মন্ত্ৰী প্ৰশান্ত ফুকন, বিমল বড়া আৰু ডিব্ৰুগড়-তিনিচুকীয়াৰ কেইবাগৰাকীও বিধায়কে প্ৰস্তুতিৰ অগ্ৰগতি পৰ্যালোচনা কৰি পৰিদৰ্শন কৰিছে। মন্ত্ৰী পীযুষ হাজৰীকাই সংবাদমেলত কয় যে, "৩০ জানুৱাৰীত দেশৰ গৃহমন্ত্ৰী অমিত শ্বাহ ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰলৈ আহিব। প্ৰায় ১ লাখ লোকৰ উপস্থিতিত এই মহাসভা অনুষ্ঠিত হ'ব। সেইদিনা গৃহমন্ত্ৰীয়ে ৰাজ্যৰ দ্বিতীয় বিধানসভা ভৱনৰ আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ক দ্বিতীয় ৰাজধানী হিচাপে গঢ়ি তোলাৰ বাবে অহোপুৰুষাৰ্থ কৰি আছে। সেয়ে বিধানসভা ভৱনৰ প্ৰয়োজন হৈছে আৰু নিৰ্মাণৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ পিছত মন্ত্ৰী, বিধায়ক আৰু অধ্যক্ষৰ বাসগৃহ নিৰ্মাণৰ কামো আগবাঢ়িব।" এই প্ৰকল্পৰ জৰিয়তে ডিব্ৰুগড়ত বিধানসভাৰ অধিবেশন অনুষ্ঠিত কৰাৰ ব্যৱস্থা হ'ব, যাৰ ফলত ৰাজ্যৰ প্ৰশাসনিক কাৰ্যকলাপ অধিক বিকেন্দ্ৰীকৃত হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দৃষ্টিভংগী অনুসৰি ডিব্ৰুগড়ক দ্বিতীয় ৰাজধানী হিচাপে গঢ়ি তোলাৰ এই পদক্ষেপে ৰাজ্যৰ পূবাঞ্চলৰ উন্নয়নক নতুন গতি প্ৰদান কৰিব। অসমত প্ৰতি বছৰে দেখা দিয়া বানপানী আৰু ভূমিক্ষয়ৰ সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে যৌথভাৱে নতুন পদক্ষেপ গ্ৰহণ কৰিছে। গৃহমন্ত্ৰী অমিত শ্বাহে দুই বছৰ আগতে ঘোষণা কৰিছিল যে বানপানী নিয়ন্ত্ৰণৰ বাবে ডাঙৰ ডাঙৰ পুখুৰী খান্দি বৰষুণৰ পানী সংৰক্ষণ কৰিব লাগিব। এই প্ৰক্ৰিয়াত মুঠ ৪০০টা পুখুৰী খন্দাৰ পৰিকল্পনা আছে। ৩০ জানুৱাৰীত প্ৰথম ১৪টা পুখুৰী নিৰ্মাণৰ কামৰ শুভাৰম্ভ কৰিব গৃহমন্ত্ৰীয়ে। এই কামৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৬৯৫ কোটি টকাৰ অনুদান প্ৰদান কৰিছে। ইতিমধ্যে নিবিদা প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে। ডিব্ৰুগড়, শদিয়া আৰু যোৰহাট লোকসভা সমষ্টিত কেইবাটাও পুখুৰী নিৰ্মাণ হ'ব। মন্ত্ৰী পীযুষ হাজৰীকাই কয়, "বৰষুণৰ পানী সংৰক্ষণ কৰিলে নদীত পানীৰ প্ৰবাহ কম হ'ব আৰু খৰালিৰ সময়ত খেতিত ব্যৱহাৰ কৰিব পৰা যাব। এই পদক্ষেপে বানপানীৰ লগতে পানী সংকটো সমাধান কৰাত সহায় কৰিব।" এই সকলোবোৰ পদক্ষেপে ডিব্ৰুগড়ক অধিক উন্নত আৰু প্ৰশাসনিক কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ সহায় কৰিব বুলি আশা কৰা হৈছে। ৰাজ্যৰ উন্নয়নৰ এই নতুন অধ্যায়ত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ ভ্ৰমণ আৰু অংশগ্ৰহণে বিশেষ তাৎপৰ্য বহন কৰিছে।

# নাছাৰ পৰা অৱসৰ ল'লে

নাছাই এই ঘোষণা কৰে। নাছাৰ তথ্য অনুসৰি সুনীতাৰ অৱসৰ ২০২৫ চনৰ ২৭ ডিচেম্বৰৰ পৰা কাৰ্যকৰী হৈছে, অৰ্থাৎ বৰদিনৰ ঠিক পিছতেই তেওঁৰ সেৱাৰ সময়সীমা সমাপ্ত হৈছে। নাছাৰ প্ৰশাসক জেৰেড আইজাকমেনে সুনীতা উইলিয়ামছৰ অৱসৰৰ প্ৰসংগত এক বিবৃতিত কয়, "সুনীতা উইলিয়ামছে মহাকাশ অভিযানৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰিছে। মহাকাশ কেন্দ্ৰত তেওঁৰ নেতৃত্বই অন্বেষণৰ ভৱিষ্যত গঢ় দিছে।" তেওঁ লগতে কয় যে, বিজ্ঞান আৰু প্ৰযুক্তিৰ উন্নতিৰ ক্ষেত্ৰত সুনীতাৰ অৱদানে চন্দ্ৰলৈ আৰ্টেমিছ অভিযান আৰু মংগল গ্ৰহলৈ যাত্ৰাৰ দৃঢ় ভেঁটি স্থাপন কৰিছে। তেওঁৰ অসাধাৰণ কৃতিত্বই ভৱিষ্যত প্ৰজন্মক ডাঙৰ সপোন দেখিবলৈ আৰু অনুপ্ৰাণিত হ'বলৈ সদায় সহায় কৰি যাব। প্ৰশাসকে সুনীতাক অভিনন্দন জনোৱাৰ লগতে নাছাৰ প্ৰতি তেওঁৰ অমূল্য সেৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। ১৯৯৮ চনত নাছাত যোগদান কৰা সুনীতা উইলিয়ামছে তিনিখন ভিন্ন ভিন্ন মহাকাশ অভিযানত অংশগ্ৰহণ কৰি মুঠ ৬০৮ দিন মহাকাশত অতিবাহিত কৰিছে। এই সময়কাল নাছাৰ মহাকাশচাৰীসকলৰ মাজত দ্বিতীয় সৰ্বাধিক। তেওঁ আৰু বুচ উইলম'ৰে যৌথভাৱে নাছাৰ বয়িং ষ্টাৰলাইনাৰ আৰু স্পেচএ' ক্ৰু-৯ অভিযানৰ সময়ত ২৮৬ দিন মহাকাশত কটোৱাৰ ফলত আমেৰিকান মহাকাশচাৰীৰ মাজত একক অভিযানৰ দীৰ্ঘতম সময়ৰ তালিকাত ষষ্ঠ স্থান লাভ কৰিছে। সুনীতাই মুঠ ৯টা মহাকাশ ভ্ৰমণ সম্পূৰ্ণ কৰিছে, য'ত মহাকাশত কটোৱা মুঠ সময় ৬২ ঘণ্টা ৬ মিনিট। এই সময়কাল কোনো মহিলা মহাকাশচাৰীৰ সৰ্বাধিক আৰু নাছাৰ সৰ্বকালীন তালিকাত চতুৰ্থ স্থানত আছে। তেওঁ পৃথিৱীৰ প্ৰথম মহাকাশচাৰী হিচাপে মহাকাশত মাৰাথন দৌৰাৰ ৰেকৰ্ডও স্থাপন কৰিছে। ১৯৬৫ চনৰ ১৯ ছেপ্টেম্বৰত জন্মগ্ৰহণ কৰা সুনীতা উইলিয়ামছ এগৰাকী আমেৰিকান মহাকাশচাৰী তথা যুক্তৰাষ্ট্ৰৰ নৌসেনাৰ বিষয়া। ভাৰতীয় মূলৰ এই মহাকাশচাৰীয়ে নিজৰ কেৰিয়াৰৰ জৰিয়তে ভাৰত তথা বিশ্বৰ যুৱ প্ৰজন্মৰ বাবে এক অনন্য অনুপ্ৰেৰণাৰ উদাহৰণ স্থাপন কৰিছে।

# গৌৰৱ গগৈয়ে অসমখনক

শিক্ষানুষ্ঠান পৰিদৰ্শন কালত অসমৰ শিক্ষা তথা জনজাতি কল্যাণ মন্ত্ৰী ডাং ৰণোজ পেগুয়ে সাংবাদ মাধ্যমৰ আগত এনেদৰে মন্তব্য কৰে। তেওঁ সংবাদ মাধ্যমক পুনৰ কয় যে, সংখ্যালঘুৰ মাজত কংগ্ৰেছৰ জনপ্ৰিয়তা পূৰ্বৰ পৰাই আছে। ধুবুৰীত ১০লাখ ভোটৰ ব্যবধানত তেওঁলোকৰ সাংসদ জয়ী হৈছিল। সেইটোৱে প্ৰমাণ কৰি দিয়ে যে তেওঁলোক কাৰ পাৰ্টি। কোনবোৰ লোকৰ ওপৰত তেওঁলোক নিৰ্ভৰশীল। ২৬ৰ নিৰ্বাচনটো একেবোৰ কথাই হ'ব। অসমখনক বিপদাপন্ন কৰিবলৈ গৌৰৱ গগৈয়ে পৰিকল্পনা ৰচনা কৰিছে, তেওঁ প্ৰব্ৰজনকাৰী বিদেশীৰ হাতত অসমৰ শাসনভাৰ গটাই দিয়াৰ যি অলীক সপোন দেখিছে সেয়া কেতিয়াও পুৰণ নহয়। সেই সপোন সপোন হৈয়ে থাকিব। শিক্ষা তথা জনজাতি পৰিক্ৰমা বিভাগৰ কেবিনেট মন্ত্ৰী ডাঃ ৰণোজ পেগু আজি তিনিখন শিক্ষানুষ্ঠান পৰিদৰ্শনৰ কাৰ্যসূচী লৈ দুধনৈত উপস্থিত হয়। প্ৰথমতে দুধনৈ আমজোংগাস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয় পৰিদৰ্শন কৰি জিলালাখনৰ দুৰ দুৰণিৰ পৰা অধ্যয়ন কৰিবলৈ অহা ছাত্ৰ সকলৰ বাবে এক কৌটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'ব লগা "জনজাতি ছাত্ৰাবাস"ৰ আধাৰশিলা স্থাপন কৰে। এই ছাত্ৰাবাস নিৰ্মাণৰ কাম সম্পূৰ্ণ হলে ছাত্ৰ সকলৰ যথেষ্ট সুবিধা হব। পৰৱৰ্তী সময়ত এই ছাত্ৰাবাসটোৰ বাবে আৰু চৰকাৰী অনুদান আগবঢ়াব। তাৰ পিছতে মন্ত্ৰী গৰাকীয়ে নতুনকৈ স্বায়ত্ব শাসিত মৰ্যাদা লাভ কৰা দুধনৈ মহাবিদ্যালয়ত উপস্থিত হৈ মহাবিদ্যালয় খনৰ এই কৃতিত্বৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ তথা শিক্ষক গোট আৰু ছাত্ৰ-ছাত্ৰীসকলে মন্ত্ৰী গৰাকীৰ উষ্ম আদৰণি জনায়। দুধনৈ মহাবিদ্যালয়তো আন এটা "জনজাতি ছাত্ৰাবাস"ৰ আধাৰশিলা স্থাপন কৰে আৰু এখন সভাত অংশগ্ৰহণ কৰে। ইয়াৰ পিচতে কেবিনেট মন্ত্ৰী গৰাকীয়ে অসম মেঘালয় সীমান্তত অৱস্থিত ১৯২৫ চনতে স্থাপন হোৱা গোৱালপাৰা জিলাৰ নিচানগ্ৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শতবৰ্ষ অনুষ্ঠানতো অংশগ্ৰহণ কৰে। মন্ত্ৰী গৰাকীয়ে বিদ্যালয়খন পৰিদৰ্শন কৰাৰ আগমুহূৰ্তত এটা স্মৃতি সৌধ মুকলি কৰে আৰু এখন সভাত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীক বিদ্যালয়ৰ তৰফৰ পৰা গাৰো জনগোষ্ঠীৰ অংগবস্ত্ৰ, এটি স্মাৰক আৰু এটা টুপীৰে আদৰণি জনায়। মুকলি সভাত এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰে। মন্ত্ৰীগৰাকীয়ে মুখ্য অতিথিৰ ভাষণ প্ৰসংগত শতবৰ্ষ গৰকা উচ্চতৰ মাধ্যমিক বিদ্যালয় খনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে নতুন ভৱন নিৰ্মাণ কৰিবলৈ বিদ্যালয় খনলৈ ৭-৫০ কৌটিৰ পৰা ৮ কৌটি টকাৰ অনুদান ঘোষণা কৰে। তেওঁ ভাষণ প্ৰসংগত কয় যে, নিচানগ্ৰাম বিদ্যালয়খনে গৌৰৱময় শতবৰ্ষ অতিক্ৰম কৰি উচ্চতৰ মাধ্যমিকলৈ উন্নীত হৈছে। এ আইৰ যুগত বিদ্যালয় খনৰ মানদণ্ড কেনেদৰে উন্নত কৰি ছাত্ৰ ছাত্ৰী সকলৰ পাঠপুঠিৰ লগতে আন বিষয়ত দক্ষতা বৃদ্ধি কৰিব পাৰি সেই বিষয়ে সাৱলীলভাৱে বৰ্ণনা কৰে। তেওঁ ইংৰাজী ভাষাৰ লগতে মাতৃভাষা আন আন ভাষা সমূহ আয়ত্ত কৰিব পাৰি সেই বিষয়তো গুৰুত্ব প্ৰদান কৰে। সেয়েহে অসমত কেবাটাও ভাষাত সুকীয়াকৈ টেট পৰীক্ষা অনুষ্ঠিত কৰাৰো পৰিকল্পনা কৰিছে অসম চৰকাৰে। কিয়নো টেট পৰীক্ষা আৰু ডিএলএড পৰীক্ষা উত্তীৰ্ণ নোহোৱাকৈ কোনো ছাত্ৰ ছাত্ৰীয়ে শিক্ষকৰ যোগ্যতা লাভ কৰিব নোৱাৰে। আন এক প্ৰসংগত মন্ত্ৰী গৰাকীয়ে সম্প্ৰতি কোকৰাঝাৰত সংঘটিত অপ্ৰীতিকৰ ঘটনাৰ বাবে উদ্বেগ প্ৰকাশ কৰি সকলো পক্ষকে শান্তি সম্প্ৰীতি বৰ্তাই ৰাখিবলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীৰ ভ্ৰমণ কালত কেবাগৰাকী চৰকাৰী বিষয়া বিদ্যালয় মহাবিদ্যালয়ৰ অধ্যক্ষকে ধৰি শিক্ষক গোট ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# জুবিন গাৰ্গ সন্দৰ্ভত বিতৰ্কিত

সামাজিক মাধ্যমত বিতৰ্কিত আৰু অশালীন মন্তব্য কৰাৰ অভিযোগত শিখা শৰ্মা নামৰ এগৰাকী মহিলাক আজি আদালতে কাৰাগাৰলৈ প্ৰেৰণ কৰিছে। গুৱাহাটীৰ অপৰাধ অনুসন্ধান শাখাৰ (ক্ৰাইম ব্ৰাঞ্চ) হাতত গ্ৰেপ্তাৰ হোৱা শিখা শৰ্মাক দুদিনৰ আৰক্ষী জিম্মাৰ অন্তত আজি মহানগৰীয় দণ্ডাধিকাৰী আদালতত হাজিৰ কৰোৱা হয়। আদালতে তেওঁক ন্যায়িক জিম্মালৈ (জুডিচিয়েল কাষ্টডি) প্ৰেৰণ কৰে। জানিব পৰা মতে, শিখা শৰ্মাই ফেচবুক আদি সামাজিক মাধ্যমত জুবিন গাৰ্গৰ চৰিত্ৰ হনন কৰা ধৰণৰ ধাৰাবাহিক বিতৰ্কিত পোষ্ট কৰি আহিছিল। তেওঁ জুবিন গাৰ্গৰ লগতে তেওঁৰ পৰিয়ালৰ সদস্যসকলৰ বিৰুদ্ধেও অশালীন আৰু আক্ৰমণাত্মক মন্তব্য কৰিছিল, য'ত জুবিনৰ ৰুগীয়া পিতৃ আৰু ভগ্নী পামী বৰঠাকুৰৰ প্ৰতিও আপত্তিজনক উক্তি আছিল। এই পোষ্টসমূহে জুবিন অনুৰাগীসকলৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি কৰিছিল। এই ঘটনাৰ পিছতে জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে পানবজাৰ থানাত এখন এজাহাৰ দাখিল কৰে। গৰিমাৰ এজাহাৰৰ ভিত্তিতে গুৱাহাটীৰ অপৰাধ শাখাই ভাৰতীয় ন্যায় সংহিতা (BNS)ৰ ধাৰা ১৫২, ১৯৬, ২৯৯, ৩৫১, ৩৫২, ৩৫৩ আৰু ৩৫৬ৰ অধীনত গোচৰ ৰুজু কৰে (গোচৰ নং ২/২৬)। জুবিন ফেন ক্লাবৰ সদস্যসকলেও এই সন্দৰ্ভত এজাহাৰ দাখিল কৰা বুলি জানিব পৰা গৈছে। এজাহাৰ দাখিলৰ পিছতে শিখা শৰ্মাই বিতৰ্কিত পোষ্টসমূহ ডিলিট কৰিছিল যদিও আৰক্ষীয়ে প্ৰমাণ সংগ্ৰহ কৰি ১৯ জানুৱাৰীত গুৱাহাটীৰ পাথৰকুঁৱেৰী অঞ্চলৰ নীলাচল এপাৰ্টমেণ্টৰ এ ব্লকৰ চি-২ নম্বৰ বাসগৃহৰ পৰা তেওঁক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰৰ পিছত তেওঁক পানবজাৰ মহিলা আৰক্ষী থানাত ৰখা হৈছিল আৰু দুদিনৰ আৰক্ষী জিম্মাত ৰখা হৈছিল। আজি আদালতত হাজিৰ হোৱাৰ সময়ত শিখা শৰ্মাই মিডিয়াক জনায় যে তেওঁৰ জামিন নাকচ কৰাটো ৰাজনৈতিক ষড়যন্ত্ৰৰ ফল আৰু কংগ্ৰেছৰ চাপত এনে হৈছে। তেওঁ লগতে কয় যে আদালতত সকলো অভিযোগৰ উত্তৰ দিব আৰু ন্যায় ব্যৱস্থাৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আছে। কিন্তু আদালতে জামিন নাকচ কৰি তেওঁক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। এই ঘটনাই অসমৰ সামাজিক মাধ্যমত তীব্ৰ বিতৰ্কৰ সৃষ্টি কৰিছে। জুবিন গাৰ্গৰ অনুৰাগীসকলে এই গ্ৰেপ্তাৰক স্বাগত জনাইছে আৰু কৈছে যে "ভাল হৈছে।" ইফালে শিখা শৰ্মাৰ সমৰ্থকসকলে ইয়াক মতপ্ৰকাশৰ স্বাধীনতাৰ ওপৰত আক্ৰমণ বুলি অভিহিত কৰিছে। আৰক্ষীয়ে জনোৱা মতে, তদন্ত চলি আছে আৰু পোষ্টসমূহৰ স্ক্ৰীণশ্বট আৰু অন্যান্য প্ৰমাণ সংগ্ৰহ কৰা হৈছে। এই গোচৰত আৰু কোনোবাই জড়িত আছে নেকি সেয়াও অনুসন্ধান কৰা হৈছে।

# ধিঙত অখিল গগৈৰ

উপস্থিতিয়ে ধিঙৰ ৰাজনৈতিক পৰিৱেশ উত্তাল কৰি তোলে। উক্ত সভাত ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈ উপস্থিত থাকি কৰ্মীসকলক উদ্দেশ্য কৰি দৃঢ় হুংকাৰ প্ৰদান কৰে। কৰ্মী সভাত ভাষণ প্ৰদান কৰি অখিল গগৈয়ে ধিং সমষ্টিৰ ৰাজনৈতিক পৰিস্থিতি সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰে। তেওঁ ঘোষণা কৰে যে, আগন্তুক বিধানসভা নিৰ্বাচনত ধিং সমষ্টিৰ পৰা ৰাইজৰ দলৰ প্ৰাৰ্থী মেহবুব মুক্তাৰে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব। এই ঘোষণাই সভাত উপস্থিত ৰাইজৰ মাজত ব্যাপক সঁহাৰি লাভ কৰে। এই ক্ষেত্ৰত কোনো ধৰণৰ আপোচ নোহোৱাৰ কথাও তেওঁ স্পষ্টভাৱে উল্লেখ কৰে। উল্লেখযোগ্য যে ৫৫ নং ধিং বিধানসভা সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থীত্ব লাভৰ বাবে ইতিমধ্যে ২৩ জনতকৈ অধিক প্ৰাৰ্থীয়ে আবেদন দাখিল কৰিছে। এতিয়া এই সমষ্টিৰ বাবে কংগ্ৰেছ দলে কাক প্ৰাৰ্থিত্ব প্ৰদান কৰিব, সেয়া লৈ ৰাজনৈতিক মহলত তীব্ৰ চৰ্চা চলিছে। কংগ্ৰেছৰ পৰৱৰ্তী সিদ্ধান্তৰ ওপৰতেই ধিং সমষ্টিৰ ৰাজনৈতিক সমীকৰণ বহু পৰিমাণে নিৰ্ভৰ কৰিব বুলি মত প্ৰকাশ কৰিছে ৰাজনৈতিক বিশ্লেষকসকলে। ইফালে, আজিৰ সভাত স্পষ্ট হৈ পৰে যে যদি ধিং সমষ্টি কংগ্ৰেছে ৰাইজৰ দলক এৰি নিদিয়ে, তেন্তে ৰাইজৰ দল আৰু কংগ্ৰেছৰ মাজত থকা মিত্ৰতা ভংগ হোৱাটো নিশ্চিত। এই ঘোষণা ৰাজ্যৰ ৰাজনীতিত নতুন উত্তেজনা সৃষ্টি কৰিছে। সমগ্ৰ ঘটনাক্ৰমে ধিং সমষ্টিক আগন্তুক দিনত এক গুৰুত্বপূৰ্ণ ৰাজনৈতিক যুদ্ধক্ষেত্ৰ হিচাপে গঢ়ি তুলিব বুলি ধাৰণা কৰা হৈছে। উক্ত কৰ্মী সভাত সভাপতিত্ব কৰে সমষ্টি সমিতিৰ সভাপতি শ্বৰীফ উদ্দিন আহমেদে। লগতে অন্যান্য কৰ্মী সকলৰ উপৰিও ৰাইজৰ দলৰ সাধাৰণ সম্পাদক ৰাছেল হুছেইন উপস্থিত আছিল।

# কংগ্ৰেছৰ চৰকাৰ হ'লে মদৰ

পাহাৰীয়া জিলাখনত আনুষ্ঠানিকভাৱে ৰণডংকা বজাইছে। এই সভাত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা লোকসভাৰ বিৰোধী দলৰ উপ-দলপতি গৌৰৱ গগৈ, ছত্তীশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘেল, অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়া আদি কেইবাগৰাকী জ্যেষ্ঠ নেতাই অংশগ্ৰহণ কৰি শাসকীয় বিজেপি চৰকাৰ আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা কৰে। সভাত কংগ্ৰেছৰ কেইবা হাজাৰ কৰ্মী-সমৰ্থক উপস্থিত থকাৰ লগতে বিজেপিৰ লগতে আন কেইবাটাও দলৰ পৰা দুই শতাধিক লোকে কংগ্ৰেছত যোগদান কৰে। গৌৰৱ গগৈয়ে ভাষণত অসমৰ ৰাইজক সম্বোধন কৰি কয় যে অসমৰ ৰাইজে এইবাৰ সিদ্ধান্ত লৈছে আৰু যুঁজ এখন হ'ব। ৰাইজ যুঁজিব আৰু জয়ী হ'ব। তেওঁ অভিযোগ কৰে যে বিজেপি চৰকাৰে কেৱল আঁচনি দিয়াৰ বাহিৰে একো কাম কৰা নাই। আঁচনি সকলোৱে পায়নে, সস্তা ঔষধ পায়নে, গাঁৱৰ ৰাস্তা-পথৰ অৱস্থা ভালনে, নে জল জীৱন মিছনৰ পাইপেৰে পানী ওলায়নে বুলি প্ৰশ্ন উত্থাপন কৰি তেওঁ বিজেপিৰ কামৰ নমুনা বুলি কটাক্ষ কৰে। তেওঁ আৰু কয় যে আজি যিসকলে বিজেপি কৰে বা বিজেপিৰ নেতাক কমিছন দিয়ে, সেইসকলেইহে আঁচনি পায়, কিন্তু দুখীয়া মানুহে নাপায়। কংগ্ৰেছৰ চৰকাৰ হ'লে সকলো যোগ্য লোকে আঁচনি লাভ কৰিব বুলি আশ্বাস দিয়ে। জাতি-মাটি-ভেটিৰ কথা কোৱা বিজেপিয়ে এজন জনজাতীয় লোকক লেং মাৰি ছিণ্ডিকেট কৰা মানুহক মুখ্যমন্ত্ৰী পাতিছে বুলি সমালোচনা কৰি গগৈয়ে কয় যে মুখ্যমন্ত্ৰীয়ে অসমক শীৰ্ষ পাঁচ ৰাজ্যৰ ভিতৰত অন্যতম কৰাৰ প্ৰতিশ্ৰুতি দিছিল যদিও শিক্ষা আৰু স্বাস্থ্য ক্ষেত্ৰত অসমক ভাৰতৰ তলৰ পাঁচখন ৰাজ্যৰ ভিতৰত পেলাই দিয়া হৈছে। কংগ্ৰেছৰ ১৫ বছৰীয়া শাসনকালত দহ হাজাৰ কোটি টকাৰ ঋণ থকা বুলি হৈ-চৈ কৰা হিমন্ত বিশ্ব শৰ্মাৰ শাসনত এতিয়া ঋণ ডেৰ লাখ কোটি টকালৈ বৃদ্ধি পাইছে বুলি উল্লেখ কৰি গগৈয়ে কয় যে কৰ-কাটল, ভূমি ৰাজহ, বিদ্যুতৰ বিল, জিএছটি বৃদ্ধি কৰাৰ পিছতো ধন নোহোৱাত চৰকাৰে সুৰাৰ দোকান খুলি ৰাজহ বৃদ্ধি কৰিব বিচাৰিছে। যুৱকসকলক চাকৰি নিদি মদ খুৱাই ঘৰ ধ্বংস কৰি সেই ধনৰে ঋণ পৰিশোধ কৰিব বিচাৰে। অসমত কংগ্ৰেছৰ চৰকাৰ হ'লে মদৰ দোকান বন্ধ কৰি বিদ্যালয় আৰু মহাবিদ্যালয় স্থাপনত গুৰুত্ব দিয়া হ'ব বুলি ঘোষণা কৰে। তেওঁ অভিযোগ কৰে যে ভীতিগ্ৰস্ত বিজেপিয়ে ক্ষমতা ৰক্ষাৰ বাবে একাংশ জনতাৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰি বিহাৰ-উত্তৰ প্ৰদেশৰ পৰা বিজেপি সমৰ্থকক ভোটাৰ তালিকাত ভৰ্তি কৰোৱাৰ চেষ্টা কৰিছে। হিমন্ত বিশ্ব শৰ্মা এতিয়া অসমৰ ৰাইজৰ নহয়, বিহাৰ-উত্তৰ প্ৰদেশৰ বিজেপি সমৰ্থকৰ মুখ্যমন্ত্ৰী হ'ব বিচাৰিছে। জাতি, মাটি, সংস্কৃতি ৰক্ষাৰ বাবে হিমন্ত বিশ্ব শৰ্মাক বিদায় দিব লাগিব বুলিও কয়। ভাষণৰ মাজতে গৌৰৱ গগৈয়ে জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় দাবী কৰি প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণৰ সময়ত জুবিনৰ সমাধিক্ষেত্ৰলৈ নোযোৱাক সমালোচনা কৰে। জুবিন গাৰ্গৰ প্ৰতি প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ এলাৰ্জি কিয় বুলি প্ৰশ্ন উত্থাপন কৰি হিমন্ত বিশ্ব শৰ্মাক অসমৰ আটাইতকৈ মিছলীয়া মুখ্যমন্ত্ৰী বুলি অভিহিত কৰে। নিকা ৰাজনীতি ঘূৰাই আনিবলৈ হিমন্তক আঁতৰাবলৈ ৰাইজক আহ্বান জনায়। ছত্তীশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘেলে বিজেপিক ভ্ৰষ্টাচাৰৰ জৰিয়তে চহকী দল হোৱা বুলি সমালোচনা কৰি কংগ্ৰেছক জয়ী কৰাৰ দায়িত্ব কৰ্মীসকলৰ বুলি কয়। খিলঞ্জীয়াৰ ভূমি পুঁজিপতিৰ হাতত গতাই দিয়া বুলি অভিযোগ কৰি কয় যে আগতে ভোটাৰে চৰকাৰ নিৰ্বাচন কৰিছিল, এতিয়া চৰকাৰে ভোটাৰ নিৰ্বাচন কৰিব বিচাৰিছে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই পাহাৰীয়া জিলাৰ ভূমি আদানি-আম্বানিৰ হাতত গতাই দিয়া বুলি অভিযোগ কৰি তুলিৰাম ৰংহাঙৰ দুৰ্নীতিৰ কথা উত্থাপন কৰে। আন নেতাসকলে চৰকাৰৰ আঁচনিৰ বিনিময়ত ভোট লোৱাৰ কৌশলক সমালোচনা কৰে। সভাপতিত্ব কৰে কাৰ্বি আংলং জিলা কংগ্ৰেছৰ সভাপতি ৰতন ইংতিয়ে। সভাৰ পিছত গৌৰৱ গগৈয়ে বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিৰ সৈতে আলোচনাত মিলিত হয়। এই সভাই কাৰ্বি আংলংত কংগ্ৰেছৰ শক্তি প্ৰদৰ্শন কৰাৰ লগতে আগন্তুক নিৰ্বাচনৰ বাবে দলীয় সংগঠন শক্তিশালী কৰাৰ আহ্বান জনাইছে।

# ভাৰততেই T20 বিশ্বকাপ

সম্পূৰ্ণৰূপে নাকচ কৰিছে। বাংলাদেশে নিজৰ গোট পৰ্যায়ৰ চাৰিখন মেচ ভাৰতৰ পৰিৱৰ্তে সহ-আয়োজক শ্ৰীলংকাত অনুষ্ঠিত কৰাৰ বাবে আনুষ্ঠানিকভাৱে অনুৰোধ জনাইছিল, কিন্তু আইচিচিয়ে স্পষ্টকৈ কৈছে যে টুৰ্ণামেণ্টৰ নিৰ্ধাৰিত সময়সূচী আৰু স্থানত কোনো পৰিৱৰ্তন কৰা নহ'ব। আইচিচিৰ ব'ৰ্ডে আজি ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে এক জৰুৰী বৈঠক অনুষ্ঠিত কৰি এই সিদ্ধান্ত গ্ৰহণ কৰে। বিচিবিয়ে নিৰাপত্তাৰ উদ্বেগ দেখুৱাই খেলুৱৈ, বিষয়া, সংবাদকৰ্মী আৰু অনুৰাগীসকলৰ সুৰক্ষাৰ কথা উত্থাপন কৰিছিল। কিন্তু আইচিচিয়ে সকলো স্বতন্ত্ৰ নিৰাপত্তা মূল্যায়ন, ভেন্যু-ভিত্তিক পৰিকল্পনা আৰু আয়োজক দেশৰ আশ্বাস পৰীক্ষা কৰি জনাইছে যে ভাৰতৰ যিকোনো টুৰ্ণামেণ্ট স্থানত বাংলাদেশৰ প্ৰতি কোনো বিশ্বাসযোগ্য বা যাঞ্চিত ভাবুকি নাই। আইচিচিৰ বিবৃতিত কোৱা হৈছে যে, "বিগত কেইসপ্তাহমান ধৰি আইচিচিয়ে বিচিবিৰ সৈতে নিৰন্তৰ আলোচনা চলাই আহিছে। সকলো স্বতন্ত্ৰ নিৰাপত্তা পৰীক্ষণত দেখা গৈছে যে খেলুৱৈ, সংবাদকৰ্মী, বিষয়া আৰু অনুৰাগীসকলৰ বাবে ভাৰতত কোনো ভাবুকি নাই। টুৰ্ণামেণ্টৰ আৰম্ভ হোৱাৰ এই কম সময়ৰ ভিতৰত স্থান সলনি কৰাটো সম্ভৱ নহয় আৰু ই ভৱিষ্যতৰ আইচিচি অনুষ্ঠানসমূহৰ পবিত্ৰতাক বিপন্ন কৰিব পাৰে।" বাংলাদেশ গোট চি-ত আছে আৰু তেওঁলোকৰ চাৰিখন গোট পৰ্যায়ৰ মেচ ভাৰতৰ কলকাতা আৰু মুম্বাইত অনুষ্ঠিত হ'ব। টুৰ্ণামেণ্ট ৭ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'ব আৰু ৮ মাৰ্চলৈকে চলিব। আইচিচিয়ে বিচিবিক আৰু ২৪ ঘণ্টা সময় দিছে যাতে তেওঁলোকে ভাৰতলৈ যোৱাৰ সিদ্ধান্ত নিশ্চিত কৰে। যদি বাংলাদেশে অস্বীকাৰ কৰে তেন্তে তেওঁলোকক টুৰ্ণামেণ্টৰ পৰা বাদ দিয়া হ'ব আৰু ৰেংকিঙৰ ভিত্তিত স্কটলেণ্ডক তেওঁলোকৰ ঠাইত অন্তৰ্ভুক্ত কৰা হ'ব। আইচিচিয়ে কয় যে টুৰ্ণামেণ্টৰ নিৰাপত্তা পৰিকল্পনা সকলো দলৰ বাবে একে আৰু নিৰপেক্ষভাৱে পৰিচালিত হ'ব। বাংলাদেশৰ খেলুৱৈ, অনুৰাগী আৰু সংবাদকৰ্মীসকলে ভাৰতত নিৰাপদে অংশগ্ৰহণ কৰিব পাৰিব বুলি আশ্বাস দিয়া হৈছে। এতিয়া বিচিবিৰ ওপৰত চাপ পৰিছে যে তেওঁলোকে আইচিচিৰ সিদ্ধান্ত মানি লৈ টুৰ্ণামেণ্টত অংশ ল'ব নেকি, নে দেশৰ ৰাজনৈতিক অৱস্থানৰ বাবে বিশ্বকাপৰ পৰা বাদ পৰিব। এই সিদ্ধান্তৰ ফলত ক্ৰিকেট বিশ্বত নতুন বিতৰ্কৰ সৃষ্টি হৈছে আৰু টুৰ্ণামেণ্টৰ আৰম্ভণিৰ আগতে সকলোৱে এই বিষয়টোৰ পৰিণতিৰ অপেক্ষাত আছে।

# আজিৰে পৰা পাহাৰ-ভৈয়ামৰ

জোনবিলত পাহাৰ আৰু ভৈয়ামৰ মাজৰ সম্প্ৰীতিৰ নিদৰ্শন দেখা যাব। বিশ্বৰ বুকুৰ পৰা প্ৰায় হেৰাই যোৱা বিনিময় প্ৰথাৰে এই মেলাত উজলি উঠিব জোনবিলৰ পাৰ। কাৰ্বি আংলং আৰু মেঘালয়ৰ শতাধিক গাঁৱৰ পৰা পাহাৰৰ মামা-মামীসকলে কৃষিজাত সামগ্ৰীৰ মেটমৰা সম্ভাৰ লৈ আহিব। এবছৰৰ অন্তত পাহাৰ-ভৈয়ামৰ লোকসকলৰ মিলন ঘটিব এই মেলাত। মেলা সমিতিয়ে ইতিমধ্যে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। আধুনিক মুদ্ৰাক অচল কৰি পুৰণি বিনিময় প্ৰথাৰে চলিব ব্যৱসায়-বাণিজ্য। পুৱা পতাকা উত্তোলন আৰু মাংগলিক অনুষ্ঠানৰ লগতে তিৱা জাতীয় জীৱনৰ সৈতে জড়িত গৃহ মুকলি কৰা হ'ব। পাহাৰৰ মামা-মামীসকলে সামগ্ৰী বিনিময়ৰ বাবে মেলালৈ আহিব। ২৩ জানুৱাৰীৰ পুৱা ঐতিহাসিক বিনিময় প্ৰথাৰে হাট মুকলি কৰা হ'ব। তাৰ পিছতে জোনবিলৰ পাৰত সমূহীয়া মাছ ধৰা পৰ্ব অনুষ্ঠিত হ'ব। এই কাৰ্যসূচীৰ অংশ হিচাপে মধ্য অসমৰ পৰম্পৰাগত তিৱাসকলৰ ৰাজ দৰবাৰত ২২ গৰাকী তিৱা ৰজাক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজভাট্টা প্ৰদান কৰিব। লগতে তিৱা আৰু অসমীয়া ভাষাৰ কবি সন্মিলন, বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব। জোনবিল মেলা অসমৰ সাংস্কৃতিক ঐতিহ্যৰ এক জীৱন্ত প্ৰতীক। তিৱা (লালুং) জনগোষ্ঠীৰ সৈতে ঘনিষ্ঠভাৱে জড়িত এই মেলাই পাহাৰ আৰু ভৈয়ামৰ মাজৰ ভাতৃত্ব আৰু সম্প্ৰীতিৰ বাৰ্তা বিলাই দিয়ে। মৰিগাঁও জিলাৰ জোনবিল হ্ৰদৰ পাৰত অনুষ্ঠিত এই মেলাই প্ৰতি বছৰে হাজাৰ হাজাৰ লোকক আকৰ্ষণ কৰে।

### পিতৃ- মাতৃৰ নামত জ্যেষ্ঠ শিক্ষক গজেন বৰাই নিৰ্মাণ কৰি দিলে ছাত্ৰ-ছাত্ৰীৰ 'জিৰণি চ'ৰা'

## পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ জিৰণি চ'ৰা উদ্বোধন

**অসম বাৰ্তা, উজনী মাজুলী, ২১ জানুৱাৰী ঃ** মাজুলী জিলা শিক্ষা চক্ৰৰ অন্তৰ্গত মাধ্যমিক শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত আজি ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এটা জিৰণি চ'ৰা উদ্বোধন কৰা হয়। বিদ্যালয়খনৰ সমাজ তত্ত্ব বিভাগৰ জ্যেষ্ঠ শিক্ষক গজেন বৰাই প্ৰদান কৰা অৰ্থ সাহায্যৰে তেওঁৰ প্ৰয়াত পিতৃ তথা মাজুলীৰ প্ৰখ্যাত প্ৰথম ঢুলীয়া শিল্পী দণ্ডিৰাম বৰা আৰু মাতৃ প্ৰয়াত ধনদা বৰাৰ স্মৃতিত উক্ত 'জিৰণি চ'ৰা' নিৰ্মাণ কৰা হয়। আজি জ্যেষ্ঠ শিক্ষকজনৰ আৰ্থিক দানেৰে নিৰ্মাণ সম্পূৰ্ণ উক্ত জিৰণি চ'ৰাটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে পীতাম্বৰ দেৱ গোস্বামী কনিষ্ঠ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ঘনকান্ত নাথে। উদ্বোধনী অনুষ্ঠানৰ আঁত ধৰে বিদ্যালয়ৰ বিষয় শিক্ষক যদু কলিতাই। উক্ত, উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ গুণমণি নাথে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি নিৰন শইকীয়াই ভাষণ প্ৰদান কৰে। উক্ত জিৰণি চ'ৰাৰ দাতা তথা জ্যেষ্ঠ শিক্ষক গজেন বৰাই তেওঁৰ পিতৃ-মাতৃৰ স্মৃতিত ছাত্ৰ ছাত্ৰীসকলৰ বাবে ভালদৰে এটা জিৰণি চ'ৰা নিৰ্মাণ কৰি তেওঁৰ কৰ্মস্থলীলৈ দান হিচাপে আগবঢ়াই তেওঁৰ জীৱন সাৰ্থক হোৱা বুলি উল্লেখ কৰে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে বিদ্যালয়ৰ অধ্যক্ষ অজিত সভাপণ্ডিতে। উক্ত, উদ্বোধনী অনুষ্ঠানত মাজুলী মহাবিদ্যালয়ৰ অধ্যাপক ড° ৰাজেন বৰা, গড়মূৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কুমুদ গোস্বামী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ৰেণুমালা দত্ত, অৱসৰপ্ৰাপ্ত প্ৰৱক্তা যামিনী বৰবৰা, ভবেন কাকতি, নীলমণি বৰা, শশী নাথ, বলো কলিতা, ৰঞ্জিত সেন, ভূপেন দত্ত, ৰবীন মূদৈ, বিশিষ্ট সমাজকৰ্মী বিপিন হাজৰিকা, দিলীপ ভূঞা, নকুল বৰা, দুলেন শইকীয়া, প্ৰণতি বৰা, দীনেশ পেগু, অতুল কলিতা আদিৰ লগতে শতাধিক লোকে অংশগ্ৰহণ কৰে। অনুষ্ঠানত বিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

## ডেকাচাং যুৱ ক্ৰীড়া শিল্পী সংঘৰ ৰূপালী জয়ন্তী সমাৰোহ

**অসম বাৰ্তা, সোণতলী, ২১ জানুৱাৰী ঃ** কামৰূপ জিলাৰ ছমৰীয়াৰ ডেকাচাং যুৱ ক্ৰীড়া শিল্পী সংঘৰ ৰূপালী জয়ন্তী সমাৰোহৰ প্ৰথম দিনৰ কাৰ্যসূচীৰ আজি সামৰণী পৰে। এই উপলক্ষে আজি প্ৰথমতে পুৱা ৮ বজাত সভাপতি আবু তাহেৰৰ দ্বাৰা সংঘৰ পতাকা উত্তোলন কৰে। ইয়াৰ পিছতে গছ পুলি ৰোপণ, ২৫টাকৈ পতাকা উত্তোলন, বিশ্ব শান্তিৰ বাবে সমূহীয়া দোৱা আৰু প্ৰতিযোগিতামূলক কাৰ্যসূচী ৰূপায়ণ কৰে। লগতে আজিৰ পৰা আৰম্ভ হোৱা পাঁচদিনীয়া কাৰ্যসূচীমতে অহা কালি অৰ্থাৎ ২১ জানুৱাৰীত বৈ যোৱা খেল-ধেমালি, স্মৃতি পৰীক্ষা, আকস্মিক বক্তৃতা, কবিতা আবৃত্তি, কোৰ-আন পাঠ, গজল, ২২ জানুৱাৰীত ক্ৰমে-চিত্ৰাঙ্কণ, তৰ্ক, গোৱালপৰীয়া নৃত্য, বিহু নৃত্য, একক আধুনিক নৃত্য, ধোৱাগান-নাও খেলৰ গান-বৈঠকি গান, ২৩ জানুৱাৰীত ক্ৰম-অকণিৰ মেল, জিকিৰ-জাৰী, সম্বৰ্ধনা অনুষ্ঠান, আলোচনা চক্ৰ, জুবীন সংগীতানুষ্ঠান, বিভিন্ন গীত-মাত প্ৰতিযোগিতা আৰু আমন্ত্ৰিত শিল্পীবৃন্দৰ গীতৰ শৰাই আৰু ২৪ জানুৱাৰীত ক্ৰমে-পুৱাত মাৰাথান দৌৰ, ভেশ্চন প্ৰতিযোগিতা, বাৰে ৰহণীয়া সাংস্কৃতিক শোভা যাত্ৰা আদি কাৰ্যসূচী ৰূপায়ণ কৰিব। সিদিনা বিয়লিত মুকলি-বঁটা বিতৰণী সভাত মুখ পত্ৰ উন্মোচন কৰিব পশ্চিম গোৱালপাৰাৰ বিধায়ক আব্দুৰ ৰশিদ মণ্ডলে। ইয়াৰ পিছত উক্ত মুকলি-বঁটা বিতৰণী সভাত বিদগ্ধ ব্যক্তি সকলৰ সৈতে গোৱালপাৰা অসামৰিক চিকিৎসালয়ৰ শল্য চিকিৎসক ডাঃ ৰেজা ছফিউৰ ৰহমানে মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰিব। মুকলি সভাৰ অন্তত সাংস্কৃতিক সন্ধিয়াৰ মঞ্চত আমন্ত্ৰিত শিল্পীৰ গীতৰ শৰাই আগবঢ়াব। আয়োজন কৰা সংঘৰ ৰূপালী জয়ন্তী সমাৰোহৰ প্ৰতিটো কাৰ্যসূচীত ইয়াৰ আয়োজক মণ্ডলীয়ে ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে।

### শান্তি আলোচনাৰ দাবী 'আছা'ৰ

## কোকৰাঝাৰত উত্তপ্ত পৰিস্থিতি, দুজন নিহত

**অসম বাৰ্তা, লীলাবাৰী, ২১ জানুৱাৰী ঃ** গৰু চোৰক কেন্দ্ৰ কৰি কোকৰাঝাৰ জিলাৰ গৌৰীনগৰ অঞ্চল আজি উত্তপ্ত পৰিস্থিতিৰ উদ্ভৱ হয়। সোমবাৰে সন্ধিয়া সংঘটিত ঘটনাটোত দুজন লোকৰ মৃত্যু হৈছে বুলি জানিব পৰা গৈছে, তাৰে এজন বড়ো জনগোষ্ঠী আৰু আনজন আদিবাসী চাওঁতাল লোক। উল্লেখ্য যে, কেইবাজনো লোকৰ অৱস্থা অতি সংকটজনক, তেখেতসকলক কোকৰাঝাৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। উত্তেজিত লোকে আজি বীৰছা কমাণ্ডো ফৰ্চৰ অস্থায়ী কেম্প জ্বলাই দিয়ে। দুয়োটা জনগোষ্ঠীৰ লোকসকলক শান্ত হৈ আপোচ মীমাংসাৰ আহ্বান জনাইছে সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ 'আছা'ৰ সভাপতি গডউইন হেমৰমে। ঘটনাটিত ৰাজ্য চৰকাৰ আৰু বিটিচি চৰকাৰৰ হস্তক্ষেপ কামনা কৰি কয়, সামান্য গৰু চোৰক কেন্দ্ৰ কৰি হোৱা ঘটনাটো কোনো পৰিকল্পিত ঘটনা নহয়। এয়া অবাঞ্চিত ঘটনা। দুয়োটা জনগোষ্ঠীয়ে একেলগে বহি আলোচনা মৰ্মে মীমাংসা কৰিব লাগে। তেখেতে কয়, দুয়োটা জনগোষ্ঠীৰ মাজত অতি সোনকালেই শান্তি আলোচনা হোৱা উচিত। এই ক্ষেত্ৰত আদিবাসী ছাত্ৰ সন্থা আৰু বড়ো ছাত্ৰ সন্থাই বহি আলোচনা কৰিব।

### কাৰ্বি আংলঙৰ পৰা চুৰি ই-ৰিস্কা উদ্ধাৰ

## বেবেজীয়া আৰক্ষীৰ সফলতা

**অসম বাৰ্তা, নগাঁও, ২১ জানুৱাৰী ঃ** নগাঁও জিলাৰ বেবেজীয়া আৰক্ষীয়ে চুৰি হোৱা এখন ই-ৰিস্কা কাৰ্বি আংলঙ জিলাৰ বকলীয়া থানাৰ ৰজাপথাৰ গাঁৱৰ পৰা উদ্ধাৰ কৰি আনি ই-ৰিস্কা গৰাকীক চমজাই দিয়াত ৰাইজে বেবেজীয়া আৰক্ষীৰ চকী বিষয়াজনৰ ধন্যবাদ জ্ঞাপন কৰাৰ লগতে শলাগ লৈছে। উল্লেখ্য যে ডাকৰঘাট নিবাসী নিবনুৱা যুৱক নাচিৰউদ্দিন আহমেদৰ ঘৰৰ পৰা যোৱা ৫ জানুৱাৰীত এ এচ 02 জি আৰ ৫৫৩১ পঞ্জীয়ন নম্বৰৰ ই- ৰিস্কাখন চুৰি হৈছিল। চুৰি ঘটনা সন্দৰ্ভত ই-ৰিস্কাখনৰ গৰাকীয়ে আৰক্ষীক লগে লগে অৱগত কৰিছিল। বেবেজীয়া আৰক্ষীয়ে গোচৰটো পঞ্জীয়ন কৰি ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ভৰদ্বাজ ছেত্ৰীৰ নেতৃত্বত কালি কাৰ্বি আংলঙ জিলাৰ বকলীয়া থানাৰ অন্তৰ্গত ৰজাপথৰ গাঁৱৰ পৰা ই-ৰিস্কাখন উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ইতিমধ্যে চুৰ তপোধন শইকীয়াক গোচৰ নং 22/ U/S 303 (2) কৰায়ত্ত কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছে। আৰক্ষী বিষয়া গৰাকীৰ সফলতাক ৰাইজে প্ৰশংসা কৰিছে।

## চামগুৰিৰ পৰা কংগ্ৰেছৰ টিকট বিচাৰি আবেদন চিকিৎসক আৰিফ উদ্দিন আহমেদৰ

**অসম বাৰ্তা, ৰূপহীহাট, ২১ জানুৱাৰী ঃ** আগন্তুক ২০২৬ ৰ বিধান সভা নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে আৰম্ভ কৰিছে ব্যাপক তৎপৰতা। প্ৰধান বিৰুদ্ধী দল কংগ্ৰেছও আৰম্ভ কৰিছে প্ৰাৰ্থীত্ব বিচাৰাৰ আবেদন প্ৰক্ৰিয়া। যাৰ বাবে ৰাজীৱ ভৱনত ব্যাপক ভিৰ থকা পৰিলক্ষিত হৈছে। মধ্য অসমৰ এটা সকলোৰে দৃষ্টি থকা সমষ্টি হৈছে চামগুৰি সমষ্টি। এই চামগুৰি সমষ্টিত কংগ্ৰেছৰ পৰিয়ালকেন্দ্ৰীক ৰাজনীতিয়ে অতিকৈ জুৰুলা কৰি পেলাইছে। চামগুৰিত কংগ্ৰেছৰ উপযুক্ত প্ৰাৰ্থী থকাৰ পিছতো ৰকিবুল হুছেইনৰ ভয়ত কোনেও প্ৰাৰ্থীত্বৰ দাবীদাৰ হোৱা নাছিল। কিন্তু এই বাৰ চামগুৰি সমষ্টিত কংগ্ৰেছৰ এক বিপৰীত দৃশ্য দেখিবলৈ পোৱা গল। আজি ৰাজীৱ ভৱনত দলে বলে সমৰ্থক লৈ প্ৰাৰ্থীত্ব বিচাৰি আবেদন কৰিলে চিকিৎসক আৰিফ উদ্দিন আহমেদে। বছৰৰ পিছত বছৰ ধৰি কোনো কংগ্ৰেছীয়ে ৰকিবুল হুছেইনৰ ভয়ত কৰিব নোৱাৰা কাম কৰি দেখুৱালে চিকিৎসক আৰিফ উদ্দিন আহমেদে। চিকিৎসক আৰিফ উদ্দিন আহমেদ হৈছে নগাঁও জিলা পৰিষদৰ প্ৰাক্তন সভাপতি তথা গৰীবৰ বন্ধু হিচাপে পৰিচিত প্ৰয়াত আব্দুল মতিন মাষ্টৰৰ সুযোগ্য সন্তান। আব্দুল মতিন মাষ্টৰে জীৱিত কালত ধনী-দুখীয়া সকলোকে সমান চকুৰে চাইছিল আৰু সহায়ৰ হাত আগবঢ়াইছিল সেই কাৰণে মতিন মাষ্টৰক গৰীবৰ বন্ধু হিচাপে সকলোৱে চিনি পায়। চামগুৰিত আব্দুল মতিন মাষ্টৰৰ আছে ব্যাপক জনপ্ৰিয়তা। য়াৰ বাবে আজি চিকিৎসক আৰিফ উদ্দিন আহমেদে কংগ্ৰেছৰ পৰা প্ৰাৰ্থীত্ব বিচাৰি আবেদন কৰাত চামগুৰি সমষ্টিত কংগ্ৰেছী শিবিৰত আনন্দৰ জোৱাৰ উঠিছে। চামগুৰিত ৰকিবুল হুছেইনৰ ফুলকুমলীয়া পুত্ৰ তাঞ্জিল হুছেইনৰ বিৰুদ্ধে এজন সু-চিকিৎসক উলাই অহাত সকলোৱে শ'লাগ লৈছে।

### মন্ত্ৰী প্ৰশান্ত ফুকনৰ অংশগ্ৰহণ

## ডিব্ৰুগড়ত জ্যোতি সন্ধানী মহিলা সমিতি গঠন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২১ জানুৱাৰী ঃ** ডিব্ৰুগড় মানকটা টেপৰ গাঁৱত জ্যোতি পথ নিবাসী বাসিন্দা সকলে একত্ৰিত হৈ অঞ্চলটোৰ সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত মাত মাতি যোৱাৰ বাবে সহায় হোৱাকৈ "জ্যোতি সন্ধানী মহিলা সমিতি" নামেৰে এক সমিতি গঠন কৰে। এই উপলক্ষে অনুপ কুমাৰ চেলেংয়ে আতঁ ধৰা তথা বয়োজ্যেষ্ঠ ব্যক্তি তুলাৰাম গগৈৰ সভাপতিত্বত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত উপস্থিত থাকি উদ্দেশ্য ব্যাখ্যা তথা অঞ্চলটোৰ বিভিন্ন সমস্যাৰ সন্দৰ্ভত বক্তব্য ৰখাৰ লগতে ঐক্যবদ্ধ ভাবে সকলোৰে বিভাগীয় কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰাৰ অৰ্থে এটা শক্তিশালী সংগঠন গঠন কৰা পোষকতা বিষয়ে ব্যক্ত কৰে। সভাত শক্তি বিভাগৰ মহা প্ৰবন্ধক ৰাজীৱ গগৈ, সমাজকৰ্মী গ্ৰীণ সোণোৱালে অঞ্চলটোৰ বিভিন্ন সমস্যাৰ সমাধান কৰিবলৈ হ'লে ব্যক্তিগত ভাৱে নগৈ এটা অনুষ্ঠান বা সংগঠনৰ জৰিয়তেহে সম্ভৱ হ'ব বুলি মত পোষণ কৰে। সভাত সকলোৱে সহমতত অধিবক্তা ৰেখা বুঢ়াগোহাঁইক সভানেত্ৰী, শেৱালি গোহাঁই আৰু কল্যাণী সোণোৱালক উপ-সভানেত্ৰী, দিপমণি সোণোৱালক সম্পাদিকা, যানী সোণোৱাল আৰু কৰবী বৰুৱাক সহকাৰী সম্পাদিকা, সীমা শইকীয়াক কোষাধ্যক্ষ, অকণি চেলেংকক সাংগঠনিক সম্পাদিকা, জোনমণি সোণোৱালক সাংস্কৃতিক সম্পাদিকা, ৰশ্মি সোণোৱাল আৰু বিমলা সোণোৱালক প্ৰচাৰ সম্পাদিকা আৰু জুনু চবৰক স্বাস্থ্য উপদেষ্টা লগতে কেইবাগৰাকীকো কাৰ্যনিৰ্বাহ সদস্য হিচাপেলৈ শক্তিশালী সমিতি গঠন কৰা হয়। আনহাতে বয়োজ্যেষ্ঠ মহিলা যোগমায়া চেলেং, লিলি গগৈ, জুনু শইকীয়া, মীনাক্ষী সোণোৱাল, ৰেণুমী শইকীয়া, প্ৰণিতা শইকীয়া, অনিমা সোণোৱালক উপদেষ্টা হিচাপে ৰখা হয়। ৰাজহুৱা সভাত বয়োজ্যেষ্ঠ ব্যক্তি ঘণকান্ত গোহাঁই, ধীৰেণ শইকীয়া, তিলোচন সোণোৱাল, ব্ৰজেন শইকীয়া, লক্ষ্মীনাথ চেলেং, হেমচন্দ্ৰ সোণোৱাল, ৰোমান সোণোৱাল, অশোক সোণোৱালকে প্ৰমুখ্যে কৰি বিশিষ্ট ব্যক্তি সকল উপস্থিত থাকি বক্তব্য ৰখাৰ পাছত সভাপতি তোলাৰাম গগৈয়ে সভাপতি মন্তব্যৰ পাছত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। উল্লেখযোগ্য যে শেহতীয়াকৈ মাঘৰ বিহুত কাহিলী পুৱাতেই ডিব্ৰুগড় বিধায়ক তথা শক্তি মন্ত্ৰী প্ৰশান্ত ফুকন অঞ্চলটোত উপস্থিত হৈ মেজিত অগ্নি প্ৰজ্বলন কৰা লগতে অঞ্চলবাসীৰ সৈতে বিহু উদ্‌যাপন আৰু মত বিনিময় কৰাৰ লগতে কেইবাটাও গুৰুত্বপূৰ্ণ সমস্যাৰ সমাধানৰো আশ্বাস প্ৰদান কৰিছে।

## লখিমপুৰৰ দীৰ্ঘা মাজগাঁৱৰ বনানীকৰণ ভূমিত চলিছে অবৈধ নিৰ্মাণ কাৰ্য

**অসম বাৰ্তা, লীলাবাৰী, ২১ জানুৱাৰী ঃ** লখিমপুৰ জিলাৰ কদম ৰাজহ চক্ৰ তথা বগীনদী থানাৰ অন্তৰ্গত দীৰ্ঘা মাজগাঁৱত ১৯৯৫-৯৬ বৰ্ষত লখিমপুৰৰ ভূমি সংৰক্ষণ বিভাগে (Soil Conservation Department) দীৰ্ঘ নদীৰ প্ৰবল গৰাখহনীয়া প্ৰতিৰোধ কৰাৰ সমান্তৰালকৈ দীৰ্ঘা নদীৰ প্ৰভাৱৰ পৰা কাষৰীয়া অঞ্চলসমূহক ৰক্ষা কৰাৰ প্ৰাথমিক উদ্দেশ্যেৰে চাৰি হেক্টৰ ভূমি বনানীকৰণ ভূমিলৈ ৰূপান্তৰিত কৰি বৃক্ষ ৰোপণ কৰিছিল। অঞ্চলভিত্তিত সেই বনাঞ্চলক বৰ্তমান 'দীৰ্ঘা চয়েল' নামেৰে জনা যায়। দীৰ্ঘ নদীৰ কাষৰ Waste land-ক বনাঞ্চললৈ ৰূপান্তৰিত কৰাৰ ফলশ্ৰুতিত স্থানীয় অঞ্চলৰ কৃষি ভূমি সুৰক্ষিত কৰাত প্ৰকল্পটোৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। কিন্তু দুৰ্ভাগ্যৰ কথা যে লখিমপুৰ বন বিভাগ আৰু লখিমপুৰ ভূমি সংৰক্ষণ বিভাগৰ চূড়ান্ত অৱহেলাৰ বাবে বনাঞ্চলখনলৈ ভয়াৱহ ভাবুকি আহি পৰিছে। বনানীকৰণৰ ভূমিত বৰ্তমান অবৈধভাৱে পকী খুঁটা নিৰ্মাণকাৰ্য চলি থকাৰ লগতে অঞ্চলটোত দ্ৰুতগতিত গছ নাইকিয়া হৈ আহিছে। এনে কাৰ্য্যই বছৰ-বছৰ ধৰি চলি অহা ভাৰত চৰকাৰৰ বনানীকৰণ ভূমি সংৰক্ষণৰ প্ৰচেষ্টাক অৱহেলা কৰাই নহয় বৰঞ্চ বাৰিষা কালত গৰাখহনীয়া আৰু পৰিৱেশৰ প্ৰতি ভাবুকি আহিব বুলি স্থানীয় বাসিন্দাসকলে আশংকা প্ৰকাশ কৰিছে। অঞ্চলবাসীৰ মতে যদিহে এনে কাৰ্যকলাপ নিয়ন্ত্ৰণহীনভাৱে চলি থাকে তেন্তে বনানীকৰণৰ ভূমি অৱক্ষয় হ'ব পাৰে। অঞ্চলবাসীয়ে এই ক্ষেত্ৰত সংশ্লিষ্ট কৰ্তৃপক্ষক অবৈধভাৱে গছ কটা আৰু ব্যৱসায়িকভাৱে বাবে চলি থকা নিৰ্মাণ কাৰ্য বন্ধ কৰিবলৈ আহ্বান জনাইছে। ইয়াৰোপৰি গৰাখহনীয়া প্ৰতিৰোধৰ বাবে সেই বনানীকৰণৰ ভূমিত পুনৰ বৃক্ষ ৰোপণ কৰিবৰ বাবে ৰাইজে অনুৰোধ জনাইছে। স্থানীয় পৰিৱেশবিদ আৰু লোকসকলে মত প্ৰকাশ কৰিছে যে বনানীকৰণ ভূমিৰ গছ-গছনি সংৰক্ষণ কৰাটো পৰিৱেশ ভাৰসাম্যৰ উপৰিও গৰাখহনীয়া প্ৰতিৰোধৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ। তদুপৰি, M.C. Mehta বনাম Union of India (1987) গোচৰত মহামান্য উচ্চতম ন্যায়ালয়ে 'সুস্থ বাতাৱৰণ আৰু পৰিৱেশ'ক নাগৰিকৰ মৌলিক অধিকাৰ হিচাপে বিবেচনা কৰি ২১ নং অনুচ্ছেদত ইয়াক ব্যাখ্যা (Interpret) কৰি আহিছে। সেয়ে ৰাইজে সুস্থ পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰিবলৈ কৰ্তৃপক্ষক অনুৰোধ জনাইছে।

## অসম বিশ্ববিদ্যালয়, শিলচৰৰ ২৩ সংখ্যক সমাৱৰ্তন অনুষ্ঠানত আইজিপি পাৰ্থ সাৰথি মহন্তক ডিলিট ডিগ্ৰী প্ৰদান



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২১ জানুৱাৰী ঃ** অসম বিশ্ববিদ্যালয়, শিলচৰে সোমবাৰে অনুষ্ঠিত ২৩ সংখ্যক সমাৱৰ্তনত অসম আৰক্ষীৰ মহাপৰিদৰ্শক পাৰ্থ সাৰথি মহন্তক সন্মানীয় ডক্টৰেট অৱ লিটাৰেচাৰ ডিগ্ৰী প্ৰদান কৰে। তিনিদিনীয়া সমাৱৰ্তনৰ উদ্বোধনী অনুষ্ঠানত বেলুৰ মঠৰ ৰামকৃষ্ণ মিছন বিবেকানন্দ চেণ্টাৰ ফৰ এডুকেচন এণ্ড ৰিচাৰ্ছৰ উপ-উপাচাৰ্য স্বামী আত্মপ্ৰিয়ানন্দই মহন্তক এই উপাধি প্ৰদান কৰে। এই বছৰৰ সন্মানীয় ডি এল আই ডি ডি প্ৰাপক আছিল মহিন্দ্ৰা এণ্ড মহিন্দ্ৰা গ্ৰুপৰ মুখ্য উদ্যোগপতি আনন্দ মহিন্দ্ৰা, যদিও তেওঁ ব্যক্তিগতভাৱে বঁটা গ্ৰহণ কৰিবলৈ অসমৰ্থ হৈছিল। ২৩ সংখ্যক সমাৱৰ্তনৰ উদ্বোধনী অনুষ্ঠানত প্ৰাক্তন বায়ুসেনা প্ৰধান তথা অসম বিশ্ববিদ্যালয়ৰ চেঞ্চেলৰ অৰূপ ৰাহা আৰু উপাচাৰ্য ৰাজীৱ মোহন পণ্টো উপস্থিত থাকে, য'ত ১৩, ৬৬৬ জনৰো অধিক সফল শিক্ষাৰ্থীক তেওঁলোকৰ ডিগ্ৰীৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। ১৯৯৯ বেটচৰ আইপিএছ বিষয়া পাৰ্থ সাৰথি মহন্তই বৰ্তমান গুৱাহাটীৰ আৰক্ষী আয়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। সামাজিক সমস্যা আৰু মানৱীয় মূল্যবোধৰ ওপৰত আধাৰিত চলচ্চিত্ৰ নিৰ্মাণ আৰু পৰিচালনাৰ সৃষ্টিশীল কামৰ লগতে আৰক্ষীৰ প্ৰতি এক সংস্কাৰবাদী আৰু জনকেন্দ্ৰিক দৃষ্টিভংগী গ্ৰহণ কৰাৰ বাবে তেওঁক এই সন্মানীয় ডিগ্ৰী প্ৰদান কৰা হৈছিল। বিশ্ববিদ্যালয়ৰ দ্বাৰা এই সন্মানীয় বঁটা প্ৰদান কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰি মহন্তই তেওঁৰ ভাষণত কয় যে সমাজ সেৱা কেৱল পূৰ্ণকালীন সমাজ কৰ্মীসকলৰ দায়িত্ব নহয়। বৰঞ্চ, যদি আমি আমাৰ কাম সততাৰে কৰোঁ, ই সমাজৰ বাবে এক মহান সেৱা হ'ব আৰু আৰক্ষী বিষয়াজনৰ এই দায়িত্ব আৰু অধিক হ'ব বুলি মহন্তই উল্লেখ কৰে। মহন্তই লগতে কয় যে যেতিয়া এজন আৰক্ষী বিষয়াই পুৰস্কাৰ বা সন্মান লাভ কৰে, তেতিয়া কেৱল এজন বিষয়াই নহয়, সমগ্ৰ কৰ্মচাৰীয়েই হয়। "কোনো পুলিচ চুপাৰমেন নহয়। আমি অকলে আমাৰ কাম কৰিব নোৱাৰো আৰু আমাক সদায় আমাৰ দলৰ সমৰ্থনৰ প্ৰয়োজন।" সমাৱৰ্তনত মুখ্য অতিথি স্বামী আত্মপ্ৰিয়ানন্দই এক অনুপ্ৰেৰণামূলক আৰু চিন্তাশীল ভাষণ প্ৰদান কৰে। তেওঁ 'সৰ্বভূতহীত ৰত'ৰ দাৰ্শনিক নীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে মানুহ হোৱাৰ অৰ্থ কেৱল নিজৰ বাবে চিন্তা কৰাতে সীমাবদ্ধ নহয়, কিন্তু উদ্ভিদ, জীৱ-জন্তু আৰু সমগ্ৰ পৰিৱেশ তন্ত্ৰৰ প্ৰতি দায়বদ্ধতাও অন্তৰ্ভুক্ত থাকে। গভীৰ পৰিস্থিতিতন্ত্ৰৰ নীতিৰ কথা উল্লেখ কৰি তেওঁ কয় যে প্ৰকৃতিৰ ওপৰত আধিপত্য বিস্তাৰ কৰিবলৈ মানুহৰ জন্ম হোৱা নাই। তেওঁ চিন্তা কৰিছিল যে মানুহ বিশ্বব্ৰহ্মাণ্ডৰ কেন্দ্ৰ নহয়, কিন্তু এক বৃহত্তৰ পৰিৱেশতন্ত্ৰৰ অংশীদাৰ।

### নৱম শ্ৰেণীৰ শিক্ষাৰ্থীৰ মুখত হাঁহি

## টিলাপাৰা হাইস্কুলত বিনামূলীয়া চাইকেল বিতৰণ

**অসম বাৰ্তা, বিলাসীপাৰা, ২১ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত বিলাসীপাৰা সমজিলাৰ টিলাপাৰা হাইস্কুলত বিনামূলীয়া চাইকেল বিতৰণ কৰা হয়। পি এম শ্ৰী টিলাপাৰা হাইস্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিতৰণ কৰা হয় বিনামূলীয়া চাইকেল। কোৱা হয় যে দূৰ দূৰণিৰ পৰা বিদ্যালয়লৈ অহা শিক্ষাৰ্থীসকলৰ যাতায়ত ব্যৱস্থা অধিক সহজ কৰাৰ লগতে শিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰা আৰু আৰ্থিকভাৱে পিছপৰা পৰিয়ালসমূহক সহায় কৰাৰ উদ্দেশ্যৰে মুখ্যমন্ত্ৰীৰ বিনামূলীয়া চাইকেল বিতৰণৰ এই বিশেষ আঁচনি ৰূপায়ণ কৰা হৈছে। এই আঁচনিৰ জৰিয়তে বিদ্যালয়লৈ যাতায়তৰ ক্ষেত্ৰত থকা সমস্যাবোৰ বহু পৰিমাণে লাঘৱ হ'ব বুলি আশা কৰা হৈছে। ফলত শিক্ষাৰ্থীসকলে নিয়মিতভাৱে সময়মতে বিদ্যালয়লৈ আহিব পাৰিব আৰু পঢ়া-শুনাত অধিক মনোযোগ দিব পাৰিব। প্ৰাক্তন বিজেপি বিধায়ক তথা বৰ্তমানৰ অসম চৰকাৰৰ মাৰ্কেটিঙ ব'ৰ্ডৰ অধ্যক্ষ ড° অশোক কুমাৰ সিংহীয়ে অনুষ্ঠানত উপস্থিতিত হৈ আনুষ্ঠানিকভাৱে টিলাপাৰা হাইস্কুলৰ নৱম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত বিনামূলীয়া চাইকেল বিতৰণ কৰে। অনুষ্ঠানত বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি, একাডেমীক ইঞ্চাৰ্জ মনোৱাৰ হুছাইন, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলৰ লগতে কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি ড° সিংহীয়ে কয় যে মুখ্যমন্ত্ৰীৰ এই বিশেষ আঁচনি শিক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ শক্তিশালী প্ৰতিশ্ৰুতিৰ অন্যতম প্ৰমাণ। কোনো শিক্ষাৰ্থী যাতে মৌলিক সুবিধাৰ অভাৱত শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত নহয়, সেইটো নিশ্চিত কৰাই এই আঁচনিৰ অন্যতম মূল লক্ষ্য। বিনামূলীয়া চাইকেল লাভ কৰি শিক্ষাৰ্থীসকলে যথেষ্ট আনন্দ প্ৰকাশ কৰে আৰু এই আঁচনিয়ে বিদ্যালয়লৈ যাতায়ত সহজ কৰি তুলিব বুলি মন্তব্য কৰে। সৌহাৰ্দ্যপূৰ্ণ আৰু উৎসাহভৰা পৰিবেশত অনুষ্ঠান সফলভাৱে সম্পন্ন হয়।

### ■ বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সমাজকৰ্মী ৰুদ্ৰ কুমাৰ পাঠকে ■

## সনাতনী সভ্যতা-সংস্কৃতি ৰক্ষাৰ সংকল্পেৰে অভয়াপুৰীৰ দেওহাটী লক্ষ্মী মন্দিৰত হিন্দু সন্মিলন

**ষ্টাফ ৰিপ'ৰ্টাৰ, বঙাইগাঁও, ২১ জানুৱাৰী ঃ** সনাতনী সমাজখনৰ মাজত সময়ৰ সোঁতত আহি দেখা দিয়া নানান বিষয়, চিন্তা-চেতনা আৰু ভ্ৰান্ত ধাৰণাই সমাজখনৰ পূৰ্বৰ একতা-সম্প্ৰীতিৰ এনাজৰীডাল কিছু পৰিমাণে দুৰ্বল কৰি পেলোৱা পৰিলক্ষিত হৈছে। ইয়াৰ লগতে সনাতনী সভ্যতা-সংস্কৃতি, আচাৰ-ব্যৱহাৰ আৰু মূল্যবোধসমূহো ক্ৰমাৎ বিপদগ্ৰস্ত হৈ পৰিছে, যাৰ ফলত অনাগত দিনত সমাজ জীৱনৰ বাবে এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান সৃষ্টি হোৱাৰ সম্ভাৱনা দেখা গৈছে। এই চিন্তাজনক পৰিস্থিতিৰ পৰা সমাজখনক সঠিক দিশে আগবঢ়াই নিবলৈ আৰু সনাতনী মূল্যবোধক পুনৰ মজবুত কৰাৰ উদ্দেশ্য কৰি আজি অভয়াপুৰীৰ দেওহাটী লক্ষ্মী মন্দিৰ প্ৰাঙ্গনত এখন বৃহৎ হিন্দু সন্মিলন অনুষ্ঠিত হয়। অনুষ্ঠানটোৰ কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলনৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছতে বন্তি প্ৰজ্বলন কৰে অভয়াপুৰীৰ বিশিষ্ট সমাজ সেৱক তথা ১৬ নং অভয়াপুৰী বিধানসভা সমষ্টিত বিজেপি দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী শ্ৰীযুত ৰুদ্ৰ কুমাৰ পাঠকে। সমবেত সংগীতে সমগ্ৰ সন্মিলন ক্ষেত্ৰত এক ভক্তিময় পৰিৱেশ সৃষ্টি কৰে। তাৰ পাছতে আইসকলৰ দ্বাৰা নাম-



প্ৰসঙ্গ অনুষ্ঠিত হয়, যিয়ে উপস্থিত সকলোৱে মনত ধৰ্মীয় অনুভূতি জাগ্ৰত কৰে। বিভিন্ন আমন্ত্ৰিত অতিথিয়ে নিজৰ বক্তব্য আগবঢ়ায়। অতিথিসকলে সনাতনী সমাজৰ ঐক্য, সংস্কৃতি সংৰক্ষণ, নৈতিক শিক্ষা আৰু নতুন প্ৰজন্মক সঠিক দিশে আগবঢ়াবলৈ ধৰ্মীয় আৰু সাংস্কৃতিক চেতনা জাগ্ৰত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। দুপৰীয়া গীতাৰ দ্বাদশ অধ্যায় পাঠ অনুষ্ঠিত হয়। মহাপুৰুষ শংকৰদেৱ বিৰচিত এটি সুন্দৰ বৰগীত পৰিৱেশন কৰে কণ্ঠশিল্পী তনুপ্ৰিয়া কলিতাই। ইয়াৰ পাছত পুনৰ অতিথিৰ ভাষণ অনুষ্ঠিত হয়। আজিৰ এই অনুষ্ঠানত উপস্থিত থাকে বিশিষ্ট সমাজ সেৱক তথা ১৬ নং অভয়াপুৰী বিধানসভা সমষ্টিত বিজেপি দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী ৰুদ্ৰ কুমাৰ পাঠক, বিশ্বজিত ৰায়, শংকৰ প্ৰসাদ, নিপেন কোঁৱৰ, স্বপ্না দাস, সীমান্ত চেতনাৰ লগতে বহু গণ্য-মান্য ব্যক্তি।

## বেবেজীয়াৰ জাজড়িত সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ পঞ্চবাৰ্ষিক অধিবেশন

**অসম বাৰ্তা, বেবেজীয়া, ২১ জানুৱাৰী ঃ** সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ পঞ্চবাৰ্ষিক অধিবেশন খনি ২৩, ২৪ আৰু ২৫ জানুৱাৰীত তিনিদিনীয়া বৰ্নাঢ্য কাৰ্যসূচীৰে বেবেজীয়াৰ সমিপৱৰ্তী জাজড়িত অনুষ্ঠিত হব। ইতিমধ্যে জাজৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ খেলপথাৰত প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। উদ্যোক্তা সমিতিয়ে জনোৱা মতে ২৩ জানুৱাৰীৰ পুৱা ৮ বজাত প্ৰতিনিধি পঞ্জীয়ন, ৯.১৫ বজাত মূল তোৰণ মুকলি কৰিব সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ সভাপতি মইনুল ইছলামে। পুৱা ৯.৩০ বজাত বৃক্ষ ৰোপণ, ১.৩০ বজাত উপৰি পুৰুষক স্মৰণ আৰু মংগল প্ৰাৰ্থনা। সন্ধিয়া ৫.১৫ বজাত জাজৰিৰ জীয়ৰীৰ জীৱন গাথা আৰু ৬.১৫ বজাত পৰম্পৰাগত জাৰী নৃত্য অনুষ্ঠান। দ্বিতীয়দিনা অৰ্থাৎ ২৪ জানুৱাৰীৰ পুৱা পতাকা উত্তোলন কৰিব অভ্যৰ্থনা সমিতিৰ সভাপতি তথা স্থানীয় বিধায়ক ৰমাকান্ত দেউৰীয়ে। তাৰ পিছতে ৯.৩০ বজাত শ্বহীদ তৰ্পন, ১০ বজাত বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰিব জনপ্ৰীয় অভিনেতা সিদ্ধাৰ্থ শৰ্মাই। ১২.১৫ বজাত সমবেত সংগীত পৰিৱেশন। ১২.৩০ বজাত "গৰীয়া সমাজ: অতীত আৰু বৰ্তমান " শীৰ্ষক আলোচনা চক্ৰখনি সঞ্চালনা কৰিব লেখক, গৱেষক আশ্ৰফুল ইয়াচিন হুচেইনে। আলোচনা চক্ৰখনিত আলোচক হিচাপে ভাগ লব জে বি মহাবিদ্যালয়ৰ প্ৰাক্তণ উপাধ্যক্ষ ডঃ নুৰুল আমিন, নগাঁও এ ডি পি কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° মিলন নেওগ, শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ভোগোল বিভাগৰ সহযোগী অধ্যাপক ড° সঞ্জয় দাস, আশ্ৰৱিকা বৰা আৰু ভৈৰৱ মুণ্ডাই। বিয়লি ২ বজাত অনুষ্ঠিত হব জনগোষ্ঠীয় নৃত্যানুষ্ঠান। বিয়লি ২.১৫ বজাত চেংচাই উন্মোচন কৰিব অসম সাহিত্য সভাৰ উপ সভাপতি পদুম ৰাজখুৱাই। নিশা ৮.৩০ বজাত অনুষ্ঠিত হব সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ দিগদৰ্শন অনুষ্ঠান। অন্তিম দিনৰ কাৰ্যসূচী হিচাপে পুৱা ১০ বজাত সূৰ্যকণ্ঠ জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থাকিব শিল্পী ৰাজা বৰুৱা। দিনৰ ১২ বজাত মুকলি সভা উদ্বোধন কৰিব স্থানীয় বিধায়ক ৰমাকান্ত দেউৰীয়ে। মুকলি সভাত বিশিষ্ট লেখিকা ড° ৰীতা চৌধুৰীয়ে মুখ্য অতিথিৰ ভাষণ ৰাখিব আৰু উপস্থিত থাকিব অসম মন্ত্ৰী সভাৰ কেবিনেট মন্ত্ৰী অতুল বৰা, কেশৱ মহন্ত, পিয়ুষ হাজৰিকাকে ধৰি কেইবাজনো মন্ত্ৰী বিধায়ক আৰু জাতীয় সংগঠনৰ নেতৃবৰ্গ।

# ছমৰীয়া সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী ফাইজুৰ ৰহমান চৌধুৰীৰ দলীয় আবেদনপত্ৰ দাখিল

**অসম বাৰ্তা, গৰৈমাৰী, ২১ জানুৱাৰী ঃ** সমাগত বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি ২৭ নং ছমৰীয়া বিধানসভা সমষ্টিত ৰাজনৈতিক তৎপৰতা তীব্ৰতৰ হৈ উঠিছে। ইয়াৰ মাজতে আজি ছমৰীয়া সমষ্টিৰ পৰা ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ দলীয় প্ৰাৰ্থিত্বৰ আবেদন পত্ৰ দাখিল কৰিছে অধিবক্তা ফাইজুৰ ৰহমান চৌধুৰীয়ে। দলীয় নিয়ম অনুসৰি কংগ্ৰেছৰ নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ মাজেৰে গুৱাহাটীৰ ৰাজীৱ ভৱনত অধিবক্তা ফাইজুৰ ৰহমান চৌধুৰীয়ে নিজৰ আবেদনপত্ৰ দাখিল কৰে। দীৰ্ঘদিন ধৰি সামাজিক কাম-কাজত সক্ৰিয়ভাৱে অংশগ্ৰহণ তথা ৰাইজৰ সমস্যাক লৈ সদায়ে মাত মাতি অহা গৰৈমাৰী সত্ৰ নিবাসী তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা ফাইজুৰ ৰহমান চৌধুৰীক স্থানীয় কংগ্ৰেছ কৰ্মী তথা সমৰ্থকসকলে এজন যোগ্য প্ৰাৰ্থী হিচাপে বিবেচনা কৰিছে। জানিব পৰামতে কংগ্ৰেছ দলৰ নীতি আৰু আদৰ্শক অনুসৰণ কৰি দীৰ্ঘদিন ধৰি সামাজিক, আইনী তথা জনসেৱামূলক কাম-কাজৰ সৈতে জড়িত অধিবক্তা ফাইজুৰ ৰহমান চৌধুৰীয়ে ছমৰীয়া সমষ্টিৰ ৰাইজৰ স্বাৰ্থত কাম কৰাৰ লক্ষ্যৰে দলীয় প্ৰাৰ্থিত্বৰ বাবে আনুষ্ঠানিকভাৱে আবেদন দাখিল কৰে। আবেদন পত্ৰ দাখিল কৰি ফাইজুৰ ৰহমানে সমষ্টিটোৰ উন্নয়ন, শিক্ষা, স্বাস্থ্য, নিবনুৱা সমস্যা, যুৱ সমাজৰ সৱলীকৰণ, নাৰী সুৰক্ষা আৰু মৌলিক সমস্যাসমূহ সমাধান কৰাই তেওঁৰ মূল লক্ষ্য বুলি কয়। ৰাইজৰ সহায়-সমৰ্থন আৰু আশীৰ্বাদ লাভ কৰিলে সমষ্টিৰ সৰ্বাংগীণ উন্নয়নৰ বাবে দায়বদ্ধভাৱে কাম কৰাৰ প্ৰতিশ্ৰুতি দিয়ে অধিবক্তা ফাইজুৰ ৰহমান চৌধুৰীয়ে। ইপিনে তেওঁৰ আবেদন পত্ৰ দাখিলৰ লগে লগে ছমৰীয়া সমষ্টিৰ কংগ্ৰেছৰ ৰাজনীতিত নতুন গতি সঞ্চাৰ হোৱা দেখা গৈছে। দলীয় প্ৰাৰ্থিত্বকেন্দ্ৰিক যুঁজ অধিক তীব্ৰ হ'ব বুলি ৰাজনৈতিক মহলত আলোচিত হৈছে। তেওঁৰ প্ৰাৰ্থিত্বৰ আবেদন পত্ৰ দাখিলক লৈ ছমৰীয়া সমষ্টিত কংগ্ৰেছ শিবিৰত উৎসাহ-উদ্দীপনা পৰিলক্ষিত হৈছে। ৰাইজে আশা কৰিছে যে দলীয় নেতৃত্বই যোগ্য প্ৰাৰ্থীক সুযোগ প্ৰদান কৰি সমষ্টিৰ সৰ্বাঙ্গীণ উন্নয়নৰ পথ প্ৰশস্ত কৰিব ইপিনে ছমৰীয়া সমষ্টিৰ পৰা আজি গুৱাহাটীৰ ৰাজীৱ ভৱনত কংগ্ৰেছ দলৰ দলীয় প্ৰাৰ্থিত্বৰ আবেদন পত্ৰ দাখিল কৰে ছয়গাঁও সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ। ইপিনে ২৭ নং ছমৰীয়া সমষ্টিৰ পৰা ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ দলীয় প্ৰাৰ্থিত্বৰ বাবে অধিবক্তা আমান ৱাদুদ, অধিবক্তা ৰফিকুল ইছলাম, কংগ্ৰেছ নেতা শ্বাহজাহান আলী, অধিবক্তা কোৰবান আলী, কংগ্ৰেছ নেতা মেহবুব আলী, মৌচুমী আকতাৰ, ফজলুল হক গোপী নাথ দাসে আবেদনপত্ৰ দাখিল কৰিছে।

### দেৰগাঁও ষ্টাৰ স্পৰ্টছ মাৰ্চিয়েল আৰ্টছ একাডেমিৰ সফলতা

# আন্তঃৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতাত জিলিকিল দেৰগাঁও



**অসম বাৰ্তা, দেৰগাঁও, ২১ জানুৱাৰী ঃ** যোৱা ১৮ জানুৱাৰীত গুৱাহাটীৰ খানাপাৰাস্থিত গণেশ মন্দিৰ ইন্‌ডৰ ষ্টেডিয়ামত অনুষ্ঠিত হৈ যোৱা "চতুৰ্থ নেতাজী কাপ" আন্তঃৰাষ্ট্ৰীয় কাৰাটে চেম্পিয়নশ্বীপ-২০২৬ত ৰঞ্জিত ৰিঙ্কু বৰাৰ ওচৰত প্ৰশিক্ষণ গ্ৰহণ কৰি থকা ৬ গৰাকী প্ৰশিক্ষাৰ্থীয়ে জুনিয়ৰ আৰু চাব জুনিয়ৰ শাখাৰ ব্যক্তিগত কাটা-কুমিটে, দলীয় কাটা বিভাগত অংশগ্ৰহণ কৰি ৩টি সোণৰ, ৩টি ৰূপৰ, ৬ টি ব্ৰঞ্জ পদক সহ ১৬ৰ্জ বছৰ পুৰুষ শাখাৰ কাটাত শ্ৰেষ্ঠত্বাৰ সন্মান প্ৰাপ্তিৰে একাডেমিৰ লগতে দেৰগাঁও সম জিলাৰ কাৰাটে ক্ৰীড়া ক্ষেত্ৰলৈ গৌৰৱ কঢ়িয়াবলৈ সক্ষম হয়। পদক প্ৰাপ্তি সকল হ'ল, ১৬ৰ্জ বছৰ পুৰুষ শাখাৰ ব্যক্তিগত কাটা বিভাগত ভৈৰৱ ৰিঙ্কু বৰাই সোণৰ পদক সহ শ্ৰেষ্ঠত্বাৰ ট্ৰফী সহ সন্মান, ভাৰ্গৱ ৰিঙ্কু বৰাই ১১ বছৰ ল'ৰা শাখাৰ কুমিটেত- সোণৰ, কাটাত-ৰূপৰ, দলীয় কাটাত-ব্ৰঞ্জ, কুনাল নাথে ১২ বছৰ ল'ৰা শাখাৰ কাটাত-সোণৰ, কুমিটেত-ব্ৰঞ্জ, দলীয় কাটাত-ব্ৰঞ্জ, প্ৰিঞ্চ বড়োৱে ১২ বছৰ কুমিটেত-ৰূপৰ, দলীয় কাটাত-ব্ৰঞ্জ, নৱাৰুণা পাঠকে-৯ বছৰ ছোৱালী শাখাৰ কাটাত-ৰূপৰ, কুমিটেত-ব্ৰঞ্জ, দীপশিখা কলিতাই ১২ বছৰ ছোৱালী শাখাৰ কুমিটেত-ব্ৰঞ্জ পদক লাভ কৰি দেৰগাঁৱলৈ গৌৰৱ কঢ়িয়াই আনিছে।

## শিৱসাগৰত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত চেক বিতৰণ কাৰ্যসূচীৰ প্ৰস্তুতিমূলক বৈঠক সম্পন্ন

**অসম বাৰ্তা, শিৱসাগৰ, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২১ জানুৱাৰী ঃ** শিৱসাগৰ জিলাৰ তিনিখন বিধানসভ সমষ্টিত অনুষ্ঠিত "মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান" আঁচনিৰ অধীনত আনুষ্ঠানিকভাৱে হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ কাৰ্যসূচীৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰাৰ অৰ্থে আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত মৃদুল যাদৱৰ অধ্যক্ষতাত আয়োজিত এই বৈঠকত বিধানসভা সমষ্টি ভিত্তিত অনুষ্ঠিতব্য কাৰ্যসূচীৰ সামগ্ৰিক প্ৰস্তুতিমূলক ব্যৱস্থাপনা সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰা হয়। বৈঠকত জ্যেষ্ঠ আৰক্ষী অধীক্ষক শুভাশীষ বৰুৱা, জিলা উন্নয়ন আয়ুক্ত পবিত্ৰ কুমাৰ দাস, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সতীশ চন্দ্ৰ ঠাকুৰীয়া, নাজিৰাৰ সম-জিলা আয়ুক্ত প্ৰতিভা মেশ্ৰাম, অতিৰিক্ত জিলা আয়ুক্তদ্বয় লুকুমণি বড়া আৰু গৌৰীপ্ৰিয়া দেউৰী, সহকাৰী আয়ুক্ত চন্দনা জাহ্নৱী, গণেশ চন্দ্ৰ বড়ো প্ৰমুখ্যে সংশ্লিষ্ট বিভাগীয় বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

### গৃহ জিলা শিৱসাগৰৰ লগতে সমগ্ৰ ভাৰতবৰ্ষক গৌৰৱান্বিত কৰিছে বিৰিণাই

# আন্তৰাষ্ট্ৰীয় যোগাসন প্ৰতিযোগিতাত বিৰিণা গোৱালাৰ সফলতা

**অসম বাৰ্তা, জয়সাগৰ, ২১ জানুৱাৰী ঃ** চীনৰ মাকাওত যোৱা ১৪, ১৫ জানুৱাৰীত অনুষ্ঠিত প্ৰথম আন্তৰাষ্ট্ৰীয় যোগাসন প্ৰতিযোগিতাত শিৱসাগৰৰ দিচাংমুখ চৰাইপৰা গাঁৱৰ বাসিন্দা শিক্ষক অনিল গোৱালা আৰু সুনীতা পাংগিং গোৱালাৰ কন্যা বিৰিণা গোৱালাই বিশেষ সফলতা লাভ কৰি সুনাম কঢ়িয়াবলৈ সক্ষম হৈছে। চাৰিটা পৰ্যায়ত অনুষ্ঠিত ট্ৰেডিছনেল শাখাত সোণৰ পদক লাভ কৰি অসমৰ লগতে সমগ্ৰ ভাৰবৰ্ষকে গৌৰৱান্বিত কৰিছে। আনহাতে আৰ্টিষ্টিক পেয়াৰ আৰু ৰিডমিক পেয়াৰত দ্বিতীয় স্থান, চেম্পিয়ন অৱ দা চেম্পিয়নত দ্বিতীয় ৰাণা আপৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হৈছে। খেলুৱৈ গৰাকী অসমৰ মাটিত ভৰি থোৱা পিছতে আজি ডিব্ৰুগড় এয়াপৰ্টত বিভিন্নজনে আদৰণি জনাই। লগতে ডিব্ৰুগড় বৰবৰুৱাত গোৱালা সমাজকে ধৰি কেইবাটাও দল সংগঠনে আদৰণি জনাই। আনহাতে ডিমৌ চাৰিআলিত অসম চাহ জনজাতি ছাত্ৰ সন্থাকে ধৰি বিভিন্ন দল-সংগঠনে আদৰণি জনায়। টেক্সি আলি স্ব-গৃহত উপস্থিত হোৱা পিছতে চৰাই পৰা গাঁও উন্নয়ন সমিতি, টেক্সিআলি মিচিং উন্নয়ন সমিতি, মিলনজ্যোতি সংঘ, টেক্সিআলি ভকতসমাজে মিচিং গুমৰাক পাগ নৃত্যৰে আদৰণি জনায়। উল্লেখ্য যে, যোৱা ২০২৫ বৰ্ষত গুজৰাটত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ যোগাসনত চেম্পিয়নৰ খিতাপ অৰ্জন কৰি চীনৰ মাকাওত খেলিবলৈ নিৰ্বাচিত হৈছিল।

### বিশিষ্ট নাট্য শিল্পী সঞ্জীৱ বৰাক ৰূপকোঁৱৰ সোঁৱৰণী "সাংস্কৃতিক সমন্বয়" বঁটা

# শিৱসাগৰত সাংস্কৃতিক মহাসভাৰ কেন্দ্ৰীয় শিল্পী দিৱসৰ সফল সামৰণি

### ৰাজ্যিক ভিত্তিত অনুষ্ঠিত হোৱা জ্যোতি সংগীত প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ স্থানত ঃ আইৰিণ গগৈ



**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২১ জানুৱাৰী ঃ** শিৱসাগৰ জিলা সাংস্কৃতিক মহাসভাৰ উদ্যোগত গত বছৰৰ দৰে এইবাৰ শিৱসাগৰত একবিংশতিতম কেন্দ্ৰীয় শিল্পী দিৱসৰ সফল সামৰণি পৰে। পুৱা ৬-০০ বজাত পৰিৱেশ সংস্কৰণ, ১০-০০ বজাত জিলা পুথিভঁৰাল প্ৰাংগণত অৱস্থিত শিৱসাগৰ জিলা সাংস্কৃতিক মহাসভাৰ দ্বাৰা নিৰ্মিত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ যুগল প্ৰতিমূৰ্তিত হোৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত কেন্দ্ৰীয় শিল্পী দিৱস উদযাপন সমিতিৰ প্ৰধান সম্পাদক ত্ৰৈলোক্য দত্তই আঁট ধৰা অনুষ্ঠানটোত বন্তি প্ৰজ্বলন কৰে জিলা আয়ুক্ত মৃদুল যাদৱ, জিলা সাংস্কৃতিক মহাসভাৰ সভাপতি প্ৰেম গগৈ, উদযাপন সমিতিৰ সভাপতি ডাঃ বীনাপাণি হাজৰিকাই। গাম্ভীৰ্য পূৰ্ণ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বিষয় ববীয়া সকলৰ লগতে অতিৰিক্ত জিলা আয়ুক্ত লুকুমনি বৰা, সহ আয়ুক্ত দ্বয় ক্ৰমে গণেশ চন্দ্ৰ বড়ো আৰু বিদিশা শইকীয়া আৰু শিৱসাগৰ বাসী ৰাইজৰ লগতে জিলা প্ৰশাসনৰ ভালে সংখ্যক বিষয়া কৰ্মচাৰী উপস্থিতত জিলা আয়ুক্ত মৃদুল যাদৱে ভাষণ প্ৰদান কৰে। সেইদৰে দিনৰ ১২ বজাৰ পৰা শিৱসাগৰ স্থানীয় কালি প্ৰসাদ মেম'ৰিয়েল হলত ৰাজ্যিক ভিত্তিত অনুষ্ঠিত হোৱা জ্যোতি সংগীত প্ৰতিযোগিতা খনি শুভ উদ্বোধন কৰে শিক্ষাবিদ তথা নিবন্ধকাৰ ড° প্ৰশান্ত কুমাৰ চুতীয়াই। তেখেতে জ্যোতিপ্ৰসাদ আগৰৱালাৰ দৰ্শন আৰু কৰ্মৰাজী সন্দৰ্ভত বিস্তৃত বিৱৰনেৰে বক্তব্য প্ৰদান কৰে। বিয়লি তিনি বজাত জিলা সাংস্কৃতিক মহাসভাৰ সভাপতি প্ৰেম গগৈ দেৱৰ সঞ্চালনাত অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰে শিৱসাগৰ মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ ড° প্ৰকাশ কটকীয়ে। সভাখনৰ প্ৰাক মুহূৰ্তত শিল্পী সৌৰভ বঁটা প্ৰাপক চিত্তৰঞ্জন শইকীয়াৰ পৰিচালনাত দহ জনীয়া এটি দলে দিহানাম পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰে শিক্ষাবিদ ড° ক্ষীৰোদ গগৈয়ে। উদ্‌যাপন সমিতিৰ প্ৰধান সম্পাদক ত্ৰৈলোক্য দত্তই উদ্দেশ্য ব্যাখ্যা আৰু আঁট ধৰা গাম্ভীৰ্য পূৰ্ণ সভাখনত "ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা সোঁৱৰণী সাংস্কৃতিক সমন্বয়" বঁটা এইবাৰ প্ৰদান কৰা হয় নাট্যশিল্পী, অধিবক্তা তথা শিৱসাগৰ পৌৰসভাৰ উপ-পৌৰপতি সঞ্জীৱ বৰাক, একেদৰে দিখৌমুখৰ সমাজ প্ৰাণ মহিলা তথা অৱসৰ প্ৰাপ্ত কৃতি শিক্ষয়িত্ৰী ৰঞ্জু মনি ফুকন বৰাক 'সমাজ হিতৈষী বঁটা' আৰু সাংবাদিক পৱন আগৰৱালাক 'সংবাদ মধুকৰ বঁটা' প্ৰদান কৰা হয়। সভাত ৰাজ্যিক সমন্বয়ক ৰিনু বুঢ়াগোঁহাই তামোলী, উদযাপন সমিতিৰ সভানেত্ৰী ডাঃ বীনাপাণি হাজৰিকা, শিৱসাগৰ প্ৰেছ কাবৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক হিমাংশু নেওগ, সাংবাদিক ৰাতু দাস, সঞ্জয় আগৰৱালা, সংগীত শিল্পী ৰাজেন্দ্ৰ যোশী, প্ৰাঞ্জল পূজাৰী, অনামিকা কলিতা, দিপা কলিতা, ৰুমী হাজৰিকা, মিনু শইকীয়া লগতে বহু গণ্যমান্য ব্যক্তি উপস্থিত আছিল। জ্যোতি সংগীত প্ৰতিযোগিতাৰ "উচ্চ" শাখাৰ প্ৰথম শ্ৰেষ্ঠ স্থান লাভ কৰে আইৰিণ গগৈ, দ্বিতীয় ৰেৱতী চুতীয়া, আৰু তৃতীয় স্থান লাভ কৰে অন্তৰিক্ষা শৰ্মাই। নিম্ন শাখাৰ দ্বিতীয় আৰাধ্যা পাত্ৰ আৰু তৃতীয় শ্ৰেষ্ঠ স্থান লাভ কৰে দেৱলীনা দেউৰীয়ে। চিত্ৰাংকন প্ৰতিযোগিতাৰ "ক" শাখাৰ- প্ৰথম অৰ্চিতা গগৈ, দ্বিতীয় নিবিড় চুতীয়া আৰু তৃতীয় জুমি কলিতা, "খ" শাখাৰ প্ৰথম নিৰাজ প্ৰতীম ভৰদ্বাজ, দ্বিতীয় কৃষ্ণাক্ষী পূৰ্ণা বৰা আৰু তৃতীয় কাব্য কলিতা, "গ" শাখাৰ প্ৰথম সমীৰ হাজৰিকা, দ্বিতীয় জখ্যাশ্ৰী বৰচেতীয়া আৰু তৃতীয় স্থান লাভ কৰে দৃষ্টি বন্যা বৰাই। চিত্ৰাংকন প্ৰতিযোগিতাৰ মুখ্য বিচাৰক চিত্ৰশিল্পী মুকুল গগৈ, জ্যোতি সংগীত প্ৰতিযোগিতাৰ বিচাৰকৰ আসন অলংকৃত কৰে ক্ৰমে বিশিষ্ট সংগীত শিল্পী জয়ন্ত দত্ত আৰু বিজু মনি দত্ত বৰুৱাই।

## গণৰাজ্য দিৱস উপলক্ষে চাউলধোৱা আৰক্ষী চকীৰ অন্তৰ্গত গাঁওৰক্ষী বাহিনীসমূহৰ সভা

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ২১ জানুৱাৰী ঃ** আহিবলগীয়া গণৰাজ্য দিৱসৰ উপলক্ষে আজি লখিমপুৰ জিলাৰ চাউলধোৱা আৰক্ষী চকীত চাউলধোৱা আৰক্ষী চকীৰ অন্তৰ্গত গাঁওৰক্ষী বাহিনী সমূহৰ এখন সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে চাউলধোৱা আৰক্ষী চকীৰ অধীনস্থ গাঁৱৰক্ষী বাহিনী সমূহৰ সভাপতি দেৱীপ্ৰসাদ উপাধ্যায়ে। চাউলধোৱা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অভিজিত গগৈয়ে অনাগত গণৰাজ্য দিৱসত কোনো যাতে আইন শৃংখলা জনিত সমস্যা নহয়, এইক্ষেত্ৰত গাঁৱৰক্ষী বাহিনী সমূহৰ সহায় সহযোগিতা কামনা কৰে। বিশেষকৈ আলফা স্বাধীনৰ সক্ৰিয়তাৰ বাবে সকলোকে সজাগ সচেতন হৈ থাকিবলৈ তেওঁ আহ্বান জনায়। গণৰাজ্য দিৱসত কোনোধৰণৰ যাতে অনাকাংক্ষিত পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰ বাবে ইতিমধ্যে চাউলধোৱা আৰক্ষীয়ে ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অভিজিত গগৈৰ নেতৃত্বত দিনে-নিশাই কৰ্তব্য সম্পাদন কৰিছে। সভাত সাংবাদিক দিপ প্ৰতিম বৰা উপস্থিত থাকে।

### ভাওনা প্ৰদৰ্শনেৰে সামৰণি পৰিল কাৰ্যসূচী

# সৰুপথাৰ শংকৰদেৱ শিশু নিকেতনৰ ৰূপালী জয়ন্তী সমাৰোহৰ সফল সামৰণি

### সাংস্কৃতিক শোভাযাত্ৰাত বিভিন্ন জাতি-জনগোষ্ঠীৰ পৰম্পৰা আৰু কলা-কৃষ্টি প্ৰদৰ্শন

**অসম বাৰ্তা, ধনশিৰি, ২১ জানুৱাৰী ঃ** সৰুপথাৰ শংকৰদেৱ শিশু নিকেতনৰ ৰূপালী জয়ন্তী সমাৰোহৰ সফল সামৰণি। প্ৰথম দুটা দিনৰ সকলো কাৰ্যসূচী সফলভাৱে সম্পন্ন হোৱাৰ পিছত মঙ্গলবাৰে অৰ্থাৎ অন্তিম দিনা ২০জানুৱাৰী তাৰিখে প্ৰথম কাৰ্যসূচী হিচাপে পুৱাৰ ভাগত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, আচাৰ্য-আচাৰ্যা আৰু অভিভাৱক তথা স্থানীয় ৰাইজৰ সহযোগিতাৰে সৰুপথাৰ নগৰৰ ৰাজপথেদি এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা বাহিৰ কৰে। শোভাযাত্ৰাত অসমীয়া গ্ৰাম্য জনজীৱনৰ সকলো কৃষ্টি-সংস্কৃতি, পৰম্পৰা আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ কলা-সংস্কৃতি প্ৰদৰ্শিত কৰে। শোভাযাত্ৰাত জুবিন গাৰ্গৰ ন্যায় বিছাৰি কৰা প্ৰতিবাদ, আয়তীসকলৰ বিয়া নাম, হুচৰি আৰু অসমীয়া সমাজৰ বিহুৰ পৰম্পৰাই সকলোৰে দৃষ্টি আকৰ্ষিত কৰে। অনুষ্ঠানৰ দুপৰ ভাগলৈ ড° সিদ্ধাশ্বৰ বৰাৰ সভাপতিত্বৰে এখন মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি যোৰহাট মহিলা বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° মহাশ্বেতা দেৱীয়ে তেওঁৰ বহুমূলীয়া বক্তব্য আগবঢ়াই। উক্ত সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসম শিশু শিক্ষা সমিতি যোৰহাট বিভাগৰ বিভাগ নিৰীক্ষক দিগন্ত অধ্যাপক। অন্তিম দিনাৰ শেষৰ কাৰ্যসূচী হিচাপে সন্ধিয়াৰ ভাগলৈ প্ৰাক্তন সভাপতি প্ৰয়াত দুৰ্গা নাথ সন্দিকৈৰ সোঁৱৰণীত নিকেতনৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা "কুৰুসন্ধ্যা" নামেৰে এখনি ভাওনা প্ৰদৰ্শিত হয়। ভাওনাখনিৰ শুভ উদ্বোধন কৰে সৰুপথাৰ অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী জীৱন চুতীয়াই। পোন প্ৰথমবাৰৰ বাবে নিকেতনৰ ছাত্ৰ-ছাত্ৰীসকলে ভাওনাত অভিনয় কৰে যদিও তেখেতসকলে প্ৰাণঢালি কৰা নিখুঁত অভিনয়ে উপস্থিত সকলো ভাওনাপ্ৰেমী ৰাইজৰ মন মুহিবলৈ সক্ষম হয়। ভাওনা প্ৰদৰ্শনৰ দ্বাৰাই ৰূপালী জয়ন্তী সমাৰোহৰ সকলো কাৰ্যসূচীৰ সামৰণি পৰে। ৰূপালী জয়ন্তীৰ তিনিওটি দিনতেই বিদ্যালয়খনৰ চৌহদত উখল-মাখল পৰিৱেশে বিৰাজ কৰে আৰু প্ৰত্যেকটো কাৰ্যসূচী সফল আৰু সৰ্বাঙ্গ সুন্দৰভাৱে সামৰণি পৰে। অনুষ্ঠানটো সফল কৰি তোলাৰ ক্ষেত্ৰত নিকেতনৰ সকলো আচাৰ্য-আচাৰ্যা, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, নিকেতন পৰিচালনা সমিতিৰ বিষয়ববীয়া আৰু উদযাপন সমিতিৰ লগতে স্থানীয় ৰাইজে কৰা কষ্ট আৰু ত্যাগ উল্লেখনীয়।

## "ছ'চাইটি ফ'ৰ ব্ৰাইট ফিউচাৰ"ৰ উদ্যোগত ভূৰাগাঁও বৰডোবাটুপত ৫০ দুৰ্গত পৰিয়ালক কম্বল বিতৰণ

**অসম বাৰ্তা ভূৰাগাঁও, ২১ জানুৱাৰী ঃ** অসমৰ অন্যতম স্বেচ্ছাসেৱী সংগঠন' ছ'চাইটি ফ'ৰ ব্ৰাইট ফিউচাৰ'ৰ উদ্যোগত নগাঁও জ'নৰ অন্তৰ্গত ভূৰাগাঁও বৰডোবাটোপত ৫০ গৰাকী দুৰ্গত লোকক আজি একোখনকৈ কম্বল প্ৰদান কৰা হয়। বৰডোবাটুপৰ নদীৰ পাৰত আনুষ্ঠানিক কম্বল বিতৰণ কাৰ্যসূচীত নগাঁও জ'নৰ ক'ৰ কনভেনৰ মেহেদী আলম আৰু এৰিয়া ক'নভেনৰ মোবাৰক হুছেইনৰ লগতে সংগঠনটোৰ আন ছগৰাকী স্বেচ্ছাসেৱক উপস্থিত থাকে। আমন্ত্ৰিত অতিথি ৰূপে অপস্থিত থাকে জ্যেষ্ঠ সাংবাদিক প্ৰণৱ গোস্বামী আৰু বিষ্ণু ডেকা। উল্লেখ্য যে আজি কিছুদিনৰ পূৰ্বে অঞ্চলটোৰ চাৰিটা পৰিয়ালৰ বাসগৃহৰ লগতে সকলো সা-সম্পত্তি ভস্মিভূত হৈছিল এটা ভয়ংকৰ অগ্নিকাণ্ডত। অগ্নিকাণ্ডত ক্ষতিগ্ৰস্ত পৰিয়াল কেইটাৰ লগতে খহুনীয়াগ্ৰস্ত কিছু পৰিয়ালক সামৰি মুঠ ৫০টা পৰিয়ালক সংহঠন টোৰ তৰফৰ পৰা একোখনকৈ কম্বল আগবঢ়াই জাৰৰ দিনত সকাহ দিয়ে পৰিয়াল কেইটাক। সংগঠনটোৰ এনে প্ৰচেষ্টাক শলাগ লৈছে স্থানীয় লোকে।

### এগৰাকী মহিলাৰ মৃত্যু আন এগৰাকীক সংকটজনক অৱস্থাত চিকিৎসালয়ত ভৰ্তি

# টিপং কলিয়ৰীত অঘটন; কলিয়ৰীৰ পৰিত্যক্ত আৱাসৰ দেৱাল খহি পৰে দুগৰাকী মহিলাৰ ওপৰত

**অসম বাৰ্তা বিশেষ, জাগুন, ২১ জানুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ ডিগবৈ বন সংমণ্ডলৰ অধীনৰ লেখাপানী বনাঞ্চলিক কাৰ্য্যালয়ৰ অন্তৰ্গত টিপং কলিয়ৰী আৱাসিক এলেকাত এইবাৰ আৰম্ভ হৈছে পুৰণি ইটাৰ ছিণ্ডিকেট। খবৰ অনুসৰি টিপং কলিয়ৰীৰ আৱাসিক এলেকাৰ পৰিত্যক্ত আৱাস সমূহ কিছু সুবিধা বাদী লোকে নীতি বহিৰ্ভুত ভাৱে ধ্বংস কৰি দৈনন্দিন হাজাৰ হাজাৰ ইটা অবৈধ ভাৱে সৰবৰাহ কৰি আহিছে স্থানীয় বিভিন্ন স্থানলৈ। বৃহৎ লোকচানৰ সন্মুখীন হৈ অহা উত্তৰপূব কয়লা ক্ষেত্ৰ, মাৰ্ঘেৰিটাৰ অধীনৰ টিপং কল ইণ্ডিয়া লিমিটেড বিগত কিছুদিন পূৰ্বে সম্পূৰ্ণ ৰূপে বন্ধ হৈ পৰে। বন্ধ হৈ পৰাৰ বাবে কল ইণ্ডিয়াই টিপং কলিয়ৰীৰ মূল্যবান সম্পদ সমূহ লৈ যায় যদিও আৱাসিক এলেকাৰ গৃহ সমূহ বৰ্তমানেও পৰিত্যক্ত অৱস্থাত আছে। ইয়াৰেই সুযোগ গ্ৰহণ কৰি একাংশ সুবিধাবাদী লোকে দিনে ৰাতিয়ে আৱাসগৃহ সমূহ ধ্বংস কৰি পুৰণি ইটাৰ এক বৃহৎ চিণ্ডিকেত গঢ়ি তুলিছে। চিণ্ডিকেত বাহিনীৰ লোক কেইজনে স্থানীয় দিন হাজিৰা কৰা লোক সকলক তিনি বা চাৰি টকাৰ বিনিময়ত ইটা সমূহ চফা কৰিবলৈ দি পৰৱৰ্ত্তী সময়ত সেই ইটাসমূহ স্থানীয় চুবুৰীয়া অঞ্চল সমূহত ছয়ৰ পৰা সাত টকাকৈ বিক্ৰী কৰি আহিছে। ইয়াৰেই ফলশ্ৰুতিত আজি দিনৰ প্ৰায় এক মান বজাত টিপং কলিয়ৰী ষ্টাপ লাইনৰ এটা বিল্ডিং হাতুৰীৰে ভাঙি ইটা মজুত কৰি থকা অৱস্থাতেই সংঘটিত হয় এক ভয়ংকৰ দুৰ্ঘটনা। ফলত হাতুৰীৰে পকী দেৱাল ভাঙি থকাৰ সময়তে হঠাৎ এখন দেৱাল খহি দুগৰাকী মহিলাক হেচি ধৰে। খবৰ লাভ কৰি ছিণ্ডিকেত বাহিনীৰ দুজন মানে ততাতৈয়াকৈ এম্বুলেঞ্চ আনি স্থানীয় আৰক্ষী প্ৰশাসনক খবৰ নিদিয়াকৈ মাৰ্ঘেৰিটা অসামৰিক চিকিৎসালয়লৈ নি থকাৰ সময়তে মাজ বাটতে মঞ্জু চাহনামৰ এগৰাকী মহিলাই কৰুণ মত্যুক সাৱটি লয় লগতে খুচি নামৰ আন গৰাকী মহিলাক সংকট জনক অৱস্থাত চিকিৎসালয়ত ভৰ্তি কৰা বুলি জানিব পৰা গৈছে। বৰ্তমানে ডাঙৰ প্ৰশ্নটো হৈছে যে টিপং কলিয়ৰী সম্পূৰ্ণ বন্ধ হৈ পৰাৰ পাছতো কল ইণ্ডিয়াই এই পৰিত্যক্ত আৱাস গৃহ সমূহ কিয় আজিলৈ ধ্বংস নকৰিলে অথবা বন বিভাগে এই ক্ষেত্ৰত কল ইণ্ডিয়াক এই সমূহ ধ্বংস কৰিবলৈ জাননী প্ৰেৰণ কৰিছিল নে? কিয়নো টিপং কলিয়ৰি সম্পূৰ্ণ বন্ধ হৈ পৰাৰ পিছতেই উক্ত অঞ্চল সমূহৰ ওপৰত বন বিভাগৰ সম্পূৰ্ণ কৰ্তৃত্ব আহি পৰে। তেনে ক্ষেত্ৰত এই ধৰণৰ অবৈধ কাম কাজ সমূহ কেনেকৈ চলি থাকিব পাৰে? এই ক্ষেত্ৰত বন বিভাগৰ কৰণীয় কি? উক্ত চিণ্ডিকেট কাৰ পৃষ্ঠপোষকতাত চলিছে? ইয়াৰ উচিত তদন্ত হ'বনে? দুৰ্ঘটনাটোত পতিত মহিলা দুগৰাকীৰ ক্ষতিপুৰণ কোনে বহন কৰিব। এনে ধৰণৰ বহু প্ৰশ্ন উচ্চাৰিত হৈছে বিভিন্ন মহলত। সমগ্ৰ বিষয় সন্দৰ্ভত সচেতন মহলে মাৰ্ঘেৰিটা সম জিলা প্ৰশাসনৰ হস্তক্ষেপৰ দাবী জনাইছে।

# দেৰগাঁৱত সুতখোৰৰ মানসিক অত্যাচাৰত চৰম পন্থা ল'লৈ যুৱকে

**অসম বাৰ্তা, দেৰগাঁও, ২১ জানুৱাৰী ঃ** দেৰগাঁও থানাৰ অন্তৰ্গত বনগাঁও গড়গুৰিৰ মনদীপ বৰা নামৰ এজন ২৭বছৰীয়া যুৱক সুতখোৰৰ মানসিক অত্যাচাৰ বলি হৈ চৰম পন্থা ল'বলৈ বাধ্য হয়। পৰিয়ালৰ তৰফৰ পৰা মৃত মনদীপ বৰাৰ বায়েক সুপ্ৰিয়া বৰাই দেৰগাঁও আৰক্ষী থানাত দাখিল কৰা এজাহাৰ মতে, বনগাঁও বেংগলী পট্টিৰ সুমিত দাসৰ পৰা মনদীপে কিছু টকা সুতত ধাৰলৈ লৈছিল। কিন্তু সময়মতে সেই টকা ঘূৰাই দিব নোৱাৰাৰ কথা মনদীপে সুমিত দাসক জনাইছিল। ইয়াৰ পাছৰে পৰা সুমিত আৰু তেওঁৰ পত্নী বিজুমণি দাসে বিভিন্ন সময়ত মনদীপক মানসিকভাৱে অত্যাচাৰ চলাবলৈ আৰম্ভ কৰে। শেহতীয়াকৈ মাঘ বিহুৰ কেইদিনমানৰ পূৰ্বে মটৰ চাইকেলেৰে ঘৰলৈ আহি থকা অৱস্থাত সুতখোৰ সুমিত দাসে মনদীপৰ মটৰ চাইকেলখন কাঢ়ি ৰাখি সুতসহ সমুদায় টকা পৰিশোধ কৰিলেহে মটৰ চাইকেল ঘূৰাই দিব বুলি কোৱাৰ লগতে নানা তিৰস্কাৰ কৰে। ইফালে সুতখোৰ সুমিত আৰু পত্নী বিজুমণি দাসে সুত আৰু মূল বিচাৰি মনদীপক মানসিক অত্যাচাৰ চলাই থাকিল। অত্যধিক মানসিক চাপ আৰু অপমানত মনদীপে ১৮ জানুৱাৰীৰ পুৱতি নিশা বিষাক্ত দ্ৰব্য সেৱন কৰে। পৰিয়ালৰ লোকে মনদীপক সংকটজনক অৱস্থাত যোৰহাট চিকিৎসা মহাবিদ্যালয় হস্পিটেলত ভৰ্তি কৰে যদিও কিছু সময়ৰ পাছতে যুৱকজনৰ মৃত্যু হয়। ইয়াৰ পাছতে সুতখোৰ সুমিত আৰু ৰিজুমণিৰ বিৰুদ্ধে অঞ্চলটোৰ ৰাইজ উত্তেজিত হৈ পৰে। ইতিমধ্যে ঘটনাস্থলীত দেৰগাঁও আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে যদিও সুতখোৰ স্বামী-স্ত্ৰীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰাৰ পাছতো গ্ৰেপ্তাৰ নকৰাত ৰাইজ ক্ষুব্ধ হৈ পৰে। স্থানীয় ৰাইজে সুতখোৰ সুমিত আৰু ৰিজুমণিক ২৪ ঘণ্টাৰ ভিতৰত গ্ৰেপ্তাৰৰ দাবী জনাই প্ৰতিবাদমুখৰ হৈ পৰে। বনগাঁও অঞ্চলকে ধৰি কাষৰীয়া অঞ্চলৰ বহু লোকক অত্যধিক সুতৰ হাৰত টকা দি অত্যাচাৰ চলোৱাৰ অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী লোকে। ভুক্তভোগী বহু কেইগৰাকী লোকে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে, সময়ত সুত ঘূৰাই দিব নোৱাৰিলে সোণৰ আ-অলংকাৰ, বাইক আদিৰ উপৰি পশুধন পৰ্যন্ত জোৰ কৰি লৈ যায়। অভিযোগ অনুসৰি, এজন অধিবক্তাও জড়িত হৈ আছে এই সুতখোৰ গেঙৰ সৈতে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ অনুসৰি, সমগ্ৰ ৰাজ্যজুৰি সুতখোৰৰ বিৰুদ্ধে চলোৱা অভিযানৰ পাছতো কাৰ সাহসত নীৰৱচ্ছিন্নভাৱে এই দাস দম্পতীয়ে সুতৰ সাম্ৰাজ্য গঢ়িবলৈ সক্ষম হৈছে তাক লৈ সচেতন মহলে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। অতিশীঘ্ৰে এই এই সুতখোৰ সুমিত দম্পতীসহ সম্পূৰ্ণ গেঙৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে স্থানীয় লোকসকলে দেৰগাঁও আৰক্ষীক দাবী জনোৱাৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ মৃত যুৱকজনৰ ন্যায় বিচাৰি আহ্বান জনাইছে পৰিয়ালৰ লোকে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন